# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. IV**

No. 19

**The 29th March, 1984**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*

*DISPUR, GUWAHATI-5, 1989*

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

( BUDGET SESSION )

Vol. IV, No. 19

**Dated the 29th March, 1984**

## CONTENTS

| | | Pages |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Matter Under Rule 301 | 29 |
| 3. | Government Bills | 31 |
| | (I) The Assam Agricultural University (Amendment) Bill, 1984 | |
| | (II) The Assam Land Revenue re-assessiment (Amendment) Bill, 1984 | |
| | (III) The Assam Fixation of ceiling on Land Holdings ( Amendment ) Bill, 1984 | |
| | (IV) The Assam State Industrial Relief undertaking ( Special Provision ) Bill, 1984 | |
| | (V) The Assam Tea Plantations Provident Fund ( And Pension Fund ) Scheme (Amendment) Bill, 1984 | |
| | (VI) The Indian Stamp (Assam Amendment) Bill, 1984 | |
| 8. | Adjournment | 88 |

Proceeding of the fourth Session of the Assam Legislative Assembly asssembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday the 29th March, 1984 with the Hon. Speaker in the Chair, 19 ( Nineteen ) Ministers, 6 (Six ) Ministers of State, 6 ( Six ) Deputy Ministers, 1 ( One ) Parliamentary Secretary and 62 ( Sixty two ) Members present.

## STARRED

### Questions and Answers

( To which oral replies were given )

Date : 29th March, 1984

Re : Additional Post for Elementary Schools

Shri Kiron Bora asked :

* 172. Will the Minister, Education be pleased to state—

(a) Whether additional posts for Elementary Schools have been sanctioned ?

(b) If so, from which date the effect will given to ?

(c) The total No. of posts sanctioned and when the

appointment will be made ?

Shri Mukut Sarma ( Minister, Education ) replied :

172. (a) – Yes.

(b) – The effect will be given from the date of entertainment.

(c) – 2000 posts have been sanctioned. The appointment will be made from the beginning of the next academic session.

শ্ৰীকিৰণ বৰা—অতিৰিক্ত পোষ্টৰ কাৰণে যি টকা খৰচ কৰা হ'ব এইটো কোন বছৰৰ পৰা খৰচ কৰা হব ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—১৯৮৪-৮৫ চনৰ পৰা।

শ্ৰীকিৰণ বৰা – এইখন কিমান টকাৰ আঁচনি ? কিমান টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হৈছে আৰু কেনেকৈ নিয়োগ কৰা হ'ব ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—প্ৰথমতে ষ্টাইপেণ্ডাৰী হিচাবে নিয়োগ কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পাইছো যদিও ৰাজ্য চৰকাৰৰ পৰাই বেচি-ভাগ খৰচ কৰিব লাগিব।

Shri Benoy Kumar Basumatari—Sir, the Minister has said that some of the posts will be recruited first as stipendary posts. Is it a fact that about 200 stipendary posts have already been cleared and teachers have been appointed ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০০ পোষ্ট পাইছিলো আৰু এইখিনি মকৰল কৰা হৈ গৈছে।

শ্ৰীকিৰণ বৰা—ষ্টাইপেণ্ডাৰী পোষ্ট বিলাক কোন কোন সম্প্ৰদায়ৰ পৰা দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—একজনীয়া শিক্ষক থকা স্কুলসমূহতে এই বিলাক নিযুক্তি দিয়া হৈছে।

Shri Benoy Kumar Basumatari—What was the procedure adopted in appointing these 200 teachers ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এই বিলাক সোনকালে নিয়োগ কৰিবলগীয়া হোৱাত ডিৰেক্টৰ এলিমেণ্টাৰী এডুকেচনৰ জৰিয়তে দৰ্খাস্ত লৈ নিয়োগ কৰা হৈছে।

Shri Benoy Kumar Basumatari—Sir, is it a fact that the Director of Elementary Education appointed these 200 people at his whims without processing their applications ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—ডি ই ইয়ে গুণাগুণ চায়েই নিয়োগ কৰিছে।

Shri Benoy Kumar Basumatary—Sir, is it a fact that all these 200 teachers are lady teachers ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—মহিলা শিক্ষকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে দিয়াৰ কাৰণে সেই মতেই কৰা হৈছে।

শ্ৰীৰুক্মিনী ৰয়—ধুবুৰী জিলাত ইমান সোনকালে শেষ তাৰিখ দিয়া হ'ল যে যাৰ কাৰণে দৰ্খাস্তকে কৰিব নোৱাৰিলে। এই কথা জানেনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—মই কৈছোয়েই যে লৰালৰিকৈ দিব লগা হোৱাৰ কাৰণে কাগজ আৰু ৰেডিঅ'ৰ যোগে বিজ্ঞাপন দিয়া হৈছিল। লৰালৰি হোৱাৰ কাৰণেই এইটো কৰিবলগীয়া হৈছিল।

শ্ৰীহৰেণ তালুকদাৰ—২০০০ শিক্ষক লব। তাৰ ভিতৰতে ষ্টাইপেণ্ডাৰী পোষ্টো ধৰা আছে। ৬ষ্ঠ পৰিকল্পনাত কিমান পোষ্ট ক্ৰিয়েট কৰা হব আৰু কিমান পোষ্টত লোৱা হব এইটো জনাবনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এতিয়ালৈকে ২০০০ পোষ্ট ক্ৰিয়েট কৰা হৈছে।

শ্ৰীহৰেণ তালুকদাৰ—৬ষ্ঠ পৰিকল্পনাত কোনো পোষ্টত লোৱা নাই। আৰু ইয়াৰ কাৰণে বছৰি টকা ধৰা হৈ আহিছে। যদি ৬ষ্ঠ পৰিকল্পনাত লোৱা নহয় তেতিয়াহলে এই টকা বিলাক ঘূৰাই দিব নালাগিবনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—মই এইটো কথা এতিয়াই কব নোৱাৰো। পিচত চাই কব পৰা হ'ব।

শ্ৰীহৰেণ তালুকদাৰ—এই ২০০ ইয়াৰ ভিতৰত ধৰা হোৱা নাই।

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—নাই।

শ্ৰীপূৰ্ণ বড়ো—মই জানিব বিচাৰিছো যে পি এচ পিত কিমান দিয়া হ'ব আৰু আডটচাইড পি এচ পিত বড়ো মাধ্যমত কিমান দিয়া হ'ব আৰু অসমীয়া মাধ্যমত কিমান দিয়া হব ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—আমি মাধ্যম হিচাবে দিয়া নাই। ১৭০০ জেনেৰেলৰ কাৰণে আৰু ৩০০ পি এচ পিৰ কাৰণে।

শ্ৰীহৰেণ তালুকদাৰ—যি ২০০ পোষ্ট দিয়া হ'ল। এইবিলাক চাব ডিভিজিয়নেল এডভাচাৰী বৰ্ডৰ পৰা দিছেনে নাই ব্লকৰ পৰা দিছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এই বিলাক ব্লকৰ পৰা দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো—২০০০ ৰ ভিতৰত ৩০০ পি এচ পিৰ কাৰণে দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—হয়, ৩০০ পি এচ পিৰ কাৰণে ৰখা হৈছে।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ— কেন্দ্ৰীয় চৰকাৰৰ পৰা যি ১৩শ পোষ্ট দিয়া হৈছিল সেই বিলাক নিযুক্তি দিয়া হৈছেনে ? এই ২০০০ ৰ ভিতৰতে এইটোও সোমাই আছে নেকি ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—নিযুক্তি দিয়া হোৱা নাই। এইটো ইয়াৰ ভিতৰতে সোমাই আছে।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ— এই বিলাক কোনে দিব ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—চাব ডিভিজিয়নেল এডভাইচাৰী বৰ্ডে।

Shri Benoy Kumar Basumatari--Sir, does the hon'ble Minister not think that the department will be doing injustice to the Bodo medium if only 300 posts are sanctioned for Bodo medium in TSP areas ? TSP schools are located in tribal areas, so does the Minister think he will make justice to the Bodo medium if only 300 posts are sanctioned for Bodo medium ? The second point is, is not the Government aware that there are serious charges of corruption against appointment of these 200 lady teachers ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—টি, এচ, পি এৰিয়াৰ কাৰণে তিনিশ পোষ্ট দিয়া হৈছে আৰু ১৭শ পোষ্ট জেনেৰেল পোষ্টত দিয়া হৈছে। এই ১৭শৰ ভিতৰত টি, এচ, পিৰ বাহিৰত যদি আছে বৰ্ডে নিয়োগ কৰা সময়ত বিবেচনা কৰা উচিত হ'ব।

শ্ৰীমতী মৃদুলা চহৰীয়া—দুশ লেডি ষ্টাইপেণ্ডৰ পোষ্ট দিছে বুলি কৈছে। মঙ্গলদৈ মহকুমাত ইতিমধ্যে কিমানজনক নিযুক্তি দিছে জনাবনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—মহকুমা হিচাপে আজি কব নোৱাৰিম। মই জনামতে প্ৰায়বিলাক ব্লকত নিয়োগ কৰা হৈ গৈছে।

বিঃ চেচাঁ বিলৰ পৰা কেন্দুগুৰিলৈ মথাউৰি

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৭৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় বাননিয়ন্ত্ৰণ বিভাগৰ এলেকাৰ ভিতৰত পৰা বুঢ়ী দিহিং নদীৰ চেচাঁ বিলৰ পৰা কেন্দুগুৰি পৰ্য্যন্ত মথাউৰি গঠনৰ প্ৰয়োজনীয়তাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) এই মথাউৰি হৈ নুঠাৰ বাবে বুঢ়ী দিহিং নদীৰ বানপানী গেলাদিচাং নদীয়েদি সোমাই বিস্তৃত এলেকা যেনে গেলাদিচাং, চেচাঁবিল, ২ নং ধমনী, ৰংচোৱাল, কদমণি, শালমাৰি, দীঘলীয়া, বৰডুবি আদি অঞ্চল প্লাবিত কৰে বুলিও জানেনে ?

(গ) এই মথাউৰি প্ৰতিষ্ঠাৰ বাবে স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী, বাননিয়ন্ত্ৰণ মন্ত্ৰী, ৰাজহ মন্ত্ৰীৰ ওচৰত সজাতি দল যোগে আবেদন জনাইছিল নেকি ?

(ঘ) যদি জনাইছিল, প্ৰস্তাৱিত মথাউৰিটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি চৰকাৰে অনতিপলমে মথাউৰি দিয়াৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীৰগেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৭৩। (ক) চেচাঁ বিলৰ পৰা কেন্দুগুৰিলৈকে দিহিঙৰ ভাঁজে ভাঁজে মথাউৰি নাই যদিও দিহিঙৰ বানপানীৰ পৰা ৰক্ষা পাবলৈ বুঢ়ী দিহিঙৰ বাওপাৰে নাহৰকটীয়া পি, ডব্লিউ, ডি, ৰাস্তাৰ পৰা দিহিং মুখলৈকে মথাউৰি পোন-

পতীয়াভাৱে আছে।

(খ) জানে।

(গ) ৰাজহ মন্ত্ৰীয়ে দিয়া এখন স্মাৰক পত্ৰৰ প্ৰতিলিপি পোৱা হৈছিল।

(ঘ) কাৰি-কৰি দিশত সম্ভৱপৰ হলে আৰু ধনৰ যোগান সন্তোষজনক হলে আঁচনি সম্বন্ধে বিবেচনা কৰা হ'ব।

মাননীয় অধ্যক্ষ—মাজত কথা কৈ থাকিলে তেখেতে কি উত্তৰ দিব?

শ্ৰীমথুৰা ডেকা—পৰিপূৰক প্ৰশ্ন অলপ বিকৃত হ'ব। ৩০ দিনত এমাহ হয়, সাত দিনত এক সপ্তাহ হয়, লবালৰি কেইদিনত হয়?

Mr. Speaker—When the Hon'ble Members are not satisfied with the replies of the Minister, they should request the Chair to keep the question pending but they did not do it and wanted to put a large number of supplementaries but I cannot allow more than 12 supplementaries.

Shri Benoy Kumar Basumatary—Sir, let there be a half an hour discussion.

Mr. Speaker—No, no, I cannot be back.

বিঃ বৰপেটা জিলাৰ নিবনুৱাৰ সংখ্যা

শ্ৰীইছমাইল হুছেইনে সুধিছে:

* ১৭৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰত পুঞ্জীভূক্ত হৈ থকা মুঠ নিবনুৱাৰ সংখ্যা কিমান?

(অনুসূচীত জাতি, জনজাতি মুছলমান আদিৰ সংখ্যা বেলেগে বেলেগে দেখুৱাব)।

(খ) বৰপেটা জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি ১৯৮৩ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮৪ চনৰ জানুৱাৰী মাহলৈ কিমান জন পঞ্জীয়নভুক্ত নিবনুৱাৰ

নাম বিভিন্ন চাকৰি ৰাকৰিৰ বাবে চৰকাৰী অৰ্দ্ধ চৰকাৰী বিভাগলৈ panel কৰি পঠিওৱা হৈছে ?

( অনুসূচীত জাতি, জনজাতি, মুছলমান আদিৰ সংখ্যা বেলেগে বেলেগে দেখুৱাব ) ।

(গ) গাওঁ অঞ্চলৰ বেকাৰৰ সুবিধাৰ বাবে প্ৰতি উন্নয়ন খণ্ডত নিয়োগ বিনিময় কেন্দ্ৰৰ শাখা খোলাৰ ব্যৱস্থা চৰকাৰে বৰ্ত্তমান বছৰৰ পৰা লবনে ?

শ্ৰীৰামেশ্বৰ ধনোৱাৰ ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৭৪। (ক) ১৯৮৪ চনৰ ৩১ জানুৱাৰী তাৰিখলৈ বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হৈ থকা মুঠ নিবনুৱাৰ সংখ্যা ১৩৭৭৪ জন।

ইয়াৰ ভিতৰত :—

অনুসূচীত জাতি-৩৮০ জন।

জনজাতি-৩৬৫ জন।

মুছলমান-৪২১৮ জন।

আৰু অন্যান্য সম্প্ৰদায়-৮৪৯০ জন।

(খ) ১৯৮৩ চনৰ জানুৱাৰী মাহৰ ১ তাৰিখৰ পৰা ১৯৮৪ চনৰ ৩১ জানুৱাৰীলৈ সৰ্ব্বমুঠ ১১৬৬ জন পঞ্জীভুক্ত নিবনুৱাৰ নাম বৰপেটা নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি বিভিন্ন চাকৰীৰ বাবে চৰকাৰী, অৰ্দ্ধ চৰকাৰী, আৰু বেচৰকাৰী বিভাগলৈ পঠিওৱা হৈছে। তাৰে ভিতৰত কেন্দ্ৰীয় বিভাগলৈ ৯৩৮ জন, ৰাজ্য চৰকাৰৰ বিভাগলৈ ৬১১ জন, কেন্দ্ৰীয় অৰ্দ্ধ চৰকাৰী বিভাগলৈ ৯৮৩ জন, ৰাজ্যিক অৰ্দ্ধ চৰকাৰী বিভাগলৈ ২০ জন, আক বেচৰকাৰী বিভাগলৈ ২১৪ ৰ নাম পঠিওৱা হৈছে।

১১৬৬ জন প্ৰাৰ্থীৰ ভিতৰত—

অনুসূচীত জাতি-১৬ জন।

জনজাতি-৮৬ জন।

মুছলমান-৮৭ জন।

অন্যান্য পিচপৰা শ্ৰেণী-১০২ জন।

আৰু অন্যান্য সম্প্ৰদায়-৭৯৫ জন।

(গ) বৰ্ত্তমান ২০ খন উন্নয়ন খণ্ডত নিয়োগ তথ্য সহায়ক শাখা আছে।

চলিত বছৰত আৰু এনেকুৱা শাখা খোলাৰ ব্যৱস্থা চৰকাৰে লোৱা নাই।

শ্ৰীইছমাইল হুছেইন—মন্ত্ৰী মহোদয়ে পঞ্জীভুক্ত সম্প্ৰদায়ৰ যিখিনি লিষ্ট দেখুৱাইছে তাত দেখা গৈছে মুছলমানৰ সংখ্যা নিচেই তাকৰ। এইটো হোৱাৰ কাৰণ সমূহ জনাবনে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—জনা নাযায়।

শ্ৰীমহম্মদ আলী—কথাটো হৈছে অনুসূচীত জাতিৰ ৩৮০ জনৰ ভিতৰত ৯৩ জন, জনজাতিৰ ৩৬৫ জনৰ ভিতৰত ৮৩ জন, মুছলমানৰ ৪২১৮ জনৰ ভিতৰত ৭৮ জন, অন্যান্য পিচপৰা শ্ৰেণীৰ ৩২১ জনৰ ভিতৰত ১০২ জন, অন্যান্য সম্প্ৰদায়ৰ ৮৪৯০ জনৰ ভিতৰত ৭৯৫ জনৰ নাম এক্সচেঞ্জে পঠাইছে। এই ক্ষেত্ৰত মুছলমান সকলক অন্যায় কৰা হৈছে বুলি ভাবেনে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—মই ভবা নাই। তাত লোকেল এমপ্লয়মেণ্ট কমিটি আছে আৰু তাৰ মেম্বাৰ আমাৰ সদস্যসকল।

শ্ৰীবৰকট উল্লা—তদন্ত কৰি চাবনে যে কি ভিত্তিত ইমান কম পঠালে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—নাম পঠায় এমপ্লয়মেণ্ট এক্সচেঞ্জে আৰু নাম পঠোৱাৰ ক্ষেত্ৰত লোকেল এমপ্লয়মেণ্ট কমিটি আছে আৰু তাত মাননীয় সদস্যসকলৰ পৰা মেম্বাৰ আছে। তেখেতসকলে সেই নামবিলাক পঠোৱাৰ ব্যৱস্থা কৰে।

শ্ৰীহেমেন দাস—মই জনাত এই কমিটিৰ মাধ্যমত ইমানজন মানুহৰ নাম অনুমোদন কৰি পঠোৱা নাই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—এইটো তদন্ত কৰা হব।

শ্ৰীপূৰ্ণ বড়ো—মন্ত্ৰী মহোদয়ে জনাবনেকি যে এমপ্লয়মেণ্ট এক্সচেঞ্জত নাম ৰেজিষ্ট্ৰাৰ হোৱাৰ পিছত কেই বছৰলৈ নাম বিলাক পৰি থকাৰ পিছত নাম বিলাক পঠোৱা হয়?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—ছয় মাহত। কিছুমান ঠাইত তেনেকুৱা ব্যৱস্থা আছিল যে ৪-৫ বছৰলৈ ল'ৰা এজনৰ নামবিলাক পঠোৱা নাছিল। সেই কাৰণে এই ব্যৱস্থা যাতে হব নোৱাৰে তাৰ কাৰণে লোকেল এমপ্লয়মেণ্ট কমিটি কৰি দিয়া হৈছে। পপোলেচন পেটাৰ্ণ ৰিফ্লেক্ট কৰিবৰ

কাৰণে এই কমিটিক দায়িত্ব দিয়া হৈছে।

শ্ৰীহেমেন দাস—এমপ্লয়মেণ্ট কমিটি দুখন মিটিঙত উপস্থিত আছো আৰু নীতি ঠিক কৰিছিলো যে ১৯৮৩ চনত ভৰ্ত্তি কৰা নাম নপঠাই ১৯৭২-৭৩ আদি চনত ৰেজিষ্ট্ৰাৰ কৰা নাম পঠোৱা হওক। কাৰণ পুৰণি ল'ৰা বিলাক আছে, তলৰ পৰা পঠাম। কমিটিয়ে ঠিক কৰি দিয়া নাম পঠোৱা বুলি মোৰ মনত নাই?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী )—এইটো অনুসন্ধান কৰি চোৱা হব।

শ্ৰীমহম্মদ আলী—ইমান কম সংখ্যক মুছলমানৰ নাম পঠোৱাত অন্যায় হোৱা নাইনে?

মাননীয় অধ্যক্ষ—খেলিমেলি হোৱাৰ কাৰণে অনুসন্ধান কৰিম বুলি কৈছে।

বিঃ অসম এচবেচত্‌চ কোঃ

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে:

* ১৭৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটীৰ ওচৰৰ বোন্দাত অৱস্থিত অসম এচবেচত্‌চ কোঃত অসম চৰকাৰৰ বা চৰকাৰৰ কোন অনুষ্ঠানৰ কিমান অংশ আছে?

(খ) এই কাৰখানা পৰিচালনা কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কিবা কৰ্তৃত্ব আছেনে?

(গ) যোৱা দুবছৰত এই কোম্পানীৰ মুঠ উৎপাদন আৰু লাভৰ পৰিমাণ কিমান?

শ্ৰীকেশব চন্দ্ৰ গগৈ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

১৭৫। (ক) অসম এচবেচত্‌চ কোঃত চৰকাৰ বা চৰকাৰৰ কোনো অনুষ্ঠানৰ কোনো অংশ নাই।

(খ) নাই।

(গ) উৎপাদন —মূল্য

চন ১৯৮২=২০,২৮০-৫২৮ (M.T) লাখ টকা মেঃ টঃ

চন ১৯৮৩=১৬,৬৮৪ – ৪৫৭ (M.T) লাখ টকাঃ মেঃ টঃ

লাভ

চন ১৯৮২ = ২৮.০৩ লাখ টকা।

চন ১৯৮৩ = ৬.০০ লাখ টকা।

শ্রীপূর্ণ বড়ো— অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কলে যে এই কোম্পানীত চৰকাৰৰ কোনো অংশ নাই। মই মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে যে এই কোম্পানীটো কেতিয়া প্ৰতিস্থা হৈছিল ?

শ্রীকেশৱ চন্দ্র গগৈ ( মন্ত্রী ) – অধ্যক্ষ মহোদয়, এই কোম্পানীটো ১৯৭৪ চনত প্ৰতিস্থা হৈছিল আৰু ১৯৭৮ চনৰ পৰা ইয়াৰ উৎপাদনৰ কাম আৰম্ভ হৈছিল।

শ্রীপূর্ণ বড়ো—অধ্যক্ষ মহোদয়, অসমত এনেধৰণৰ আৰু কিমান কোম্পানী আছে মন্ত্রী মহোদয়ে জনাব পাৰিব নে ?

শ্রীকেশৱ চন্দ্র গগৈ ( মন্ত্রী ) – মহোদয়, এইটোৰ বাবে মোক বেলেগে প্ৰশ্ন দিব লাগিব।

## Re : Distribution of Ration

Shri Dileswar Tanti asked :

* 176. Will the Minister, Food & Civil Supplies be pleased to state—

(a) Whether the Government is aware that the rations like Atta and Rice etc. which are distributed through the Fair Price Shops are not reaching the non-workers population of the Tea Gardens in the Dibrugarh District ?

(b) If so, the reasons thereof ?

Shri Tilok Gogoi ( Minister, Food & Civil Supplies ) replied:

176. (a) No such report has been received by Government.

(b) Does not arise.

শ্ৰীদিলেশ্বৰ তাঁতী — অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদৰে কৈছে যে তেখেতৰ হাতত তেনেকুৱা খবৰ নাই, অৰ্থাৎ তেখেতে কৰ বিচাৰিছে যে পপুলেচন ভিত্তিত সকলোৱে চাউল আদি পায় আছে। কিন্তু মই জনাত এখন কো-অপাৰেটিভ ১৩ খন বাগিচা লৈ গঠিত হৈছে আৰু তাৰ পপুলেচন হৈছে প্ৰায় ১৪০ লাখ। এই সমবায় খনক মাহেকত ১৪৯ কুইন্টল চাউলৰ যোগান ধৰা হয়। আনহাতে ডুমডুমাত এখন কো-অপাৰেটিভ আছে, তাৰ পপুলেচন হৈছে ১৬ হাজাৰ আৰু চাউলৰ যোগান ধৰা হয় মাহে ৪০০ কুইন্টলকৈ। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছো যে য'ত ১৪০ লাখ পপুলেচন তাত চাউল দিয়া হৈছে মাত্ৰ ১৪৯ কুইন্টল আৰু য'ত ১৬ হাজাৰ পপুলেচন তাত চাউল দিয়া হৈছে ৪০০ কুইণ্টেল। এই বৈষম্য কিয় হব পালে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) — অধ্যক্ষ মহোদয়, আমাৰ যোগান বিভাগৰ নীতি অনুসৰি সকলোকে সমভাবে যোগান ধৰিব লাগে। যদি এই সমবায় কেইখনৰ ক্ষেত্ৰত তেনে ঘটনা হৈছে, তেনেহলে সেইটো মই অনুসন্ধান কৰি ব্যৱস্থা হাতত লম।

শ্ৰীৰুক্মিনী ৰায় — অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে কি হাৰত বা কি পৰিমাণত যোগান বিভাগে এই বস্তুবিলাক যোগান ধৰে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) — অধ্যক্ষ মহোদয়, প্ৰতিজন এডাল্‌টক ৫০০ গ্ৰাম আৰু মাইনৰক ৪০০ গ্ৰামকৈ দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীৰুক্মিনী ৰায় — অধ্যক্ষ মহোদয়, এই বস্তুখিনি এজন মানুহৰ কাৰণে পৰ্য্যাপ্ত নহয়। ইয়াক বঢ়োৱাৰ কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) — অধ্যক্ষ মহোদয়, যোগান বিভাগৰ পৰা যিখিনি বস্তু দিয়া হয় সেইখিনিৰে এজন মানুহ চলিব নোৱাৰে। চৰকাৰে জনসাধাৰণক সকাহ দিয়াৰ এইটো এটা নীতিহে।

Starred Qustions Nos 177 & 178 were not put members being absent.

Re : Adult Eductation Centres and Non-formal Schools

Shri Mohammad Ali asked :

* 179. Will the Minister, Education be pleased to state—

(a) The number of Adult Education Centres functioning in Assam at present ?

(c) Whether both Adult Education Centres and Non-formal Schools are functioning properly or exist physically ?

Shri Mukut Sarma ( Minister, Education ) replied :

179. (a) 6689 as on 1st January, 1984.

(b) 5134 Centres as on 29th February, 1984.

(c) Yes.

শ্রীৰুক্মিনী ৰায় – মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে যে যিবোৰ এডাল্‌ট এডুকেশ্যন খোলা হৈছে, তাৰ পৰা কিমান এডাল্‌ট এডুকেটেদ কৰা হৈছে ?

শ্রীমুকুট শৰ্মা ( মন্ত্ৰী ) – অধ্যক্ষ মহোদয়, আমাৰ বছৰি ২ লাখ ১৫ হাজাৰ এডাল্‌টক শিক্ষিত কৰাৰ লক্ষ্য আছিল। সেইমতে আমি এতিয়ালৈকে ৮ লাখতকৈও অধিক লোকক শিক্ষিত কৰা হৈছে।

শ্রীহৰেন্দ্ৰ নাথ তালুকদাৰ – অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে যিবোৰ নন্‌ ফৰমেল স্কুল কৰিছে, তাৰ শিক্ষক সকলক নিয়োগ কৰোতে বয়সৰ কিবা সীমা ধাৰ্য্য কৰা হয় নে নহয় ?

শ্রীমুকুট শৰ্মা ( মন্ত্ৰী ) – অধ্যক্ষ মহোদয়, নন্ ফৰমেল এডুকেশ্যন চেণ্টাৰবোৰত নিযুক্তিৰ ক্ষেত্ৰত বয়সৰ সীমা ৩০ বছৰৰ ভিতৰত কৰা হৈছিল। কিন্তু অলপতে আমি এখন ষ্টেট লেভেল কমিটি পাতি দিছিলো আৰু তেওঁলোকে এটা সিদ্ধান্তত উপনীত হৈছিল যে এই বয়সৰ সীমা সৰ্ব্বনিম্ন ৩০ বছৰ হলে ভাল হয়।

শ্রীচিৰাজুদ্দিন – অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে যে যিবোৰ

নন্ ফৰমেল চেণ্টাৰত মানুহক শিক্ষা দিয়া হয়, তেওঁলোকৰ পৰীক্ষা লোৱা কিবা ব্যৱস্থা আছে নে নাই ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—তেওঁলোকৰ পৰীক্ষা লোৱা ব্যৱস্থা আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—অধ্যক্ষ মহোদয়, শিক্ষক সকলৰ বয়সৰ কথাটো পৰিষ্কাৰকৈ কলে ভাল হয়। ৩০ বছৰৰ ওপৰত হব নে তলত হব ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগেয়ে কৈছো যে আমি এখন ষ্টেট লেভেল কমিটি পাতি দিছো আৰু তেওঁলোকে ইতিমধ্যে চৰকাৰক পৰামৰ্শ দাখিল কৰিছে। সেই পৰামৰ্শ আমি বিবেচনা কৰি আছো।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, এই এডাল্ট এডুকেশ্যনত মহিলাক ৰখা হয় নে নহয় ? যদি ৰখা হয় তেনেহলে তেওঁলোকৰ সংখ্যা কিমান ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এই চেণ্টাৰত মহিলা শিক্ষকো ৰখা হয়, কিন্তু কিমান গৰাকী মহিলা আছে সেইটো মই এতিয়াই দিব নোৱাৰিম। প্ৰয়োজন হলে পিচত জনাব পাৰিম।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো. চৰকাৰে যি এডাল্ট এডুকেশ্যন চেণ্টাৰ খুলিছে তাৰ পৰা কিমান মানুহক প্ৰকৃততে শিক্ষিত কৰা হল, নাইবা তাৰ পৰা শিক্ষিত হৈ ওলাই অহা কাৰোবাক তেখেতে কেতিয়াবা লগ পাইছে নে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই চেণ্টাৰৰ যোগেদি মানুহ যে শিক্ষিত হৈছে, সেইটো আমি ৰিপোৰ্ট আদি পাইছো। কিন্তু বছৰি কিমান জন শিক্ষিত হৈ ওলাই আহিছে সেই হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই, আৰু তাৰ পৰা ওলাই অহা মানুহ মই লগ পোৱা নাই।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এই নন্‌ফৰমেল স্কুল কিমান খন আছে তাৰ ভিতৰত এল, পি ৰ সংখ্যা কিমান আৰু এম, ই ৰ সংখ্যা কিমান ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, এই স্কুলবোৰৰ ভিতৰত প্ৰায় ৫২৯৪ খন এল, পি স্কুল আৰু ২০০ খন এই, ই স্কুল আছে।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, এডাল্ট এডুকেশ্যন চেণ্টাৰবোৰৰ শিক্ষক সকলক কোনে নিযুক্তি দিয়ে ?

শ্রীমুকুট শর্মা ( মন্ত্রী ) – তেওঁলোকক ব্লক লেভেল কমিটিয়ে নিযুক্তি দিয়ে।

শ্রীমতী মৃদুলা চহৰীয়া – অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাবনে নন্‌ফৰমেল স্কুল আৰু এডাল্‌ট এডুকেশ্যনৰ শিক্ষক সকলৰ দৰমহা কি হাৰত দিয়া হয় ?

শ্রীমুকুট শর্মা ( মন্ত্রী ) – অধ্যক্ষ মহোদয়, এডাল্‌ট এডুকেশ্যন চেণ্টাৰৰ শিক্ষক সকলক মাহে ৫০ টকা আৰু নন্‌ফৰমেল স্কুলৰ শিক্ষক সকলক মাহে ১০৫ টকা দিয়া হয়।

শ্রীহৰেন্দ্র নাথ তালুকদাৰ – অধ্যক্ষ মহোদয়, এই চেণ্টাৰবোৰত ব্লক লেভেল কমিটিয়ে শিক্ষক নিযুক্তি দিয়ে বুলি মন্ত্রী মহোদয়ে কৈছে। এই কমিটিত কোন কোন সদস্য আছে জনাব নে ?

শ্রীমুকুট শর্মা ( মন্ত্রী ) – এই কমিটিত বি, ডি, অ, প্রজেক্ট অফিচাৰ, গাওঁ পঞ্চায়তৰ প্রেচিডেণ্ট আদি থাকে।

শ্রীপূর্ণ বড়ো – এতিয়ালৈকে কিমান সংখ্যাক শিক্ষক নিযুক্তি দিয়া হৈছে আৰু এই বছৰ কিমান জনৰ কাৰণে পদ মঞ্জুৰী হৈছে সেইটো মন্ত্রী মহোদয়ে জনাব নে ?

শ্রীমুকুট শর্মা ( মন্ত্রী ) – এই গোটেই হিচাবটো বর্ত্তমান মোৰ হাতত নাই।

শ্রীৰকট উল্লাহ – অধ্যক্ষ মহোদয়, এই নন্‌ফৰমেল চেণ্টাৰবোৰ ৰোটেশ্যনেল নে কি ?

শ্রীমুকুট শর্মা ( মন্ত্রী ) – এইটো ৰোটেশ্যনেল নহয়।

Re : Appointment of B. D. O.

Shri Hemen Das asked :

*180. Will the Minister, Panchayat be pleased to state—

The number of B.D.Os. appointed during the period from 1st April 1983 to 31st December 1983 under Regulation 3 of Assam Public Service Commission Regulation ?

Shri Upendra Das ( Minister Panchayat & C.D. ) replied .

180. 11 number of B. D. Os. were appointed under Regulation

3 ( f ) of the Assam Public Service Commission Regulation and Limitation of Functions, 1951 during 1st April 1983 to 31st December, 1983.

শ্ৰীহেমেন দাস—চাৰ এতিয়া আমি জানিব পাৰিছো যে এ, পি, এচ, চি য়ে ক্লাচ টু অফিচাৰৰ লিষ্ট চৰকাৰক দিছে আৰু এইবিলাক প্ৰাৰ্থীয়ে এ, পি, এচ, চিত এপিয়াৰ হৈছে। গতিকে চৰকাৰে এতিয়া কি কৰিব ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—পাৰ্চনেল বিভাগলৈ এ, পি, এচ, চি ৰ পৰা এখন লিষ্ট আহিছে। সেই লিষ্ট খনৰ পৰা যোগ্যতা অনুসৰি তেওঁলোকক নিযুক্তি দিয়া হব। কিন্তু এই ১১ জন বি, ডি, ও ক ইমাৰজেঞ্চী কামৰ কাৰণে তেওঁলোকৰ পৰা দৰ্খাস্ত আদি লৈ সকলোবিলাক চালি জাৰি চাই যোগ্যতা আৰু দক্ষতাৰ ফালৰ পৰা নিযুক্তি দিয়া হয়। গতিকে পৰীক্ষা আদি লৈ তেওঁলোককো পিচত নমিনেচন দিয়া হয়।

শ্ৰীহৰেণ তালুকদাৰ—চৰকাৰে এই অফিচাৰ সকলক নিয়োগ কৰাৰ কাৰণে এ, পি, এচ, চিক অনুৰোধ কৰিছিল। এই অনুৰোধ কৰা সকলৰ ভিতৰত এই কেইজনক ৰেগুলেচন থ্ৰি এফত নিযুক্তি দিয়া হৈছিল নেকি ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—টুৱেন্টি পইণ্ট প্ৰগ্ৰেম আৰু অন্যান্য ইমাৰজেঞ্চী কামৰ কাৰণে দৰকাৰ হোৱাত এই সকল প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। পিচত এইকেইজন লোকক তেওঁলোকৰ পৰীক্ষা আদি লৈ ৰেগুলাৰ কৰা হব।

শ্ৰীহৰেণ তালুকদাৰ—এ, পি, এচ, চিয়ে কি পোষ্ট বুলি জনাইছে, ভেকেঞ্চী নে অন্য কিবা ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—ভেকেঞ্চী আছে বুলি জনোৱা হৈছে।

শ্ৰীহৰেণ তালুকদাৰ—তেনেহলে এই ভেকেঞ্চীৰ এগেইনষ্টে এ, পি, এচ, চিক নমিনেচন দিবৰ কাৰণে দিয়া হৈছে নেকি ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—তেওঁলোকক পলম হোৱাৰ কাৰণে ৰেগুলেচন থ্ৰি এফত লব লগা হ'ল।

শ্ৰীহৰেণ তালুকদাৰ—প্ৰশ্ন হৈছে, এ, পি, এচ. চিয়ে সেই ভেকেঞ্চীবোৰৰ

কাৰণে নমিনেচনবোৰ পঠাইছে নেকি ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—বি, ডি, ও এপইণ্টমেণ্ট এ, পি, এচ, চিয়ে দিয়া নাই। কথাটো হ'ল বি, ডি, ওৰ কাৰণে আমি ৰিকুইজিচন দিছো আৰু তেওঁ-লোকে পৰীক্ষা আদি লৈ আমালৈ নাম পঠাই দিব।

শ্ৰীহেমেন দাস—চাৰ, বি, ডি, ও, ক্লাচ টু পোষ্ট আৰু এই ক্লাচ টু পোষ্টৰ কাৰণে এ, পি, এচ, চিয়ে পৰীক্ষা আদি নিয়ম মতে পাতি তেওঁলোকৰ মনোনীত প্ৰাৰ্থীৰ তালিকা পঠাই দিছিল কিন্তু তেওঁলোকক এপইণ্টমেণ্ট নিদি ৰেগুলেচন থ্ৰি এফত নিযুক্তি দিয়াৰ কি যুক্তি আছে ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, বি, ডি, ও বিলাক ক্লাচ টু পোষ্ট নহয়।

শ্ৰীহেমেন দাস—চাৰ, মন্ত্ৰী মহোদয়ে ক্লাচ টু নহয় বুলি কৈছে। কিন্তু কোন ক্লাচ এইটো জনাবনে ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—ক্লাচ টু নহয়।

শ্ৰীহেমেন দাস—চাৰ, তেখেতে সদনত কিয় ভুল তথ্য পৰিবেশন কৰে। যিহেতু ক্লাচ টু পোষ্ট নিযুক্তি দিয়াৰ কাৰণে এ, পি, এচ, চিয়ে দীঘলীয়া তালিকা এখন অৰ্থাৎ ৩৫১ জন প্ৰাৰ্থীৰ তালিকা এখন পঠাই দিছে। এই সকলক এ, পি, এচ, চিয়ে নিৰ্ব্বাচন কৰিছে। সেই সকলক নিয়োগ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কি চিন্তা কৰিছে ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এ, পি, এচ, চিয়ে তেওঁলোকক এপইণ্টমেণ্ট দিয়াৰ কাৰণে পলমকৈ লিষ্ট পঠিয়াইছে।

শ্ৰীহেমেন দাস—চাৰ, লিষ্টতো পঠিয়াইছে। লিষ্ট পাৰ্চনেল বিভাগত পৰি থকাৰ আজি এবছৰেই হ'ল। ইতিমধ্যে এচ, ডি, চি বিলাকক এপইণ্টমেণ্ট দিয়া হৈছে কিন্তু বি, ডি, ও ৰিলাককহে দিয়া নাই। এ, পি, এচ, চিয়ে প্ৰাৰ্থী বিলাক নিযুক্তি দিয়াৰ কাৰণে নিৰ্ব্বাচিত কৰি লিষ্ট পঠাই দিয়ে।

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এ, পি, এচ, চিয়ে আমালৈ লিষ্ট পঠোৱা নাই পাৰ্চনেল ডিপাৰ্টমেণ্টলৈহে পঠিয়াইছে।

শ্ৰীহেমেন দাস—চাৰ, এ, পি, এচ, চিয়ে পাৰ্চনেল ডিপাৰ্টমেণ্টলৈহে পঠায়।

শ্ৰীউপেন দাস (মন্ত্ৰী) – পাৰ্চনেল ডিপাৰ্টমেণ্টক পঠাই দিয়াৰ কাৰণে কোৱা হৈছে ?

শ্ৰীবৰকট উল্লা – যিখিনি বি, ডি, ও ক এপইণ্টমেণ্ট দিয়া হৈছে সেইখিনিক এডভাৰটাইজ কৰি দিয়া হৈছিল নেকি ?

শ্ৰীউপেন দাস ( মন্ত্ৰী ) এডভাৰটাইজ কৰি দিয়া নাই। এইবিলাকৰ এপ্লিকেচন চাই পেলাই বা পৰীক্ষা কৰিহে দিয়া হৈছে।

শ্ৰীবৰকট উল্লা—যদি কৰা নাই তেনেহলে কেনেকৈ এপইণ্টমেণ্ট দিয়া হ'ল।

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এইটো নটিচ কৰা হোৱা নাই। আমি ইমাৰজেঞ্চী হোৱাৰ কাৰণে দিছো।

Shri Burkat Ullah – Sir, I am not satisfied with the answer given by the Hon. Minister. থ্ৰি এফত দিয়াৰ কাৰণে এডভাৰটাইজ কৰা হৈছিল নেকি ? আৰু কেনেকৈ কি ভিত্তিত দিলে ? We want to know clearly whether advertisements were made. May be there was urgency of the Department.

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এডভাৰটাইজ কৰা হোৱা নাই আৰু দৰখাস্ত লৈ সেই বিলাক বিবেচনা কৰি চাইহে দিয়া হৈছে।

শ্ৰীবৰকট উল্লা—দৰখাস্ত কেনেকৈ লোৱা হৈছিল সেইটো জনাব নেকি ? How the candidates will apply unless there was advertisement.

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এইবিলাক পোষ্ট খালি হোৱাৰ কথা গম পাই কিছুমান ল'ৰাই দৰখাস্ত দিলে। সেই বিলাক চাইচিতি বিবেচনা কৰিহে দিয়া হৈছে।

শ্ৰীবৰকট উল্লা—ৰেগুলেচন থ্ৰি এফত খালি থকা কথাটো কেনেকৈ গম পালে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—থ্ৰি, এফত যদি দিয়া হয় নোটিফাইদ কৰি দিব নালাগে।

শ্ৰীমতী মৃদুলা চহৰীয়া – অধ্যক্ষ মহোদয়, এই ১১ জন বি, ডি, অ যে নিযুক্তি দিলে, তাত চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মানুহ কিমান আছিল ? এই ১১ জনৰ নাম সদনত মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন দাস ( মন্ত্ৰী ) – অধ্যক্ষ মহোদয়, ১১ জনৰ ভিতৰত লেবাৰ এজন, মুছলিম

এজন, অ, বি, চি দুজন, জেনেৰেল ৭ জন দিয়া হৈছে। মই নাম কেইটা গাই দিছো। শ্ৰীকামিনী গগৈ, শ্ৰীঅতুল শইকীয়া, শ্ৰীকল্যান বৰ্মন, শ্ৰীহিৰক ৰায়, শ্ৰীহিৰেণ মজুমদাৰ, শ্ৰীপ্ৰদ্যুম্ন বৰগোহাই, শ্ৰীগদা কলিতা, শ্ৰীনেকিব শইকীয়া, শ্ৰীসিদ্ধাৰ্থ দত্ত, শ্ৰীসুকুমাৰ কলিতা, শ্ৰীদাতাৰাম ৰাজওৱাৰ।

Mr. Speaker—I cannot allow to take the whole hour for one question. Whether the Minister is in a posiiion to reply or not is to be ascertained. If you are not satisfied then you may stop here but the Question Hour cannot be taken away by one question only.

বিঃ খণ্ড উন্নয়ন বিষয়াৰ নিযুক্তি

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৮১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আজি কিছুদিনৰ আগতে কেইজনমান খণ্ড উন্নয়ন বিষয়া কোনো বিজ্ঞাপন নিদিয়াকৈ আৰু বাচনী নপতাকৈ নিযুক্তি দিয়া সচাঁনে ?

(খ) কি ভিত্তিত বাচনী নোহোৱাকৈ নিযুক্তিবোৰ দিয়া হ'ল জনাবনে ?

(গ) সেই নিযুক্তি পোৱা ব্যক্তি সকলৰ নাম জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস ( পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৮১। (ক)—জৰুৰী প্ৰয়োজন সাপেক্ষে ১১ জন খণ্ড উন্নয়ন বিষয়াক ১৯৮৩ চনৰ ১০ অক্টোবৰত বিভাগীয় বাচনীৰ দ্বাৰা নিয়োগ কৰা হয়। এই নিয়োগ অসম লোকসেৱা আয়োগৰ ৩ ( এফ ) বিধি অনুসাৰে লোৱা হয়।

(খ)—অসম লোকসেৱা আয়োগৰ উক্ত বিধি অনুসাৰে জৰুৰী প্ৰয়োজনৰ ক্ষেত্ৰত কোনো বিভাগে অস্থায়ী ভাবে কাৰ্য্য পৰিচালনাৰ উদ্দেশ্যে বাহিৰৰ পৰা এনে কৰ্মচাৰী নিয়োগ কৰি লব পৰা যায়। পিছত লোকসেৱা আয়োগে দৰ্খাস্ত আহ্বান কৰি আন আন প্ৰাৰ্থীৰ লগতে প্ৰতিযোগিতা পদ্ধতিৰে বিবেচনা কৰি গ্ৰহণ নাইবা অগ্ৰাহ্য কৰিব পাৰে। লোকসেৱা আয়োগে যোগ্যতাৰ ভিত্তিত অনুমোদন জনাব পাৰে।

গ)—তেওঁলোকৰ নামৰ তালিকা ( এখন লগত গাঁঠি দিয়া হ'ল ) সদনৰ মেজত ৰখা হ'ল।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এই কথাটো জানিব বিচাৰিছো যে, জনজাতীয় লোক কিমান জনক নিযুক্তি দিয়া হ'ল? যদি প্ৰমোচন দিয়া হৈছে তেনেহলে ২০ পইন্টৰ ব্যৱস্থাৰে কৰিব লাগে। নতুন নিযুক্তি হ'লেও শতকৰা ১০ পাৰচেণ্ট কৰিব লাগিছিল, কিন্তু এই ক্ষেত্ৰত কি কৰা হৈছে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, প্ৰমোচনৰ ক্ষেত্ৰকে ধৰি শতকৰা ৫০ জনক প্ৰমোচন দিয়া হৈছিল। তাত চিদিউল কাষ্ট ৫ জন আছিল চিদিউল ট্ৰাইবচ এজন দিয়া হৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এইটো ৰিজাৰভেচন এক্ট মতে দিব লাগে। চিদিউল কাষ্ট, চিদিউল ট্ৰাইব, প্লেইনচ ট্ৰাইব বাদ পৰিছিল। হিল ট্ৰাইব আৰু প্লেইন ট্ৰাইবক কিয় বঞ্চিত কৰা হ'ল? আৰু সেই ৰিজাৰভেচন এক্ট মন্ত্ৰী মহোদয়ে কিয় ভংগ কৰিলে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, জৰুৰীকালিন ক্ষেত্ৰত ও এফত লোৱা হয়। প্ৰাৰ্থী নথকাৰ কাৰণে এইটো হব পাৰে। তাৰ পিচত এই লোক সকলৰ নাম লোক সেৱা আয়োগলৈ যাব। তাৰ পৰা চিলেক্ট হৈ আহিব লাগিব। প্ৰাৰ্থী নাথাকিলে কেতিয়াবা এইটো কৰা হয়।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, জৰুৰীকালিন কেতিয়া কেতিয়া হয় মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, জৰুৰীকালিন কেতিয়াবা হয়, সদায় নহয়।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, জৰুৰীকালিন অৱস্থাত এইবিলাক কৰা হৈছে, এই সময়ত ২।৪ জনক এৰেষ্ট কৰা হৈছেনেকি?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, জৰুৰীকালিন অৱস্থাত অতি সোনকালে লব লগা হোৱাৰ কাৰণেই এইটো কৰা হ'ল।

শ্ৰীহৰেণ তালুকদাৰ—অধ্যক্ষ মহোদয়, লোক সেৱা আয়োগৰ বিধি অনুসৰি যি সকলক নিযুক্তি দিছে সেই সকলক ৰেগুলাৰাইজ কৰিবৰ বাবে লোক সেৱা আয়োগলৈ নাম পঠোৱা হৈছেনেকি?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, লোক সেৱা আয়োগত এই ১১ জনে পৰীক্ষা দিব লাগিব আৰু নতুন বিলাকেও পৰীক্ষা দিব লাগিব। তাত যদি এই কেইজন ইলিজিবল নহয় তেতিয়া হলে ড্ৰপ কৰা হব।

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, যিবিলাকে জানিলে, সেইবিলাকে দৰ্খাস্ত দিলে। কিন্তু যিবিলাকে দৰ্খাস্ত দিলে তেওঁ-লোকে কেনেকৈ জানিলে? মন্ত্ৰী মহোদয়ে মাতি আনি জনাইছে, কি উপায়ে জনালে? দ্বিতীয়তে, চিদিউল ট্ৰাইবৰ প্ৰাৰ্থী নাই কাৰণেই তেখেতে এজনো নিযুক্তি দিয়া নাই। আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে কৈছে যে, যিবিলাকৰ প্ৰাৰ্থী নাই সেই সকলে নাপালে। প্ৰাৰ্থী নোহোৱাৰ কথাটো কেনেকৈ হ'ল? বহুতো ল'ৰা শিক্ষিত আৰু উপযুক্ত হৈ আছে। অথচ কাম পোৱা নাই। তেনে স্থলত কেনেকৈ প্ৰাৰ্থীৰ অভাৱ হ'ল।

শ্ৰীউপেন দাস ( মন্ত্ৰী )—আজিকালিৰ ল'ৰাবিলাকক মাতিব নালাগে। তেওঁ-লোকে অফিচত ঘূৰি ফুৰোতেই গম পাই কামৰ বাবে দৰ্খাস্ত দিয়ে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়; মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ৰিজাৰ-ভেচন আইন পাছ কৰিছে। এতিয়া ১১ টা গেজেটেদ পষ্ট ফিল আপ কৰা হ'ল। সেই সময়ত সেই আইনৰ কথা ভুলতো মনত নানিলে এতিয়া কি ব্যৱস্থা লব?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, নিযুক্তিৰ সমন্ধে লোক সেৱা আয়োগৰ আইন মতে দিব লাগে। তেওঁলোকে চিলেক্ট কৰি দিয়ে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এতিয়া জনজাতীয় বাইজৰ পৰা দৰ্খাস্ত আনি পষ্ট দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—সেইটো চোৱা হব।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, উপযুক্ত প্ৰাৰ্থীৰ নাম দিলে চৰকাৰে জৰুৰীকালিন সময়ত বিবেচনা কৰিবনে?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—এইটো কৰা হব।

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, যি কেইজনক থ্ৰি, এফত নিযুক্তি দিছে সেই সম্পৰ্কে কিছুমান অভিযোগ উঠিছে। আমাৰ বিভিন্ন মহলে কোৱা কুই

কৰিছে যে, তাত বিভিন্ন মহলৰ সম্পৰ্কীয় মানুহ আছে। এইটো কথা সচাঁনে?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, দৰ্খাস্ত বিলাক লওতে পঢ়ি চোৱা হয় যদিও কোন কাৰ সম্পৰ্কীয় সেইটো জনা নাযায়।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব পাৰোঁ। নেকি যে যিবোৰ দৰ্খাস্ত মন্ত্ৰী মহোদয়ে পোৱা বুলি কৈছে সেইবোৰ কেনেভাবে লোৱা হল আৰু মন্ত্ৰীৰ আত্মীয় স্বজন আছে নে কি?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মোৰ কোনো আত্মীয় স্বজন নাই।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, দৰ্খাস্ত যে দিব লাগে কেনেকৈ জানিলে?

শ্ৰীউপেন দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই কৈছোঁ। যে আজিকালি ল'ৰাই সকলো কথা নিজে নিজেই জানে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ ওচৰলৈ প্ৰায়েই যাওঁ, কিন্তু এদিনো এই কথা শুনা নাই।

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, তেখেত এদিনো এই বিষয়ে মোৰ ওচৰলৈ যোৱা নাই।

## Re : Erle Bridge

Shri Ketaki Prasad Dutta, asked :

* 182. Will the Minister, P. W. D., etc., be pleased to state—

Is it a fact that the Elre Bridge at Karimganj Town is very risky to Vehicular Traffic ?

Smti. Syeda Anowara Taimur ( Minister, P. W. D. ) replied :

182.—Yes.

শ্ৰীকেতকী প্ৰসাদ দত্ত—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়া তার উত্তরে স্বীকার করেছেন যে করিমগঞ্জের এই আর্ল ব্রিজ যান বাহন চলাচলের পক্ষে খুব 'রিস্কি'। সুতরাং এই ব্রীজটি ভেঙ্গে নতুন করে নির্মান করার কোন অনুমোদন মন্ত্রী মহোদয়া দিয়েছেন কি?

শ্ৰীমতি আনোয়ারা তাইমুর ( মন্ত্রী )—হ্যা, দেওয়া হয়েছে। ঐ আর্ল ব্রীজটি খুব দুর্বল বলে ওটাকে সরিয়ে সেখানে এম্‌.কেংকমেণ্ট কাম ব্রীজ করার জন্য ৬.৫ লক্ষ টাকা মঞ্জুর করা হয়েছে।

শ্রীকেতকী প্রসাদ দত্ত—ব্রীজের কাজ কি শুরু হয়ে গেছে?

শ্ৰীমতি আনোয়ারা তাইমুর ( মন্ত্রী )—হ্যা, কাজ শুরু হয়ে গেছে।

## Re : Amount for NREP works

Shri Danes Ali asked :

* 183. Will the Minister, Rural Development be pleased to state—

(a) Whether it is a fact that the amount earmarked for Barpeta District under DRDA for NREP works has not yet been placed at the disposal of the Deputy Commissioner, Barpeta ?

(b) If so, the reason thereof ?

Shri Raghunath Pamegam (Minister, Rural Development) replied :

183. (a)—No, Sir.

(b)—Does not arise.

শ্ৰীদানেশ আলি—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে (১) নং প্ৰশ্নৰ উত্তৰত কৈছে যে টকাটো পৰি থকা নাই, ১৯৮২-৮৩ আৰু ৮৪ চনত বৰপেটা মহকুমাত কিমান টকা দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰঘূ নাথ পামেগাম ( মন্ত্রী )—অধ্যক্ষ মহোদয়, বৰপেটা জিলা নতুনকৈ কৰা হৈছে। ডি, আৰ ডি এ স্কীমত যোৱা বছৰৰ বৰপেটা ডি আৰ ডি এৰ যোগেদি অক্টোবৰ মাহৰ পৰাহে ফাংচন আৰম্ভ হৈছে। গতিকে বৰপেটাত ডি, আৰ, ডিয়ে হোৱাৰ আগতে কামৰূপ জিলাৰ ডি, আৰ, ডিয়েৰ যোগেদি সকলোবিলাক বিত্তীয় ব্যৱস্থা চলাই থকা হৈছিল।

১৯৮১-৮২ চনত ডি, আৰ, ডিয়ে কামৰূপে ৰিলিজ কৰে। ১৯৮৩-৮৪ চনৰ ভিতৰত বৰপেটা ডি, আৰ, ডিয়ে ৩০.১৮ লাখ টকা ৰিলিজ কৰা হৈছে। বৰপেটাৰ ডি, আৰ, ডিয়ে কিছু টকা পাব লগা আছে, সেই খিনি কেন্দ্রৰ পৰা আহে আৰু অহাত পলম হৈছে। ইউটি লাইজেচন চাৰ্টিফিকেট ইতিমধ্যেই পঠোৱা হৈছে। অতি সোনকালেই এই টকা খিনি পাব বুলি আশা কৰা হৈছে।

শ্ৰীদানেশ আলি—অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত ৫২ লাখ টকাৰ ভিতৰত ৪০ লাখ পোৱা নাই। কিয় পোৱা নাই জনাবনে?

শ্ৰীৰঘু নাথ পামেগাম (মন্ত্ৰী)—এই তথ্যটো মোৰ হাতত নাই, ডি, আৰ, ডি এৰ পৰা আনি জনাব পাৰিম।

শ্ৰীদানেশ আলি—অধ্যক্ষ মহোদয়, জানি লৈ টকাটো দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীৰঘু নাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, চেষ্টা কৰা হব।

Mr. Speaker—The Question Hour is over. Now there are 2 short notice questions. Short Notice Question No. 2 Shri Purna Boro,

Undisposed Starred Question dated 29th March, 1984.

বিঃ বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰ

শ্ৰীইছমাইল হুছেইনে সুধিছে:

* ১৮৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰটো চহৰৰ এমূৰত অৱস্থিত হোৱাত নিবন্ধুৱা যুৱক যুৱতী সকলৰ অসুবিধা হোৱাটো চৰকাৰে জানেনে?

(খ) যদি জানে, এই অসুবিধা দূৰ কৰিবলৈ উক্ত নিয়োগ বিনিময় কেন্দ্ৰটো বৰপেটা জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ৰ আশে পাশে স্থাপন কৰিবনে?

শ্ৰীৰামেশ্বৰ ধনোৱাৰ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৮৪। (ক)—বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ বৰ্ত্তমান অৱস্থিতি চহৰৰ

এমুৰীয়া নহয়। নিৰনুৱা যুৱক যুৱতীৰ অসুবিধা হৈছে বুলি জনা নাই।

(খ) জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ আশে পাশে উপযোগী ঘৰ বৰ্ত্তমানে পোৱা নাই। পালে বিবেচনা কৰা হ'ব।

## Short Notice
## Questions and Answers
### Date : 29th March, 1984.

বিঃ অনশন ধৰ্মঘট

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ

২। মাননীয় বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাছাৰ জিলাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মণ্ডল অফিচৰ সন্মুখত যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা বিলে অনশন ধৰ্মঘট চলা সম্পৰ্কে জানেনে ?

(খ) যোৱা ১ মাৰ্চৰ পৰা কৰিমগঞ্জ মণ্ডল অফিচৰ সন্মুখত অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ প্যানেল ভুক্ত বেকাৰ যুৱক সকলৰ আমৰণ অনশনৰ সংবাদ চৰকাৰে পাইছেনে ?

(গ) যদি পাইছে, এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীএ, এম, মজুমদাৰ ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২। (ক) (খ) হয়, জানে।

(গ) বিষয়টো ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চেঁয়াৰমেন আৰু জিলা প্ৰশাসনে আন্দোলনকাৰী সকলৰ প্ৰতিনিধি সকলৰ সৈতে আলোচনা কৰিছে আৰু আন্দোলনকাৰী সকলক অনশনৰ পথ ত্যাগ কৰি এটা সুস্থ পৰিবেশত বিষয়টো আলোচনা কৰি মীমাংসা কৰিবলৈ অনুৰোধ জনাইছে। প্ৰাপ্ত খবৰ মতে এতিয়া তাত কোনো ধৰ্মঘট চলি থকা নাই। ইতিমধ্যে তালিকাভূক্ত লোকৰ ভিতৰত আৰু ১৬ জনক সাময়িক ভাৱে বিভিন্ন কামত নিয়োগ কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে, 'ইতিমধ্যে তালিকাভূক্ত লোকৰ ভিতৰত আৰু ১৬ জনক

সাময়িকভাৱে বিভিন্ন কামত নিয়োগ কৰা হৈছে।' মোৰ কথা হ'ল এই 'পেনেল' খন কেতিয়া তৈয়াৰ কৰা হৈছিল ?

শ্ৰীএ, এম, মজুমদাৰ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, এই পেনেল খন তৈয়াৰ হৈছিল ১৫।১২।৮০ চনত।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল হয় কিমান জনৰ এই পেনেলত নাম লিষ্ট ভূক্ত কৰা হৈছিল ?

শ্ৰীএ, এম, মজুমদাৰ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, ১১০ জনৰ নাম লিষ্ট ভূক্ত কৰা হৈছিল।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি ১১০ জনৰ নাম তালিকাভূক্ত হোৱাৰ কথা কলে সেই সকলক চাকৰি দিম বুলিয়েই তালিকাভূক্ত কৰিছিল কিন্তু এই তালিকাভূক্ত সকলৰ মাজৰ পৰা চাকৰিত মকৰল নকৰি তালিকাৰ বাহিৰৰ লোকক নিয়োগ কৰা হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীএ, এম, মজুমদাৰ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী ভাৱে এখন তালিকাৰ নাম মাত্ৰ এবছৰৰ কাৰণেহে ম্যাদ থাকে। এই পেনেল খনৰ ম্যাদ শেষ হৈ যোৱাৰ কাৰণে বাহিৰৰ প্ৰাৰ্থীক চাকৰিত মকৰল কৰিব লগীয়া হয়। এই সকলৰ ভিতৰত আগতে 'পেনেল'ত থকা লোকো হব পাৰে আৰু বাহিৰৰ লোকো হব পাৰে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, পেনেল খনৰ ম্যাদ আছিল এবছৰ আৰু ১৯৮০ চনতে এই পেনেল খন তৈয়াৰ কৰা হৈছিল। ম্যাদ শেষ হৈ যোৱা এখন পেনেলৰ পৰা এই ১৬ জনক কিয় নিয়োগ কৰা হ'ল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীএ, এম, মজুমদাৰ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণে দিয়া হৈছে যে, এই কেইজন উপাযুক্ত মানুহ আছিল আৰু যিহেতু এই যোগ্যতাৰ কাৰণেই আগতে তেখেত সকলৰ নাম পেনেলত আছিল।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে নিজেই কোৱা মতে এবছৰ পূৰ্ণ হৈ গলে এখন পেনেলৰ ম্যাদ শেষ হৈ যায়। কিন্তু

ম্যাদ শেষ হৈ যোৱা এখন পেনেল আকৌ পুনৰ্জীৱিত কৰিছে? এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ম্যাদ শেষ হৈ যোৱাৰ পিছতো কোনো পৰ্য্যায়ত ইয়াক বিবেচনা কৰা হয়।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, এতিয়া অন্য কথা কলে নহব। মাননীয় মন্ত্ৰী মহোদয়ে 'পেনেল'ৰ পৰা ১৬ জনক লোৱা হৈছে বুলি নিজেই প্ৰশ্নোত্তৰত স্বীকাৰ কৰিছে। এবাৰ এখন পেনেল বদলি হৈ যোৱাৰ পিছতো তাৰ পৰা কিয় ললে, সেইটো মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, কি ভিত্তিত এইটো কৰা হ'ল সেইটো মই ব্যাখ্যা কৰি দিম।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, এবছৰ শেষ হোৱাৰ লগে লগেই এই খন 'কেন্সেল' হৈ গ'ল? তাৰ মানে এই খন 'ফিজিকেল্লি ডেড্'। "ফিজিকেল্লি ডেড্" বস্তু এটাক কেনেকৈ সন্মান কৰিলে সেইটো জনাবনে?

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, 'পেনেল'ৰ অন্তৰ্ভুক্ত বুলি দিব নোৱাৰি। কিন্তু যিহেতুকে আগতে তেখেত সকলৰ নাম তাত আছিল সেই ফালৰ পৰা বিবেচনা কৰিয়েই দিয়া হৈছিল।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে এই 'পেনেল' খনক স্বীকৃতি দিয়া হৈছে। এই স্বীকৃতি দিয়া কথাটো নীতি বিৰুদ্ধ হৈছেনে নাই?

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, 'পেনেল'ক স্বীকৃতি দিয়া কথাটো হোৱা নাই আৰু হবও নোৱাৰে। পেনেলৰ ম্যাদ শেষ হৈ গলেও যিহেতু তেওঁলোকৰ নাম আগতে পেনেলত আছিল, সেই কাৰণে যোগ্যতাসম্পন্ন বুলি ভাবিয়েই দিয়া হৈছিল এই ১৬ জনক।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বাৰে বাৰেই একেটা কথাকে কৈ আছে যে, পেনেলৰ পৰাই দিয়া হৈছে।

শ্ৰীএ, এম, মজুমদাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যি কেইজনক দিয়া হৈছে সেই সকল আগতে পেনেলৰ ভিতৰত থকাও হব পাৰে বা বাহিৰৰো হব পাৰে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয় যিহেতু পেনেলৰ ভিতৰৰ পৰা বাতিল হৈ যোৱাৰ পিছত আইন মতে দিব নোৱাৰে, তেখেতে এইটো কেনেকৈ কৰিলে ?

শ্ৰীএ, এম, মজুমদাৰ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয় তাত পেনেল নাই ।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, 'পেনেল'ত যাৰ নাম আছিল সেই সকলক চৰকাৰে চাকৰি দিব নোৱাৰাৰ কাৰণে তেওঁলোক আন্দোলন কৰিবলৈ বাধ্য হয়। আইনমতে আন্দোলন কৰাটো অপৰাধ কেতিয়াও হব নোৱাৰে। চাকৰি দিবৰ কাৰণেই এই ১১০ জন লোকৰ নাম তালিকাভূক্ত কৰা হৈছিল। পিছত ম্যাদ শেষ নহওঁতেই তেওঁ বিলাকক কিয় চাকৰি দিব নোৱাৰিলে ? সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

( কোনো উত্তৰ নাই )

শ্ৰীমথুৰা ডেকা—তেখেতে অধ্যক্ষ মহোদয়, কোনটো শিতানৰ নিয়মমতে কৰিলে সেইটো জনাবনে ?

( কোনো উত্তৰ নাই )

বিঃ ইঞ্জিনিয়াৰৰ প্ৰমোচন।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে :

৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এতিয়ালৈকে বান নিয়ন্ত্ৰণ বিভাগত জুনিয়ৰ ইঞ্জিনিয়াৰৰ পৰা এচিচ্‌টেন্ট ইঞ্জিনিয়াৰলৈ কেইজনৰ প্ৰমোচন দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে ?

(খ) তাৰ ভিতৰত কিমান জন জনজাতীয় লোক আছে ?

(গ) যদি নাই, বহুবছৰ একে সমপৰ্য্যায়ত চাকৰী কৰি থকা জনজাতীয় লোকৰ কথাবিলাক বিশেষভাবে বিবেচনা কৰি চাব নেকি ?

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩। (ক) ১৫ জন।

(খ) তাৰ ভিতৰত কোনো জনজাতীয় লোক নাই।

(গ) Assam Scheduled Castes and Scheduled Tribes

( Reservation of vacancies in Service and posts ) Rules 1983 ৰ উপবন্ধ অনুসৰি বিষয়টো বিবেচনা কৰা হৈছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত থকা তথ্যপাতিৰ হিচাবত আমাৰ জনজাতীয় লোক চিনিয়ৰ বেছিচত বিবেচনা কৰা হব। এই ক্ষেত্ৰত এই কেইজনৰ নাম আহিব পাৰে শ্ৰীদোলা ৰাম দেউৰী, ২৯-৯-৬৫, শ্ৰীগোহিন চন্দ্ৰ মিলি, ৩১-৮-৬৭ শ্ৰীবিষ্ণু ৰাম দেউৰী, ৮-১১-৬৭, শ্ৰীসুৰেন্দ্ৰ নাথ মেছ, ১১-১১-৬৭, শ্ৰীবলোৰাম দেউৰী, ১০-২-৭০। আটাই বিলাক চিদিউল ট্ৰাইব।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় অধ্যক্ষ মহোদয়, এক নম্বৰত দিব পৰা নহব নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ পৰা কাৰ্য্যকৰী কৰিবলৈ লোৱা হৈছে। মই মাননীয় সদস্য সকলক জ্ঞাতাৰ্থে জনাওঁ ১৫ জন লোকৰ ভিতৰত যদি জনজাতীয় লোক নাই দুই জনে প্ৰমোচন পাব লাগে। গ্ৰেডেচন লিষ্টত কনচিদাৰ নহৈ চিদিৱেল কাষ্টৰ সলনি বেলেগ দুই এজন লোক আছে। চিদিৱেল কাষ্টত আনিবলৈ পাচত বিবেচনা কৰা হব।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ডাঙি ধৰিছে সেইটোত মই সুস্পষ্ট হব পৰা নাই। মই জানিব বিচাৰিছো চিনিয়ৰিটি কি বেচিছত হয় ? দেট অব চাৰভিচ নে দেট অব জইনিং ? শ্ৰীবলোৰাম দেউৰী ১৯৭২ চনতে জইন কৰিছে। এই কথাটো বুজাই দিব লাগে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, শ্ৰীবলোৰাম দেউৰী ১৯৬১ চনতে কামত জইন কৰিছে। যদি দুই বছৰৰ ভিতৰত ট্ৰেইনিং পাছ নকৰে তেনেহলে প্ৰমোচন দিয়া নহয়। সেই হিচাবে এই প্ৰমোচন পৰ্য্যায়ত তেওঁৰ কথাটো বিবেচনা হব পাৰে। দুই বছৰৰ ভিতৰত ট্ৰেইনিং কোৰ্চ পাছ কৰি ১৯৭০ চনত তেওঁ প্ৰমোচন পাইছে। ইয়াৰ ওপৰিও চিলেকচন গ্ৰেড আছে। গতিকে তাৰ পৰাহে কনচিদাৰদ্ টু দি পোষ্ট কৰি দিয়া হৈছে।

## UNSTARRED

## Questions and Answers

( To which replies were lead on the table )

Date : 29th March, 1984.

বি : পাঠ্যপুথি প্ৰণয়ন নিগমৰ গাড়ী

শ্ৰীচিলভিয়াচ কন্দপানে সুধিছে :

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পাঠ্যপুথি প্ৰণয়ন নিগমত বৰ্ত্তমান পৰিচালন সঞ্চালক ৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰি থকা বিষয়াজনে নিগমৰ নতুন এম্বেছেদৰ গাড়ীখন নিগমৰ তেল, ড্ৰাইভাৰ আৰু মেৰামতিৰ খৰচ সহ তেওঁৰ পৰিয়ালৰ লোকক ব্যৱহাৰ কৰিবলৈ এৰি দি পুৰণা এম্বেছেদৰ গাড়ীখন বিষয়া কৰ্মচাৰীৰ 'পুল-কাৰ' হিচাপে ব্যৱহাৰ কৰিবলৈ নিদি পৰিচালক সঞ্চালক জনে নিজে ব্যৱহাৰ কৰাটো সঁচানে ?

(খ) নিগমৰ নতুন এম্বেছেদৰ গাড়ীখন এবছৰলৈ গেৰাণ্টি থকা স্বত্বেও ফ্ৰি চাৰ্ভিচিং নকৰায় হেজাৰ হেজাৰ টকা দি মেৰামতি কৰা আৰু পৰিচালন সঞ্চালক জনে পোনে পোনে বিলত চহী কৰি দি বিল পাছ কৰাটো সঁচানে ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১২। (ক)—সঁচা নহয়।

(খ)—সঁচা নহয়।

## Matter under Rule 301

শ্ৰীমহম্মদ আলি— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যকৰী প্ৰক্ৰিয়াৰ কাৰ্য্যাৱলীৰ ৩০১ নং নিয়ম অনুসৰি এই বিষয়টো উত্থাপন কৰিছো। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ কাষে কাষে কিছুমান গাওঁ আছে। নবাগত শিমলী তোলাৰ পৰা আৰম্ভ কৰি সোনাৰীলৈ এই গাওঁ কেইখনত খোৱা

পানীৰ হাহাকাৰ হৈছে। এটা পাবলিক হেল্থ ইঞ্জিনিয়াৰিং ডিভিজন স্থাপন হৈছিল ১৯৭৯ চনত। এই কামবিলাক ঠিকাদাৰক দিয়াৰ পৰা বহুতো খেলিমেলি হৈছে। ঠিকা দিয়াৰ কাৰণে কোনো এডভাৰটাইজমেণ্ট নিদিয়ে। কিছুমান মানুহৰ লগত কথা বতৰা হৈয়ে ঠিকা দিয়া হব। ফলত ইষ্টেতমেণ্টতকৈ বহুত বেচি টকা ভৰিবলগীয়া হয়। বহুতো সা-সৰঞ্জাম পৰি আছে। কিন্তু তিনি চাৰিখন গাওঁৰ মাজত যি পাইপ স্কীম আছে তাত ৫ টা বা ৭ টাহে ৰিং ওৱেল পাইছে। ১৯৭৯ চনতে ইয়াৰ বাবে চেঙচন হৈছিল কিন্তু এতিয়ালৈকে বহুৱা হোৱা নাই। আজি ইষ্টেটমেণ্টত যি দাম ধৰা হৈছে আৰু তেতিয়াৰ ইষ্টেটমেণ্টৰ দামৰ বহুত পাৰ্থক্য আছে। এতিয়া আৰু আগৰ টকাৰে টিউব ওৱেল, ৰিঙ ওৱেল দিয়াৰ কোনো সম্ভাৱনা নাই। ৰিঙ বনোৱাৰ কাৰণে বেলেগ ঠিকাদাৰ হোৱা বাবে কোৱা খণ্ডাৰ বাবে বেলেগ ঠিকাদাৰ পোৱা টান হৈছে। ফলত এতিয়া তাত কোঁৱা হোৱা নাই। যিহেতু তাত কোনো টিউব ওৱেল বা ৰিঙৱেল হোৱা নাই সেয়েহে যথেষ্ট খোৱা পানীৰ হাহাকাৰ হৈছে। সেই কাৰণে মই এই বিষয়ে সদনত দুআষাৰ উত্থাপন কৰিছো।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, গোৱালপাৰা মহকুমাত ব্ৰহ্মপুত্ৰৰ আশে পাশে প্ৰায় ১৮০ খন গাওঁ আছে। তাৰে ভিতৰত আজিলৈ ৪৪ খন গাৱঁৰ বাবে ১৪৫ টা নলীনাদ, ৬ টা পকী কুৱঁা মঞ্জুৰ কৰা হৈছে আৰু ইতিমধ্যে ৪১ গাওঁ সাঙুৰি ১৪২ টা দ'মকল আৰু ৪ টা পকী কুৱঁা বহুৱা হৈছে। এই অঞ্চলটোৰ ভিতৰতে ৭ খন পাইপেৰে পানী যোগান ধৰাৰ আচনি মঞ্জুৰী ইতিমধ্যে দিয়া হৈছে, তাৰে ২ খনৰ কাম সম্পূৰ্ণ হৈছে আৰু ইয়াৰ দ্বাৰা ২ খন গাওঁ উপকৃত হৈছে। দুখন আচনিৰ কাম শতকৰা ৯০ ভাগ সম্পূৰ্ণ হৈছে আৰু অহা বিত্তীয় বছৰত এই দুখন আচনি সম্পূৰ্ণ কৰি তোলা হ'ব আৰু ইয়াৰ দ্বাৰা ৫ খন গাওঁ উপকৃত হ'ব। ৩ খন আচনিৰ মঞ্জুৰী অলপতে দিয়া হৈছে আৰু এইবোৰৰ কাম শীঘ্ৰে হাতত লোৱা হ'ব।

এইটো অৱশ্যে সঁচা কথা যে ষষ্ঠ বাৰ্ষিক পৰিকল্পনাৰ আগলৈকে অসমৰ গাৱঁলীয়া অঞ্চলত খোৱা পানী যোগানৰ ক্ষেত্ৰত পিচ পৰি আছিল।

তেতিয়ালৈকে মুঠেই ৩৫০০ খনমান গাৱঁলৈ.ক খোৱা পানীৰ ব্যৱস্থা কৰা হৈছিল। খোৱা পানী যোগানৰ ক্ষেত্ৰত গোৱালপাৰা মহকুমাকে ধৰি প্ৰায় গোটেই অসম পিচ পৰি আছিল। ষষ্ঠ পৰিকল্পনাৰ পৰা খোৱাপানী যোগানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে আৰু এই পৰিকল্পনাৰ ভিতৰত ৮৬০৫ খন গাৱঁলৈ খোৱা পানী যোগানৰ ব্যৱস্থা কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ষষ্ঠ পাচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত মুঠ ৬০৪৭ খন গাৱঁলৈ খোৱা পানী যোগান ধৰা হৈছে। ষষ্ঠ পৰিকল্পনাত ধাৰ্য্য কৰা লক্ষ্যত উপনীত হ'ব পৰা যাব। আগৰ গোৱাল-পাৰা মহকুমাত (নতুনকৈ গঠিত হোৱা দক্ষিণ শালমৰা, মানকাছাৰ, গোৱাল-পাৰা) ৩১-৩-৮৪ চনলৈকে ৩২৫ খন গাৱঁলৈ খোৱাপানীৰ যোগান ধৰা হ'ব। বৰ্ত্তমান আৰ্থিক বছৰত ইতিমধ্যে ১২৮ খন গাৱঁলৈ খোৱাপানী যোগানৰ সম্প্ৰসাৰণ কৰা হৈছে। আশা কৰা হৈছে যে সপ্তম পৰিকল্পনাৰ কালছোৱাত অসমৰ অন্যান্য জিলাসমূহৰ লগতে গোৱালপাৰা জিলাৰো অধিকতৰ আহুকলীয়া গাৱঁলৈ পানীযোগান আচনি কাৰ্য্যকৰী কৰিব পৰা হ'ব। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, গোৱালপাৰা জিলাৰ সৰ্ব্বমুঠ ৩০৩ খন গাৱঁলৈ যোৱা ফেব্ৰুৱাৰী মাহলৈকে পানী যোগানৰ আচনিৰ ব্যৱস্থা কৰা হৈছে। এই জিলাত অকল ১৯৮৩-৮৪ চনৰ ভিতৰতে ১২৮ খন আহুকলীয়া গাৱঁলৈ পানীযোগান ব্যৱস্থা কৰা হৈছে। আমাৰ বিশ্বাস যে চলিত বছৰত তেনেদৰে লক্ষ্যত উপনীত হব পৰিছোঁ। কেনেদৰে আগন্তুক কেইবছৰো আমি আমাৰ অগ্ৰগতি লাভ কৰিব পাৰিম।

## Government Bill

Shri Golok Rajbanshi (Minister)—Mr. Speaker Sir, I beg leave to introduce the Assam Agricultural University (Amendment) Bill, 1984.

Mr. Speaker—Is it the pleasure of the House to grant leave to introduce the Assam Agricultural University

(Amendment) Bill, 1984 ?

(Leave is granted)

Shri Golak Rajbanshi, (Minister)—Shri, I beg to introduce the Assam Agricultural University (Amendment) Bill, 1984.

(Deputy Secretary, read out the title of the Bill)

Shri Keshab Chandra Gogoi, (Minister)—Mr. Speaker Sir, I beg to leave to introduce the Assam Land Revenue Re-assessment (Amendment) Bill, 1984.

Mr. Speaker – Is it the pleasure of the House to grant leave to introduce the Assam Land Revenue Re-assessment (Amendment) Bill, 1984 ?

(Leave is granted)

Shri Keshab Chandra Gogoi, (Minister) – Sir, I beg to introduce the Assam Land Revenue Re-assessment (Amendment) Bill, 1984.

(Deputy Secretary, read out the title of the Bill)

Shri Keshab Chandra Gogoi. (Minister) – Mr. Speaker Sir, I beg leave to introduce the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1984.

Mr. Speaker—Is it the pleasure of the House to grant leave to introduce the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1984 ?

(Leave is granted)

Shri Keshab Bhandra Gogoi, (Minister)—Sir, I beg to introduce the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1984.

( Deputy Secy. read out the title of the Bill )

Mr. Speaker – Now here is a message from the Governor which reads as follows :—

RAJ BHAVAN

Gauhati the 27th February, 1984.

ORDER

Under the provision of Article 207 ( 3 ) of the Constitution of India, I, Prakash Mehrotra, Governor of Assam, recommend that the Assam State Industrial Relief Undertaking ( provision ) Bill, 1984 be taken for consideration by the Assam Legislative Assembly,

Sd. Prakash Mehrotra
Governor of Assam.

Shri Keshab Chandra Gogoi, ( Minister ) – Mr. Speaker Sir, I beg to move that Assam State Industrial Relief Undertakings ( Special Provisions ) Bill, 1984 be taken into consideration.

শ্ৰীপূৰ্ণ বড়ো – মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে আজি সদনত ১৯৮৪ চনৰ অসম ৰাজ্যিক উদ্যোগ ৰিলিফ আণ্ডাৰ টেকিং বিধেয়কখন বিবেচনাৰ কাৰণে উত্থাপন কৰিছে। আমাৰ এই প্ৰসঙ্গত কিছু কথা কব লগা আছে। উদ্যোগৰ সম্বন্ধে এই সদনতে ইয়াৰ আগতেও বহুতো আলোচনা হৈছে। উদ্যোগ সমূহ বন্ধ হৈ যোৱাত ব্যৱস্থা গ্ৰহণৰ কাৰণে যি ৰিলিফ আণ্ডাৰটেকিং বিল অনা হৈছে এই সম্পৰ্কত আমাৰ কবলগীয়া আছে। উদ্যোগসমূহ বন্ধ হৈ যোৱাৰ কথা কলেই আপোনালোকে কয় অমূক ৰাজ্যতো বন্ধ হৈছে। আমি জানো উদ্যোগ বন্ধ হৈ যোৱাটো পুঁজিবাদী ভাৰতত এটা ব্যাধি সদৃশ। ভাৰতত এই উদ্যোগ

সমূহ জীয়াই ৰখা কিছুমান কাৰণত অসুবিধা হৈ পৰিছে। কিন্তু এই উদ্যোগ সমূহ জীয়াই ৰাখিব পাৰিলে নিয়োগৰ ক্ষেত্ৰত বহু সুবিধা হয়। যি সকলে ইতিমধ্যে উদ্যোগত কাম কৰি আছে উদ্যোগ বন্ধ হৈ গলে তেওঁলোকো আকৌ নিবনুৱা হৈ যায়। উদ্যোগ যিমানেই বৃদ্ধি হব উৎপাদনো সিমানেই বৃদ্ধি হয়। কাজেই নতুন নতুন উদ্যোগ হোৱাতো আমি আশা কৰোঁ। আৰু লগতে উদ্যোগ সমূহ বন্ধ হৈ যোৱাৰ উপক্ৰম হলে সেইবোৰ যাতে বন্ধ নহয় তাৰ ব্যৱস্থা চৰকাৰে লোৱাটো আমি বিচাৰোঁ। ১৯৮৩ চনৰ ৩০ ডিচেম্বৰত অৰ্ডিনেন্স অনা হৈছে। ৰিলিফ আণ্ডাৰটেকিং অৰ্ডিনেন্সৰ পিচত এতিয়া তাক বিল হিচাপে উত্থাপন কৰা হৈছে। উদ্যোগ সমূহ বন্ধ হোৱাৰ কথা কলেই বহুতে কয় আৰু বহুতেই ভাৱে যে লোকচান হৈছে। গতিকে বন্ধ কৰি দিয়া হৈছে, অন্য আৰু বেলেগ কি কাৰণ থাকিব পাৰে? আকৌ কিছুমানে কয় শ্ৰমিকৰ সংখ্যা বেছি হৈছে আৰু সেয়ে বেছি টকা দৰমহা আদি দিব লগা হোৱাত লোকচান হৈছে। এনেকৈ সাধাৰণতে ভৱা হয়। কিন্তু শ্ৰমিকৰ যেতিয়া কাৰখানাত নিয়োগ কৰা হয় তেতিয়া তেওঁলোক বহি নাথাকি যিমান পাৰে কাম কৰে, উৎপাদন কৰে। আনহাতেদি এটা কাৰখানাত যিমান শ্ৰমিক লাগে সিমান সংখ্যক শ্ৰমিকহে লোৱা হয়, এনেস্থলত শ্ৰমিকৰ সংখ্যা বেছি হোৱাত লোকচান হৈছে এই কথা হব নোৱাৰে। এই কথা আমি মানি লব নোৱাৰো। কাৰণ শ্ৰমিকে কেতিয়াবা ন্যায্য প্ৰাপ্যৰ কাৰণে আন্দোলন কৰিব পাৰে। গণতান্ত্ৰিক ব্যৱস্থাত শ্ৰমিকে নিজৰ প্ৰাপ্যৰ কাৰণে আন্দোলন কৰিব পাৰে, কিন্তু এই অজুহাততে উদ্যোগ বন্ধ কৰি দিয়া হয়। লেবাৰ ডিচপুটৰ কাৰণেও কেতিয়াবা কেতিয়াবা উদ্যোগ বন্ধ কৰি দিয়া হয়। কিন্তু আমাৰ যিবিলাক উদ্যোগ বন্ধ হৈছে সেইবিলাক লেবাৰ ডিচপুটৰ কাৰণে হোৱা বুলি আমি মানি লব নোৱাৰো। কাজেই এই বিলখনৰ যোগেদি আমি আশা কৰিম উদ্যোগ সমূহ নতুনকৈ জীয়াই তোলাৰ আৰু যি সকল শ্ৰমিকক চাটাই কৰা হয় সেই সকলক যাতে পুনৰ নিয়োগ কৰা হয়। এটা উদ্যোগ বন্ধ হৈ গলে তাত যি সকল শ্ৰমিকে কাম কৰে তেওঁলোক নিবনুৱা হৈ যায়। আকৌ কেতিয়াবা

কিছুমান উদ্যোগত শ্ৰমিকৰ সংখ্যা বেচি হোৱা বুলি চাটাই কৰা হয়। এই শ্ৰমিক সকলৰো চাকৰি নাইকীয়া হয়। গতিকে অস্থায়ী শ্ৰমিকক ৰেগুলাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু মেনেজমেণ্টৰ দুৰ্নীতিৰ কাৰণে যিবিলাক উদ্যোগ বন্ধ হয় সেইবিলাকো বিচাৰি উলিয়াব লাগে আৰু ইয়াৰ উচিত ব্যৱস্থা কৰিব লাগে। বিভিন্ন প্ৰজেক্টত অস্থায়ীভাবে বহুতো শ্ৰমিকে কাম কৰে। ভোমোৰাগুৰি ব্ৰীজ আৰু ব্ৰড গজ আদিত অস্থায়ী শ্ৰমিকে কাম কৰি আছে। এই প্ৰজেক্টত কাম শেষ হলেই তেওঁলোকৰও চাকৰি যাব। সেয়েহে এই সকলোবিলাক কথা চৰকাৰে চিন্তা কৰি স্থায়ী নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ দৰকাৰ। এতিয়ালৈকে উদ্যোগ সমূহত যিমান সংখ্যক শ্ৰমিকে কাম কৰি আছে তেওঁলোকক যাতে চাটাই কৰা নহয় তাৰ ব্যৱস্থা কৰা প্ৰয়োজন। এতিয়া যিখন ৰিলিফ আণ্ডাৰটেকিং বিল অনা হৈছে তাৰ পিচত আকৌ মালিকে তেওঁৰ কাৰখানা ৰুগ্ন বুলি কৰলৈ যত্ন কৰে নেকি? উদ্যোগ সমূহ চীক বুলি দেখুৱাই বন্ধ কৰাৰ ব্যৱস্থা যাতে কৰিব নোৱাৰে বা ৰুগ্ন হিচাপে দেখুৱাব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগিব। আজি আমাৰ যি কাৰখানা আছে এই কাৰখানা সমূহত বছৰি যি উৎপাদন হয় সেইটো আচল উৎপাদন নহয়, যিমান হব লাগিছিল তাৰ আধাহে বছৰত হৈছে। কাৰখানা বিলাকৰ উৎপাদন ক্ষমতা অনুসৰি উৎপাদন হোৱা নাই। উদাহৰণস্বৰূপে চন্দ্ৰপুৰৰ যিটো কেমি-কেল ইউনিট হব এ, আই, এ আছে তাত যি পৰিমাণে উৎপাদন হব লাগিছিল সেইমতে হোৱা নাই। শতকৰা ৫০ ভাগহে উৎপাদন হয়। প্ৰয়োজনীয় মেটেৰিয়ে-লচৰ ক্ষেত্ৰত আমাৰ ইয়াত কিছুমান অসুবিধা হয়তো আছে। সকলো বিলাক মেটেৰিয়েলচ ইয়াত পোৱা নাযায় সেয়েহে বাহিৰৰ পৰা আনিব লগীয়া হয়। ৰাজ স্থানৰ পৰা চালফাৰ আনিবলগীয়া হয় কিন্তু সময়মতে এইবিলাক বস্তু আনি যোগান দিব পাৰিলে গোটেই বছৰটোৱেই উৎপাদন কৰিব পৰা যায়। এইটো মেনেজমেণ্টৰ কাম। ৰাজস্থানেই হওক বা অন্য ঠাইয়েই হওক মেনেজমেণ্টে সময়মতে সঠিকভাৱে বস্তু আনি দিব নোৱাৰিলে উৎপাদন বন্ধ হৈ থাকিবই। সেই কাৰণে এবছৰত যিমান উৎপাদন হব লাগে সিমান নহয়। ধৰা যাওক চাৰি মাহ আগতেই মেটেৰিয়েলচ অনা হৈছিল সেইখিনিৰে উৎপাদন কৰা হ'ল কেচামাল শেষ হ'ল কিন্তু পুনৰ মেটেৰিয়েলচৰ

কাৰণে যোগাযোগ কৰাত পলম হ'ল। ফলত উৎপাদন কাৰ্য্যত এটা গেপ হ'ল। মেনেজমেণ্টৰ ভুলৰ কাৰণেই এনে ঘটিব পাৰে শ্ৰমিকক দোষ নিদি মেনেজমেণ্টৰ দোষ ত্ৰুটি আতৰোৱা প্ৰয়োজন। এটা উদ্যোগ সম্পূৰ্ণ বন্ধ হৈ গ'লে কাৰণ সম্পৰ্কে অনুসন্ধান কৰিবলৈ অনুসন্ধান কমিটি কৰিলে ভাল আৰু যদি ইতিমধ্যে কমিটি কৰিছেই তেনেহলে ভাল কথা। কমিটিয়ে অনুসন্ধান কৰি উলিয়াব লাগিব উদ্যোগ সমূহ বন্ধ হৈ হোৱাৰ কাৰণ। মেনেজমেণ্টৰ ভুল নে আন কাৰোবাৰ ভুলৰ কাৰণে উদ্যোগটো বন্ধ হ'ল। সেই সম্পৰ্কে অনুসন্ধান কৰি পুনৰ্জীৱিত কৰাৰ বাবে সেই কমিটিয়ে পৰামৰ্শ আগবঢ়াব পাৰে। কাজেই সেই কমিটিখনে নিশ্চয় আচল দোষ কাৰ সেইটো আঙুলিয়াই দেখুৱাব পাৰে। এতিয়া আমি অসমৰ উদ্যোগৰ লগতে ভাৰতবৰ্ষৰ উদ্যোগৰ অৱস্থা সম্পৰ্কে চালি জাৰি চোৱা দৰকাৰ। আজি ভাৰতবৰ্ষত উদ্যোগ সমূহ চলাই থকাৰ ক্ষেত্ৰত বা বন্ধ হৈ যোৱাৰ ক্ষেত্ৰত কি অৱস্থা চলি আছে, এই উদ্যোগ সমূহ আজি কি অৱস্থাত আছে বা উদ্যোগ সমূহে উৎপাদনৰ ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িব পাৰিছে সেই সম্পৰ্কে আমি অলপ চিন্তা কৰি চোৱা ভাল। ৰাজ্যখনৰ লগতে সমগ্ৰ দেশতেই উদ্যোগ সমূহে কিমান উৎপাদন কৰিছে নকৰিছে আমি কিমান দূৰ সফল হব পাৰিছো এই কথাটো কিছু আমি চিন্তা কৰি চোৱা দৰকাৰ। এই প্ৰসংগত গৱৰ্ণমেণ্ট অব ইণ্ডিয়াৰ ইকোনমিকচ্ চাৰ্ভে কিতাপ খনত, ১৯৮৩-৮৪ চনত আমি পালো ভাৰতবৰ্ষৰ উদ্যোগ সমূহৰ এটা সমীক্ষা। এই সমীক্ষাত আছে চেপটাৰ ফোৰ, পেজ নং ২২ ত ইয়াত কোৱা হৈছে—

The industrial sector was slow in recovering from the depressed performance in 1982-83 when industrial growth declined to 3·9% from the level of 8·6% in 1981-82. In the first eight months of 1983-84 the index of industrial production registered a growth of 4·2% over the same period of 1982-83. The manufacturing sector has performed better in 1983-84 than in the previous year with a growth rate of 3.4% in the period April-November compared to 2.5% of the previous year but

there was decceleration of mining and quarrying and electricity. However, the performance of the sectors has shown a perceptable improvement in the more recent months ,and the rate of growth of industrial production may be about **4.5%** for the year 1983-84 as a whole.

অধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল ১৯৮৩-৮৪ চনত ৪.৫ শতাংশ উৎপন্ন আশা কৰা হৈছিল যদিও ১৯৮১-৮২ চনৰ যি লেভেল উৎপাদনৰ ক্ষেত্রত ৮.৬ শতাংশ এইটো পূৰণ কৰিব পৰা নাই। অৰ্থাৎ সেই লেভেলৈ আহিব পৰা নাই। ভাৰতবৰ্ষৰ উদ্যোগ সমূহৰ ক্ষেত্রত এই অৱস্থা হৈছে। উদ্যোগীকৰণৰ ক্ষেত্রত ভাৰতবৰ্ষত যিমান বিলাক উদ্যোগ আছে উৎপাদনৰ ক্ষেত্রত সেইটো ক্রমবৃদ্ধি কমিহে গৈ আছে। আগতে যিমান আছিল তাতকৈ অলপ বাঢ়িছে যদিও ১৯৮১-৮২ চনৰ লেভেল পৰ্য্যায়লৈ আহিব পৰা নাই। সেই ফালৰ পৰা দেখা গৈছে যে দেশখনত ৰুগ্ন উদ্যোগৰ সংখ্যা ১৯৭৯-৮০ চনৰ ২২,৩৬৬ খনৰ পৰা বাঢ়ি গৈ ১৯৮১ চনত ২৮,৪২৮ হৈছেগৈ। অৰ্থাৎ ৰুগ্ন উদ্যোগৰ সংখ্যা শতকৰা ২৭ ভাগ বাঢ়িছে। এই উদ্যোগ সমূহৰ কাৰণে যি ধনৰ প্রয়োজন সেইটো সেই সময়ছোৱাৰ ভিতৰত এক হাজাৰ ছয় শ তেষষ্ঠি কোটি টকাৰ পৰা বাঢ়ি গৈ দুহাজাৰ দুশ নিৰানব্বৈ কোটি টকা হৈছে। কিন্তু দেখা যায় যে উদ্যোগ সমূহলৈ সাহয্যৰ পৰিমাণ লাহে লাহে বৃদ্ধি হৈছে কিন্তু আমি দেখিবলৈ পাইছো যে উৎপাদনৰ ক্ষেত্রত আমাৰ সিমান বেছি অগ্রগতি হোৱা নাই আৰু আনহাতে ৰুগ্ন উদ্যোগৰ সংখ্যা বৃদ্ধি হৈছে। কিছুমান উদোগ ইতিমধ্যে বন্ধ হৈ গৈছে। উদ্যোগ সমূহৰ উৎপাদন কেনেকৈ বৃদ্ধি কৰিব পাৰি বা উদ্যোগ সমূহ কেনেকৈ বন্ধ নোহোৱাকৈ ৰক্ষা কৰিব পাৰি তেনে অৱস্থাৰ বাবে প্রয়োজনীয় ব্যৱস্থাৰ অভাৱ পৰিলক্ষিত হৈছে। আজি উদ্যোগ এটা ৰুগ্ন হোৱা বা বন্ধ হৈ যোৱাৰ ক্ষেত্রত দেখা গৈছে যে শ্রমিক সংখ্যা বেছি হৈছে বুলি বা তাত লোকচান হৈছে বুলি তাৰ কাৰণ শ্রমিকক জগৰীয়া কৰা হয় কিন্তু ৰিজাৰ্ভবেংকত সমীক্ষাত কৈছে যে শতকৰা ৫৩

ভাগ কাৰখানা ৰুগ্ন হোৱাৰ কাৰণ মেনেজমেণ্টৰ দুৰ্নীতি আৰু লগতে মেনেজ-মেণ্টে উদ্যোগটোৰ কাৰণে যি ধন খটুৱাব লাগে সেইটো বেংকৰ পৰা লৈ বা চৰকাৰৰ পৰা লৈ সেই ধন কাৰখানাত ব্যৱহাৰ নকৰি সেই ধন আনফালে লৈ যোৱা। তেনে ভাবে উদ্যোগৰ কাৰণে পোৱা ধন অন্য লৈ যোৱা কাৰণে শতকৰা ৫৩ ভাগ উদ্যোগ ৰুগ্ন হৈ পৰিছে। ইয়াৰ লগতে শতকৰা ১৮ ভাগ কাৰখানা ৰুগ্ন হোৱাৰ কাৰণ হ'ল কাৰিকৰী দিশৰ দোষ-ত্ৰুটি। উদ্যোগ সমূহৰ প্ৰাৰম্ভিক পৰিকল্পনাৰ দোষৰ কাৰণেও এই অৱস্থাপ্ৰাপ্ত হবলগীয়া হৈছে। প্ৰাৰম্ভিক পৰিকল্পনাত দোষ থাকিলে উদ্যোগৰ উৎপাদনৰ ক্ষেত্ৰত বা সেই উদ্যোগ বাচি থকাৰ ক্ষেত্ৰত নিশ্চয় বিচ্যুতি আহিব পাৰে। কাজেই শতকৰা ৬ঠৰ ভাগ এনেভাৱে ৰুগ্ন হৈ পৰে।

কেঁচা মালৰ অভাবৰ কাৰণেও কেতিয়াবা শতকৰা ৯ ভাগ ৰুগ্ন হব পাৰে। আৰু বহু সময়ত বজাৰৰ দামৰ ওপৰতো ই নিৰ্ভৰ কৰে? জুট, টেক্সটাইল, চুগাৰমিল আদি বজাৰৰ দামৰ ওপৰত নিৰ্ভৰ কৰিও ৰুগ্ন হব পাৰে। তাৰোপৰি এই উদ্যোগ সমূহৰ উৎপাদনো কমিব পাৰে। এই বিলাক কাৰণতো শিল্প বিলাক ৰুগ্ন হব পাৰে। এইবিলাক কাৰণত যাতে উদ্যোগ ৰুগ্ন হব নোৱাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। উদ্যোগ সমূহত যাতে লোকচান নহয় তাৰো ব্যৱস্থা লোৱা দৰকাৰ। এটা উদ্যোগ বন্ধ হলে কি কাৰণত বন্ধ হৈছে, কাৰ ত্ৰুটীৰ কাৰণে বন্ধ হৈছে তাক পৰীক্ষা কৰি চাব লাগে। আৰু যেতিয়াই তেতিয়াই যাতে উদ্যোগবিলাক বন্ধ কৰি দিব নোৱাৰে তাৰো ব্যৱস্থা কৰিব লাগিব। বন্ধ ৰাখিবলৈ হলে এটা নিয়মৰ বাধ্যবাধকতাকৈ আনিব লাগে। একোটা উদ্যোগ বন্ধ কৰিবলৈ হলে অন্ততঃ ৯০ দিনৰ আগতেই জাননী দিয়াৰ নিয়ম কৰি দিব লাগে। তিনিমাহৰ আগতেই উদ্যোগ বন্ধৰ জাননী মেনেজমেণ্টে দিয়াটো কমপালচৰি কৰা প্ৰয়োজন। আৰু এনেকুৱা এখন জাননী দিবলৈ হলে ৰাজ্য চৰকাৰৰ অনুমোদন লোৱাতো বাধ্যবাধক কৰা দৰকাৰ। ৰাজ্য চৰকাৰৰ বিনা অনুমোদনত উদ্যোগ বন্ধৰ জাননী দিয়াটো নিষিদ্ধ কৰা দৰকাৰ। লগতে বিশেষ ভাৱে চোৱা প্ৰয়োজন ত্ৰুটী কাৰ কাৰণে হৈছে, কিয় হৈছে বিচাৰি উলিয়াই যদি কোনোবা জগৰীয়া থাকে যাৰ

কাৰণে উদ্যোগ বন্ধ হৈ যাবলগীয়া হৈছে তেনে জগৰীক বিচাৰি উলিয়াই শাস্তি দিয়াৰ ব্যৱস্থা কৰা দৰকাৰ। নহলে এই বিলাক পুনৰাবৃত্তি সদায়েই ঘটি থাকিব। কোনোবা উদ্যোগ যদি চিক হৈ বন্ধ হোৱাৰ উপক্ৰম হৈছে তেনে উদ্যোগ চৰকাৰে অধিগ্ৰহণ কৰা দৰকাৰ। ৰাজ্যচৰকাৰে উদ্যোগ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শ আগবঢ়াব পাৰে। লগতে কোনো উদ্যোগ চিক হৈ থাকিলে সেই উদ্যোগত বেলেগ কোনো বস্তু উৎপাদন কৰিবৰ কাৰণে লাইচেন্স দিব নালাগে। তেনে নকৰিলে মেনেজমেণ্টে বেলেগ বস্তু উৎপাদন কৰি বাকী বিলাক বন্ধ কৰি দিব। তাৰ ফলত কেইজনমান শ্ৰমিক ৰাখি বাকী বিলাক শ্ৰমিক চাটাই কৰাৰ ব্যৱস্থাহে হ'ব। এই সম্পৰ্কত চৰকাৰে উদ্যোগ সমূহৰ অৱস্থা পৰীক্ষা কৰিবলৈ কিছুমান বিত্তিয় এক্সপাৰ্ট নিয়োগ কৰিব লাগে। এইটো কৰিলেই যি বিলাক প্ৰশাসনিক ত্ৰুটী থাকে সেইবিলাক ওলাই পৰিব। সামান্য অজুহাতত যাতে উদ্যোগ বন্ধ নহয়, মেনেজমেণ্টে ট্ৰেড ইউনিয়নৰ লগত আলোচনা চলাই থাকোতে আলোচনাৰ কালত যাতে বন্ধ কৰা নহয় তাৰো নিশ্চয়তা প্ৰদান কৰা দৰকাৰ। গতিকে মই ভাবো এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলেই উদ্যোগ বিলাকৰ কিছু উপকাৰ হ'ব। আমাৰ ৰাজ্যত যি বিলাক বনজ খনিজ সম্পদ আছে, যি কেচামাল আছে সেই বিলাকৰ ওপৰত ভিত্তি কৰিয়েই নন উদ্যোগ গঢ়ি তোলাৰ দৰকাৰ। এই উদ্যোগ প্ৰতিষ্ঠা আৰু উৎপাদন বৃদ্ধি হলে উন্নতি সম্ভৱপৰ হব। এই বিল প্ৰসঙ্গত মই এই খিনিকে কৈ সামৰণি মাৰিলো।

* শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে আজি যিখন বিল এই সদনত উত্থাপন কৰিছে সেই খনৰ ওপৰত আলোচনা কৰিবলৈ যোৱাৰ লগে লগে মোৰ এটা প্ৰশ্নলৈ মনত পৰিল। সেইটো হৈছে—"খাই কাৰশলা গছত উঠিল, কাঠি চেলেকাৰ মৰণ মিলিল"। আজি উদ্যোগ বিভাগবোৰ কেৱল যে অসমতে ৰুগীয়া তেনে নহয়, সমগ্ৰ বিশ্বৰ ধনতান্ত্ৰিক দেশবোৰত এই অৱস্থা হৈ আছে। মই যোৱা কালি 'টেলিগ্ৰাফত' পঢ়িলো এটি ইউৰোপৰ কাহিনী। তাতো

---

* Speech not corrected

হেনো উদ্যোগবোৰ মন্দাৰ ফালে ঢাল খাইছে। এই মন্দাভাব অকল আমাৰ ইয়াতে আৰম্ভ হৈ থকা নাই, ই সমগ্ৰ বিশ্বৰে ধনতান্ত্ৰিক দেশবোৰত হব ধৰিছে। কিন্তু আমি যদি ভালকৈ লক্ষ্য কৰো এই অৱস্থা কেৱল ধনতান্ত্ৰিক দেশতহে দেখা পাম, আজি সমাজ তান্ত্ৰিক দেশবোৰত উদ্যোগবোৰৰ এই অৱস্থা হোৱা নাই। আমি যদি কিছুদিন আগলৈ উভটি যাও তেনেহলে দেখা পাম যে বিশেষকৈ ১৯৩০ চনৰ পৰা সমগ্ৰ ধনতান্ত্ৰিক দেশবোৰৰে উদ্যোগৰ অৱস্থা ক্ৰমান্বয়ে বেয়াৰ ফালে ঢাল খাইছে আৰু ইয়েই উদ্যোগৰ কাৰণে এটা 'গ্ৰেট ডিপ্ৰেচন' হৈ পৰিছে। আজি যদি আমি ছোভিয়েট ৰুচিয়ালৈ চাও তেনেহলে দেখিবলৈ পাম এই দেশখনক কি কাৰণে ফেচিজিমৰ ফালে আগুৱাই নিবলৈ সহায় কৰিলে। কাৰণ তেওঁলোক হৈছে সমাজতান্ত্ৰিক দেশ। তাৰ লগে লগে আজি জাৰ্মান, ইটালি আদিৰ নিচিনা ধনতান্ত্ৰিক দেশবোৰৰ উদ্যোগ হাহাকাৰ অৱস্থাত পৰিছে। অধ্যক্ষ মহোদয়, আজি আমাৰ ঘৰৰ কথাবোৰ আলোচনা কৰিবলৈ লৈ এই কথাবোৰ আলোচনা কৰিবলৈ বাধ্য হৈছো। আজি আমি উদ্যোগিক সাহায্য বিল এই সদনত উত্থাপন কৰিব লগা হৈছে। কিন্তু এই বিল উত্থাপন কৰিবলৈ গৈ আমি জানো আমাৰ শিল্প বিলাক ৰক্ষা কৰিব পাৰিম?

আজি আমাৰ উদ্যোগবোৰ অৰ্থ নৈতিক সংকটত পৰা দেখা গৈছে। কিন্তু এই সংকট জানো সঁচাকৈয়ে অৰ্থ নৈতিক সংকট? এই সংকট অৰ্থনৈতিক সংকট নহয়, এই সংকট হৈছে—ধনতান্ত্ৰিক সংকট? এই সংকটে আজি আমাৰ সকলোকে গ্ৰাস কৰিব, ইয়াৰ পৰা ৰক্ষা পোৱাৰ উপায় নাই। ইয়াৰ উপায় কেৱল মাত্ৰ এটাই আৰু সেইটো হৈছে এই অৱস্থাৰ বিলোপ সাধন। আজি আমাৰ উদ্যোগবোৰ জাতিয়কৰণ কৰা হৈছে, সেইদৰে ইউৰোপতো কিছুমান উদ্যোগ জাতিয়কৰণ কৰিছে। কিন্তু আমাৰ কিছুমান উদ্যোগ জাতিয়কৰণ কৰিলেই নহয়, ইয়াৰ বাবে ষ্ট্ৰাকচাৰেল চেঞ্জৰ প্ৰয়োজন।

অধ্যক্ষ মহোদয়, আজি যদি আমাৰ উদ্যোগিক বিকাশৰ মানচিত্ৰখন চায় তেনেহলে তাত যিবোৰ ৰেখা দিয়া আছে সেইবোৰ দেখিবলৈ পাব

আৰু সেইবোৰ দেখিলে ভয়ো লাগে আৰু দুখো লাগে। কেতিয়াবা উদ্যোগৰ অলপ বিকাশ হৈছে—সেই সময়ত এই ৰেখাডাল ৮'৬ লৈ উঠিছে। তাৰ পিচতেই ই নামি গৈ ৩'৯ শতাংশ পাইছেগৈ। ১৯৮৩-৮৪ চনত এই ৰেখাডাল আকৌ অলপ ওপৰলৈ উঠিছে। তথাপিও ই কোনোমতে ৪'২ শতাংশহে পাইছে। গতিকে এই যে ৰেখাডাল তললৈ নামি আহিল তাৰ ফল ভোগ কৰিছে একমাত্ৰ কিছুমান দুখীয়া-দৰিদ্ৰ মানুহে। সেই ৰেখাডাল তললৈ নামি অহাৰ দৰে এই মানুহ বিলাকৰো জীৱনলৈ দুৰ্ভাগ্য নামি আহিল। সেইদৰে ১৯৮১-৮২, ১৯৮২-৮৩ আৰু ১৯৮৩-৮৪ চনত এই ৰেখাডাল ক্ৰমে ৮'৬, ৩'৯ আৰু ৪'২ শতাংশলৈ উত্থান পতন হৈ আছে? এয়ে হৈছে আমাৰ শিল্প সংকটৰ এটা বলিষ্ঠ নমুনা। ইয়াৰ ফলত কেৱল যে কেইটামান পুঁজিপতিয়ে ফল ভোগ কৰিছে তেনে নহয়, ইয়াৰ কাৰণে গোটেই দেশখনৰে অসংখ্য জনসাধাৰণৰ জীৱনলৈ দুৰ্ভাগ্য নামি আহিছে।

আজি আমাৰ গ্লাচ ফেক্টৰী বন্ধ হৈ গ'ল। ইয়াৰ ফলত অসংখ্য জনসাধাৰণৰ জীৱন ধাৰণৰ পথ নাইকীয়া কৰি পেলালে। গতিকে আমি এই বিষয়বোৰৰ প্ৰতি লক্ষ্য ৰখা দৰকাৰ। আজি আমি এইটো চিন্তা কৰি থাকিলে ভুল কৰা হব যে আমাৰ দেশখনে প্ৰগতিশীল পথেৰে আগবাঢ়িছে। এনে এই অৱস্থাত ভাৰতৰ নিচিনা এখন উদ্যোগত পিচ পৰা দেশে ধনতান্ত্ৰিক মনোভাব পৰিহাৰ কৰি কেনেকৈ সমাজবাদী পদ্ধতিৰে দেশখনক আগুৱাই লৈ যাব পাৰি তাৰ কথাহে চিন্তা কৰা দৰকাৰ। অধ্যক্ষ মহোদয়, মই এই সমাজবাদী ব্যৱস্থাৰ কথা আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আপোনালোকে যদি লক্ষ্য কৰে আজি সমাজবাদী ব্যৱস্থাত এই সংকট নাই। শিল্পৰ ক্ষেত্ৰতে হওক বা অন্যান্য ক্ষেত্ৰতে হওক উদ্যোগিক বিকাশে সংগ্ৰাম কৰি কৰি ই পৈনত অৱস্থাত উপনিত হৈছেহি। সেই কাৰণেই মই ওপৰোক্ত প্ৰবাদটো উল্লেখ কৰিবলৈ বাধ্য হৈছিলো—খাই কাৰশালা গছত উঠিল। এই কাৰশলাই হৈছে আমাৰ ধনতান্ত্ৰিক নীতি আৰু কাঠি চেলেকাই হৈছে আমাৰ দুখীয়া জনসাধাৰণ। ধনতান্ত্ৰিক পদ্ধতিৰে আমি উদ্যোগিক বিকাশ কৰিবলৈ

গৈ এচাম মানুহৰ তেজ পিব লগা হৈছে। আৰু তাৰ কাৰণেই আজি এই ইণ্ডাষ্ট্ৰিয়েল ৰিলিফ বিল আনিব লগা হৈছে।

In the statement of objects and reasons "in order to enable the State Government to revive and restart these industrial undertakings and operate them efficiently, and thereby provide employment to a large number of workers, it is essential that the State Govt. should have suitable powers to free the industrial undetakings for a short period from certain financial obligations incurred in the past and to exempt from the scope of certain labour laws."

লেবাৰ ল একজাম কৰিব, কেপিটেলিষ্ট সকলক লক আউট হব, মিচ্ মেনেজমেণ্ট, লে অব, লক আউট সম্পূৰ্ণ বাদ পৰিলে কিন্তু শ্ৰমিক সকলেনো কি অধিকাৰ পাইছে? আজি চাহ বাগানৰ শ্ৰমিক সকলে চাউলেই নাপায়। ঠিক সেইদৰে কাৰখানাৰ শ্ৰমিক সকলৰ চাকৰি-টোৱেই ঠিক নাই। এনেকুৱা এটা অৱস্থাত তেওঁলোকৰ ষ্টেণ্ডিং অৰ্ডাৰ নাই তেনে অৱস্থাত শ্ৰমিক সকলৰ অধিকাৰ কেনেকৈ কমাব বিচাৰিছে। কিন্তু সেই মালিক সকলৰ বিৰুদ্ধে যি দোষ আছে সেই বিলাক আওকান কৰি তেওঁলোকৰ ব্যৱসায়টো জীয়াই ৰখাৰ ব্যৱস্থা কৰিছে। আৰু আন-হাতেদি শ্ৰমিক সকলৰ যিখিনি অধিকাৰ আছিল সেই খিনি খৰ্ব্ব কৰি-বলৈ চেষ্টা কৰিছে নেকি? অথচ শ্ৰমিক সকলৰ কিনো অধিকাৰ আছে, আনকি শ্ৰমিক সকলৰ সংগঠন হোৱাৰ লগে লগে তেওঁলোকৰ চেক্ৰে-টাৰীকো কামৰ পৰা খেদি দিয়া হয়। এনেকুৱা এটা অৱস্থাত শ্ৰমিক সকলে দিন পাৰ কৰিছে। তেনে এটা অৱস্থাত আজি শ্ৰমিক সকলৰ বাবত শিল্প ৰুগ্ন হোৱা কথাটো কেনে ধৰণৰ হব পাৰে। মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই আগতেই কৈ গৈছে যে ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াই এই ৰুগ্ন শিল্পৰ ক্ষেত্ৰত এটা সমীক্ষা চলাইছিল। আজি আমাৰ সমাজ ব্যৱস্থাত যিখিনি সম্পত্তি আছে সেইখিনি ৰক্ষা কৰিব লাগিব। অথচ

যেতিয়া এই সম্পত্তি বিলাক ধ্বংস নহয় আৰু সেই বিষয়ে যেতিয়া ভাৰত চৰকাৰে কোনো অনুসন্ধান নকৰিলে তেতিয়া ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই সমীক্ষা চলালে আৰু সেই সমীক্ষা মতে ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই দিয়া ধৰণে শ্ৰমিক সকলৰ কাৰণে মাত্ৰ ২টা কাৰখানা বন্ধ হৈছে কিন্তু আন-হাতেদি বাকী ৯৮ টা কাৰখানা বন্ধ হৈছে মালিক পক্ষ আৰু পৰিচালক মণ্ডলীৰ দোষত। এই পৰিচালক মণ্ডলীৰ কাৰণে আজি আমাৰ শিল্প বিলাক ধ্বংস হোৱাৰ কাৰণে ভাৰত চৰকাৰে অনুসন্ধান কৰিবলৈ আগবাঢ়ি আহিব লাগিছিল কিন্তু ভাৰত চৰকাৰ নাহিল কাৰণেই ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই সমীক্ষা চলালে। আজি সমগ্ৰ ভাৰত-বৰ্ষৰ এই ক্ৰমাগত ৰুগ্ন শিল্প বিলাক কোনে চিকিৎসা কৰিব, যিমা-নেই এই চিকিৎসা কৰা হব সিমানেই ৰুগ্নৰ সংখ্যা বৃদ্ধি হৈ গৈছে। বৰ্ত্তমান আমাৰ দেশত ২৮ হাজাৰ শিল্প ৰুগ্ন হৈ পৰিছে। আৰু সেইদৰে অসমত কি হৈছে? সমাজবাদী গণতান্ত্ৰিক সমাজ ব্যৱস্থাত কেৱল অপ-ৰাধী হয় পাবলিক চেক্টৰ, ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাক ধ্বংস হব ধৰিছে আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ বিলাকৰ জয় জয় ময় ময় হৈছে। আচৰিত কথা কেৱল পাবলিক চেক্টৰবিলাকহে আক্ৰান্ত হয়। কিন্তু প্ৰকৃততে সেইটো নহয় প্ৰাইভেট চেক্টৰো হব লাগিছিল কিন্তু চৰকাৰৰ চকু কেৱল পাবলিক চেক্টৰ বিলাকত।

(ভইচ—পশ্চিম বঙ্গত কি হৈছে)

পশ্চিম বঙ্গ বেলেগ এখন ৰাজ্য নহয়, সেইখনো ভাৰতবৰ্ষৰ ভিতৰতে পৰে, তাতো সেই একেই অৱস্থা কিন্তু তাত পাবলিক চেক্টৰ বিলাকত কিছু চকু দিয়া হৈছে কাৰণে আমাৰ নিচিনা নিশকতীয়া অৱস্থা হোৱা নাই। ১৯৬৪ চনতে আমি কৈছিলো যদিও ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থা একে দিনাই উন্নত কৰাটো সম্ভৱ নহয় তথাপিতো জনসাধাৰণক সকাহ দিয়াৰ কাৰণে আমি সকলো ধৰণৰ সুবিধা দিম। ১৯৬৪ চনতে আমি এইটো চেষ্টা কৰিছিলো আৰু সময় আহিলে দিল্লীতো লালকিল্লাত লালঝাণ্ডা তুলিব লাগিব। আমি তুলিব নোৱাৰিলেও এসময়ত আমাৰ বংশধৰ সকলে তুলিব। যি সময়ত আজি ভাৰতবৰ্ষত ২৮ হাজাৰ শিল্প ৰুগ্ন হৈ পৰে

আৰু যে নহব তাৰ গেৰান্টি দিব পাৰিব নেকি? আৰু যিটো বেমাৰ এতিয়া হৈছে সেইটো সমগ্র ভাৰতবৰ্ষতেই হৈছে। গতিকে পশ্চিমবঙ্গতো হৈছে। প্রশ্নটো হৈছে তাত যিটো হৈছে আৰু ইয়াত যিটো হৈছে সেইটো একে নহয়। এই সংকটত আমাৰ ভাৰতবৰ্ষত সৰুসুৰা উদ্যোগ বিলাক আজি ৰুগ্ন হৈ পৰিছে। সৰুসুৰা পুঁজিপতি বিলাকৰ আজি মৃত্যু হৈ গৈছে। আপোনালোকে চাইকেল ফেক্টৰীটোৰেই চাওক সেইটো যদি আজি টাটা বা বিৰলাৰ হলহেতেন আজি এনেদৰে অপমৃত্যু নহলহেতেন। ক্ষুদ্ৰ পুঁজিপতিৰ হাতত থকা কাৰণে বন্ধ হৈ গ'ল। সেইদৰে গ্লাচ ফেক্টৰীটো বন্ধ হৈ গ'ল। আপোনালোকে যাওক গুৱাহাটীত জীয়াই থকা সৰুসুৰা উদ্যোগ বিলাকক সোধক তেওঁলোকৰ কিমান লাভ হৈছে। ব্ৰহ্মপুত্ৰ জুট মিলটো জীয়াই আছে তাতেই সোধকগৈ তেওঁলোকৰ কিমান লাভ হৈছে বাকী বিলাকৰ ক্ষেত্ৰতটো কথাই নাই। গতিকে গণ-তান্ত্ৰিক সমাজ ব্যৱস্থাত এইটো সম্ভৱ নহয়। তাৰ বিভিন্ন ব্যাখ্যা আছে।

অধ্যক্ষ মহোদয়, মই সিদিনা কৈছো যে, আপোনালোকৰ এবছৰত লাভ ৫শ ৯০ কোটি টকা। আৰু আমাৰ সৰুসুৰা ইন্দ্ৰাষ্টি বিলাকতে লাভ কৰিলে। গতিকে যি সকলে পাবলিক চেকটৰৰ ওপৰত দোষ দিছে সেইসকলে কৈছে যে, পাবলিক চেকটৰেহে দেশখন শেষ কৰি দিছে। প্ৰাইভেট চেকটৰৰ কথা নকও। আমাৰ চকুৰ আগতে গুৱাহাটীৰ চাৰিও-ফালে থকা হাৰ্ড বৰ্ডৰ ফেক্টৰী, মমৰ ফেক্টৰী আদি আছে। দিন নাযায় ৰাতি নুপুৱায় দায়েৰী ইন্দ্ৰাষ্ট্ৰিৰ নিচিনা হৈছে। মই এইখিনিতে এটা চাৰ্জেশ্যন দিছো যে, একচেতিয়া পুঁজিপতিৰ নামত ধনতন্ত্ৰবাদ জীয়াই ৰখাৰ চেষ্টা কৰিছে। হাজাৰ হাজাৰ উদ্যোগ ধ্বংস কৰি বন্ধ কৰি গণ-তান্ত্ৰিক ব্যৱস্থাৰে সেইবিলাক দিশত বেছিকৈ চাইছে। গতিকে সেইবিলাক কেনেকৈ কি কৰিলে সমস্যা সমাধান হব সেইটো ৰাস্তা চোৱাটোহে আমাৰ একমাত্ৰ পথ। মই কৈছো চৰকাৰৰ ভৱিষ্যতেও সম্ভৱ নহব কাৰণ এই ইন্দ্ৰাষ্টিয়েল ৰিলিফ বিল আনিব লগা হৈছে। মই মুখ্যমন্ত্ৰী মহোদয়ক কও যে, আপোনালোকে এই বিল খনৰ আগতেই আধ্যাদেশ দি দিছে যে, বিধান সভা বহিবলৈ কেইদিনমান পলম আছে। আমি অধ্যাদেশ

দিও। এতিয়া জানিব খুজিছো যে, অধ্যাদেশ জাৰি কৰাৰ পৰা আজিলৈকে কেইবাটাও ইন্দ্ৰাষ্টি আপোনালোকে ৰিলিফ আণ্ডাৰটেকিং বুলি ঘোষণা কৰিছে। মোৰ মনত পৰা নাই। কোনোবা এটা ঘোষণা কৰিছে। গতিকে এনেকুৱা আইন এখন অধ্যাদেশ হোৱাৰ লগে লগে যিহেতুকে জৰুৰী কাম হাতত লাহি পৰিছে অধ্যাদেশ দিছে, কিন্তু কি ব্যৱস্থা জৰুৰী ভাবে হাতত লৈছে? সেই কথাই আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰলৈ চাই যিহেতুকে ইয়াত বৃহৎ উদ্যোগপতি নাই, আজি ভাৰতবৰ্ষৰ পূৰ্ব্বাঞ্চলত এজনো একচেতিয়া পুঁজিপতি নাই। পশ্চিমবংগত ৭৫ জনৰ ভিতৰত এজন। অসমত একচেতিয়া পুঁজিপতি নাই। বাহিৰৰ পৰা মানুহ মহ আৰু মেলেৰীয়াৰ ঠাঁই বিলাকলৈ আহিবলৈ টান পায়। চৰকাৰে উদ্যোগ কিছুমান গঢ়িছে। চৰকাৰে এনে ধৰণৰ নানা উদ্যোগ পাতি সাহায্য আগবঢ়াইছে। চৰকাৰে নানা ধৰণে মানুহক সহায় আগবঢ়াইছে। এইবিলাক চৰকাৰে নিজেও কৰিছে আৰু বিভাগৰ দ্বাৰাইও কৰিছে। ব্যক্তিগত মানুহক চৰকাৰে সহায় কৰিছে একো বেয়া কাম হোৱা নাই। উদ্যোগ হব লাগে। কাৰণ এতিয়া কৃষিয়ে সকলো মানুহকে ভৰণ পোষণ দিব নোৱাৰে। গতিকে উদ্যোগ বিকাশৰ প্ৰয়োজন। চৰকাৰে সঠিকভা'ৱ কাম হাতত লৈছে। পিছে কি হল? ইয়াৰ ওপৰত যি হাৰত গুৰুত্ব দিব লাগিছিল আৰম্ভনীৰে পৰা সেই হাৰত গুৰুত্ব দিয়া নহল। এইবিলাক আমি কাগজে পত্ৰে পঢ়িবলৈ পাইছো। কেতিয়া কি শিল্প হৈছিল খবৰ নাই। আজি তিনচুকিয়াত এটা ইন্দ্ৰাষ্টি আছিল জেক ইন্দ্ৰাষ্টি। তাৰে ইকৰা বান্ধি চাল তৈয়াৰ কৰে। আজি সেই ইন্দ্ৰাষ্টিৰ খবৰ নাপাও। এই ইন্দ্ৰাষ্টি ক'ত গল? কলৈ গল? বস্তুত লাভ পালে এৰি নিদিয়ে। ইকৰাৰে ঘৰৰ চাল তৈয়াৰ কৰিব এনেকুৱা স্বপ্ন দেখিছিলো। কিন্তু আমাৰ উদ্যোগ বিভাগে কি পদ্ধতিৰে এইবিলাক পাব পাৰি নাচালে। আজি চি, আই, চিত আৰু এচবেষ্টচৰ ইন্দ্ৰাষ্টি গুৱাহাটীতে খোলা হৈছে, মই দেখা নাই। আমাৰ ৰিফিউজি সকলক টিনপাত দিয়াৰ সময়ত চৰকাৰে হাহাকাৰ কৰি দিল্লীৰ পৰা চি, আই, চিত আনিবলগীয়া হল। অসমৰ মানুহে অলপমান পইচা

পালেই টিনপাতেৰে ঘৰ বান্ধে। খেৰ দুষ্প্ৰাপ্য হৈছে কাৰণেই টিনপাত কিনে। কিন্তু সেই ইন্দ্ৰাষ্ট্ৰি কিয় মৰিব লগা হ'ল? এইটো ঘটনা হব নালাগিছিল। যিবিলাক উদ্যোগ মানুহে পাতিছিল সেইবিলাক উদ্যোগ ক'ত গল? আমাৰ চকুৰ আগতে নাইকীয়া হ'ল। ৰেডিঅ'ত নাটক এটা দিয়ে তাত বস্তুৰ দাম সম্পৰ্কে কোৱা হয়। ফুটা পাত্ৰ এটাত পানী থলে ফুটা নমৰালৈকে পানী গৈয়েই থাকিব। এইদৰে আমি উদ্যোগ পাতি থাকিম আৰু ভাঙি থাকিম। এইদৰে নতুন নতুন উদ্যোগৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে। কিন্তু প্ৰাতিলে কি হব এৰি দিয়ে। মোৰ মনত আছে আমি যেতিয়া পাঠশালা স্কুলত পঢ়িছিলো তেতিয়া শিক্ষকে যেতিয়া অ, আ, ক, খ পঢ়াই বেলেগ পাঠ দিয়ে তেতিয়া আমি সেই পাতখিলা ফালি পেলাও। এতিয়াও দেখিছো ইন্দ্ৰাষ্ট্ৰি হৈ আছে শেষ হৈ গৈ আছে। তাৰোপৰি এই উদ্যোগ বিভাগটো অসমত ১৯৬০ চনৰ পৰা আৰম্ভ হৈছে। কিন্তু এতিয়ালৈকে যিবিলাক উদ্যোগ গঢ়ি উঠিছে সেইবিলাকৰ চিনচাব এতিয়া আছেনে? যদি নাই কিয় নাই? গাঁৱৰ বহুতো মানুহে উদ্যোগৰ বাবে ঋণ লৈ নতুন উদ্যোগ গঢ়ি তুলিছে। তাৰ পিচত দেখা যায় উদ্যোগো নাই, মানুহো নাই। গতিকে সেই ফালে যদি আমি ফিৰি নাচাও, তেনেহলে ইমান টকা আগবঢ়াই খৰচ কৰি আমি কিমান দূৰ আগবাঢ়িব পাৰিম? গতিকেই মই আজি এই বিল খনৰ সম্পৰ্কে আলোচনা কৰিবলৈ বিচাৰিছো। সময় বোধকৰো হৈছেই। মই মোৰ বক্তব্য আধৰুৱাকৈ এৰিব বিচাৰিছো।

Mr. Speaker—The Hon'ble Member will resume his speech after lunch break. The House now stands adjourned till 2/30 p. m.

( After Lunch )

* শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উদ্যোগবিলাক নোহোৱাৰ কাৰণ কি? ৰিজাৰ্ভ সমীক্ষাৰ পৰা চাৰিটা কাৰণ দেখুৱা হৈছে। এটা হৈছে ক্ৰটীপূৰ্ণ পৰিকল্পনা, এটা হৈছে পুজিৰ অংশ তললৈ ঠেলি অনা আৰু পৰিচালনাৰ খেলি-মেলি। আনটো হৈছে যে কেচা মালৰ অভাৱ,

বিজুলি যোগান ইত্যাদি। আৰু এটা আছে, বজাৰ আদিৰ লগত সম্পৰ্ক অৰ্থাৎ বজাৰ আদি নোপোৱা। এটা কাৰণে ৰিজাৰ্ভ বেংকে অনুসন্ধান কৰিবলৈ এৰি দিছে! এই কাৰণটো এতিয়া অলপ আগতে আমি পাইছোঁ। বোম্বাইৰ তিনিটা কাপোৰ কল জাতীয়কৰণ কৰিবলৈ চৰকাৰে হাতত লৈছে। চৰকাৰে হাতত লৈয়ে আধুনিকীকৰণৰ আচল ঠেলা পাইছে। যন্ত্ৰপাতিৰ ক্ষেত্ৰত এটা কথা হৈছে চাৰ, ১০ বছৰ আগতে যিটো বহুৱাইছিল সেইটো এতিয়া পুৰণি হৈ গৈছে। গতিকে যেতিয়াই চলাব নোৱাৰা হৈ পৰে তেতিয়াই গণ্ডগোলটো লাগে, শ্ৰমিক আন্দোলন কৰিবলৈ বাধ্য হয়। এতিয়া আমি দেখিছোঁ যে শ্ৰমিক আন্দোলনৰ কাৰণ সেইটোৱেই। আজি ভাৰতে ১৩ টা কাপোৰৰ কল আধুনিকীকৰণ কৰিব লগা হৈছে অৰ্থাৎ নতুন যন্ত্ৰ-পাতি দিব লগা হৈছে। চৰকাৰে নিজে দায়িত্ব লৈ নতুন যন্ত্ৰপাতি আনিব লগা হয়। এই দৰেই যদি উদ্যোগবোৰ ৰুগ্ন দেখুৱাই চৰকাৰলৈ ঠেলি দিয়ে আৰু চৰকাৰে আধুনিকীকৰণ কৰিব লগা হয় তেন্তে এই বিষয়ে নজৰ দিয়া উচিত। আমাৰ গুৱাহাটীত এটা হাৰ্ড বৰ্ডৰ প্ৰতিষ্ঠান আছে। তাত এজন ইঞ্জিনিয়াৰে দেখুৱাই দিলে কেনেকৈ সাম্ৰাজ্যবাদৰ শোষণ চলে। এনে শোষণ আমি আগেয়ে দেখা নাছিলো। যন্ত্ৰটো আনোতেই এনে ভাবে শোষণ জড়িত হৈ আছে যে স্পেয়াৰ পাৰ্টচ আনিবলৈ আমেৰিকালৈ যাবই লাগিব। যন্ত্ৰবিলাক চাৰ যেতিয়া আমাৰ ইয়ালৈ আহে ওৱেষ্ট জাৰ্মানিয়েই হওক বা আমেৰিকাই হওক অন্যান্য দেশবিলাকৰ অদৰ্কাৰী যন্ত্ৰবিলাক আমাৰ উন্নয়নশীল দেশবিলাকত বিক্ৰী কৰে আৰু এইটোৱেই হৈছে নয়া ঔপনিবেশিক শোষণৰ কৌশল। আজি উন্নয়ণশীল দেশসমূহৰ এই এটা বিপদ যে নিজস্ব যন্ত্ৰ-পাতি তৈয়াৰ কৰাৰ কাৰখানা নগণ্য। ভাৰতৰ উদ্যোগবিলাকৰ কাৰণে বাহিৰৰ পৰা বেছি যন্ত্ৰপাতি আনিব লগা হয়। ক্ষিপ্ৰ গতিৰ পৰিবৰ্ত্তনৰ লগত খাপ খোৱাই যে চলিব নোৱাৰা হয়, সেইটো স্বাভাৱিক। তাত লাভ কম হয়। সেই এটা বিষয়ৰ ওপৰত চকু দিব লগা হৈছে যে আমি এটা উদ্যোগ প্ৰতিষ্ঠা কৰিম, সেই সময়ত চাব লাগিব যে সেই উদ্যোগৰ কাৰণে প্ৰয়োজনীয় যন্ত্ৰটো কেনে ধৰণৰ? আমি শুনিছো যে যোগীঘোপা কাগজ

কলৰ যন্ত্ৰ বহু বছৰ আগতে বিহাৰত আনি থৈছিল কোনোবা এজনে। বহু বছৰ বহি থকা যন্ত্ৰ অসম চৰকাৰ আৰু বিহাৰ চৰকাৰে লগ লাগি ইয়াত কাগজৰ কল খুলিলে কি কাৰণে কব নোৱাৰো। এই যন্ত্ৰপাতি আনাৰ এটা কাৰণ হ'ল—ক্ষিপ্ৰ শক্তিৰ যিটো যন্ত্ৰৰ বিকাশ, সেই যন্ত্ৰৰ বিকাশৰ লগে লগে কেই বছৰমান আগতে প্ৰতিষ্ঠা কৰা যন্ত্ৰবিলাক কেই বছৰমান পিছত পুৰণা হৈ যায় আৰু পুৰণা হৈ যোৱাৰ কাৰণে সেই উদ্যোগপতি সকলৰ এটা অংশই এটা সুযোগ পাইছে যে সেই উদ্যোগ ৰুগ্ন ঘোষণা কৰি দিব। আমাৰ ইয়াত ডাঙৰ উদ্যোগ নাই, কেন্দ্ৰীয় চৰকাৰৰ অধীনত কেইটামান ডাঙৰ ডাঙৰ উদ্যোগ চলি আছে ঠিকমতে। তাত ক্ষতি কেনেকৈ হয়? অলপতে নুনমাটিত এক কোটি টকাৰ ক্ষতি হৈছে। কি ক্ষতি হ'ল? তাত টেংকাৰ আছিল। টেংকাৰৰ যি থিকনেচ থাকিব লাগে সেইটো নাই। কোনোবাই ৰিজেক্ট কৰিছে আৰু কোনোবাই কলে এইটোৱেই হব। শেষত বাৰ্ষ্ট কৰিলে। বাৰ্ষ্ট কৰাৰ ফলত গোটেই যন্ত্ৰটো প্ৰায় এক কোটি টকাৰ ক্ষতি হ'ল। এনেকৈ ৰাজহুৱা খণ্ডত নানা ধৰণৰ কৌশল এতিয়াও চলি আছে। আন এটা চলে প্ৰশাসনত। এইটো এটা স্বাভাৱিক কথা চাব লগা হৈছে যে যিবিলাক আজি ৰাজহুৱা খণ্ডত উদ্যোগ আছে তাত প্ৰশাসন ব্যৱস্থা কেনে ধৰণৰ চলিছে? খবৰ পাইছো যে চাগে'লা চেনীকলত বোৰ্ড অব ডিৰেক্টৰচে নজনাকৈ বেলেন্স চীট টেক্স অফিচ আগতে পাইছে। বোৰ্ড অব ডিৰেক্টৰচৰ এপ্ৰুভেল নোহোৱাকৈ। কি প্ৰশাসন চলিছে? বোৰ্ড অব ডিৰেক্টৰচে নাজানে, মেনেজিং ডিৰেক্টৰে নাজানে। অৱসৰপ্ৰাপ্ত অভিজ্ঞ লোক বহুৱাই থৈ দিছে। বেলেন্সচীট কেনেকৈ চেলচ টেক্স অফিচ পালে? গতিকে প্ৰশাসনৰ ওপৰত নজৰ দিব লাগিব আৰু বস্তুবিলাক প্ৰয়োজন ক্ষেত্ৰত শীঘ্ৰে পৰিবৰ্ত্তন কৰিব লগা হৈছে। আমি ইয়াত দেখিছো যে একোজন মানুহ কেইবাটাও বৰ্ডৰ সভাপতি, নানা কাম কাজত ব্যস্ত থাকে। একোজন মানুহ একাধিক বৰ্ডৰ সভাপতি। ফলত কি হৈছে? তেওঁ সম্পূৰ্ণ মনোযোগ দিব নোৱাৰে। যদি এজন মানুহে উদ্যোগৰ ক্ষেত্ৰত সম্পূৰ্ণ সময় নিয়োগ নহয় তেতিয়াহলে তেওঁ পৰিকল্পনা লব নোৱাৰে।

গতিকে বৰ্ড এখন গঠন কৰিব লাগে কাৰণে গঠন কৰিছে আৰু চেয়াৰমেন হৰ লাগে কাৰণে চেয়াৰমেন কৰি দিয়ে। যাক চেয়াৰমেন পাতি দিছে সেই মানুহ জনৰ উদ্যোগ সম্পৰ্কত জ্ঞান, ধাৰণা, পৰিচালনা, যোগ্যতা আছেনে সেইটো চাব লাগে। উদ্যোগৰ ক্ষেত্ৰত এইটো ব্যৱসায় বুলি কৈছে যদিও ৰাজনৈতিক স্বাৰ্থ কম চাব লাগে। আমি যদি মন্ত্ৰী পাতি দিব নোৱাৰি উদোগৰ সভাপতি কৰি থওঁ তেনেহলে ফল কেনে হ'ব? গতিকে পৰিচালনা ক্ৰুটীৰ ফলত শতকৰা ৫৩ ভাগ উদ্যোগ ৰুগ্ন হয়। ৰিজাৰ্ভ বেংকৰ সমীক্ষাত এই কথা আছে। গতিকে এই ত্ৰুটীবিলাক দূৰ কৰিব লাগে। যিসকলে অন্তৰেৰে উদ্যোগ বিকাশৰ প্ৰতি আগ্ৰহী তেনেকুৱা মানুহক লৈ পৰিচালক মণ্ডলী গঠন কৰি দিব লাগে। দেখা গৈছে য'ত পৰিচালক মণ্ডলীয়ে মনোযোগ দিছে তাতে লাভ হৈছে। আমাৰ উদাগ ঋণ দিয়াৰ কাৰণে বিত্ত নিগম আছে। বিত্ত নিগমৰ কাম হ'ল উদ্যোগ গঢ়ি তোলা। মানুহক সহায় সাহায্য আগবঢ়োৱা। এতিয়া তাত কি হৈছে? কিছু দিনৰ পৰা নিবনুৱা যুৱকক গাড়ী কিনাৰ টক দিছে। কিন্তু টকা আদায় হৈছেনে? উদ্যোগীকৰণৰ নামত সেই টকা নিবনুৱা যুৱকক দিলে আৰু গাড়ীও কিনিলে। গাড়ী চলিল, কিন্তু লনখিনি পৰিশোধ হ'ল নে? এই পৰিচালনা বৰ্ডত সিদিনা ঘটনা হৈ গৈছে। এম, এল, এক টেক্সি কিনাৰ কাৰণে টকা দিব লগা হৈছে। এইটো ইণ্ডাষ্ট্ৰী নহয়। এই নিগম শিল্প নহয়। এম, এল,এই চলোৱাৰ কাৰণে, লাকজাৰিৰ কাৰণে গাড়ী দিছে। গাড়ীৰ অৱশ্যে দৰকাৰ আছে। তেনেকুৱা প্ৰস্তাৱ বৰ্ডৰ মিটিঙত উত্থাপিত হৈছে। বিত্ত নিগমৰ উদ্দেশ্য হ'ল উদ্যোগ গঢ়ি তোলা। এম, এল, এই ইমান লাখ টকা খৰচ কৰি গাড়ী আনি কি আয় কৰি দিব। ফিৰ ফিৰাই ৰাস্তাত ঘূৰি ফুৰিছে। ৰিজাৰ্ভ বেংকে ফাণ্ড দাইভাৰচনৰ ক্ষেত্ৰত ঠিকেই কৈছে। পুজি অন্য ফালে লৈ যায়। পুজি অন্য ফালে লৈ যোৱাৰ ফলত উদোগ ৰুগ্ন হৈছে। আজি অসমত কি বিপদ চলিছে? পাৰাফিন ৱাক্সৰ আগতে লন দিছিল, এতিয়া কমিছে। দেখা গৈছে কলিকতাত মালখিনি বিক্ৰী কৰি থৈ আছে। গুৱাহাটীৰ উদ্যোগৰ খবৰ জানো। লোহাৰ ৰড নিৰ্মাণৰ বাবে আৱশ্যক

হোৱা কেচামাল কলিকতাত বিক্ৰী কৰি থৈ আছে। মেনেজাৰে কলে যে কি হব আমাৰ কাৰখানাত উৎপাদন নকৰিলেই লাভ বেছি। কেচামাল কলিকতাত বিক্ৰী কৰি থৈ আছো।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক কথাৰ প্ৰতি আজি আমি চকু দিব লগীয়া হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীজেলিল চৌধুৰী ডাঙৰীয়াই একাষাৰ অতি সঁচা কথা কৈছিল যে, এটা জাতিৰ কৃষকসকলেই হওক, উদ্যোগৰ ক্ষেত্ৰতেই হওঁক, বা শিল্প সংস্কৃতিয়েই হওঁক, দেশাত্মবোধৰ একান্তই প্ৰয়োজন। কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি কি দেখিছো, ১৯৬২ চনত যেতিয়া চীনে ভাৰত আক্ৰমণ কৰি বোমডিলালৈকে আগুৱাই আহিল তেতিয়া মানুহ বিলাকে অসমক এৰি পলাল। তেনেকুৱাই যদি দেশাত্মবোধ হয়, তেতিয়াহলে, দেশত কেতিয়াও উদ্যোগ গঢ়ি নুঠে। এইটো এটা অতি প্ৰয়োজনীয় দিশ। আমি এই দিশৰ প্ৰতি নজৰ দিব লাগিব যিসকলৰ ওপৰত আজি আইন খন আনিছে, সেই সকলৰ ক্ষেত্ৰত 'অৰ্ডিনেন্সখন পাছ' কৰাৰ পিছত ব্যৱস্থা সমূহ কাৰ্য্যকৰী কৰা নাই, এই কথাটোৰ প্ৰতি মই আমাৰ উদ্যোগ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। যদি কিবা ব্যৱস্থা কাৰ্য্যকৰী কৰিছে তেতিয়াহলে, তেখেতৰ পৰা আমি তাৰ বাখ্যা পাম। 'ষ্টেটমেণ্ট অব্ অবজেক্ট'ত যিটো লিখিছে, তাৰ দ্বাৰা শ্ৰমিক সকলৰ সা-সুবিধা সমূহ কৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিকে কোনো দিনে উদ্যোগ ধ্বংস নকৰে। কাৰণ এই উদ্যোগ সমূহেই হল, শ্ৰমিক সকলৰ অন্নদাতা। অন্নদাতাক শ্ৰমিকে ধ্বংস নকৰে। গতিকেই অন্নদাতা সকলৰ শাৰিৰীক আৰু মানসিক উন্নতিৰ প্ৰতি আমাৰ চৰকাৰে নজৰ দিব লাগিব। শ্ৰমিক সকলে যেতিয়া অন্নদাতাৰ পৰা অন্ন নেপায় তেতিয়াই আন্দোলনৰ পথলৈ নামে। এই কাৰণেই চাহ বাগানৰ শ্ৰমিক সকল আন্দোলনৰ পথলৈ নামিছিল। এই কথাটোত আমাৰ উদ্যোগ বিভাগৰ মাননীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে চাহ বনুৱাই কাৰচাজি কৰিছে বুলি আখ্যা দিছিল। শ্ৰমিক আন্দোলনৰ পথলৈ নগৈ কি কৰিব? যি মালিকে এই বছৰত প্ৰচুৰ লাভ কৰাৰ স্বত্বেও যদি তেওঁলোকে দিব লগীয়া টকাখিনি শ্ৰমিকক নিদিয়ে তেতিয়াহলে,

শ্ৰমিকে আন্দোলন কৰিবলৈ বাধ্য। মাননীয় অধ্যক্ষ মহোদয়, মই জানো, আপুনিও এই কথাটোত মানবতাৰ খাটিৰত হলেও সমৰ্থন কৰিব। মালিক সকলে যদি শ্ৰমিক সকলক বঞ্চিত কৰে তেতিয়াহলে, আন্দোলন কৰিবই লাগিব। আন্দোলনেই একমাত্ৰ ৰাস্তা। এইটো ন্যায় সঙ্গত কথা। সেই কাৰণেই কৈছো যে, চৰকাৰে মালিকসকলৰ ওপৰত হস্তক্ষেপ কৰক। শ্ৰমিক সকলৰ দায়িত্ব চৰকাৰক দিলেই নহব। মালিক সকলকো ধৰিব লাগিব। লগতে এ, টি, চি-ৰ সম্পৰ্কত কওঁ যে, ইয়াৰ অৱস্থা একেবাৰেই বেয়া। অৱশ্যে এই বছৰত 'চুপাৰ প্ৰফিট' হৈছে। এতিয়া মুঠ কথা হৈছে, শ্ৰমিকক পাওঁনা খিনি দিয়া হৈছেনে নাই? আমি জনাত ৪ কোটি টকা চাহ শ্ৰমিক সকলে এতিয়াও পাবলৈ বাকী আছে। এই টকা নেপালেই শ্ৰমিক সকলে আন্দোলন কৰিবলৈ বাধ্য হৈ পৰিব। গতিকেই এই শ্ৰমিকৰ প্ৰকৃত কল্যাণ হৈছেনে নাই সেইটো আমি চাব লাগিব যাতে তেওঁলোকে আন্দোলন কৰিব লগীয়া নহয়।

মাননীয় অধ্যক্ষ মহোদয়, মুই এই খিনি কৈয়েই মোৰ বক্তব্য সামৰিলো।

Shri Benoy Kr. Basumatary – Sir, we have before us a Bill that is to provide relief to industries. In clause -3, it is stated "The State Government, may, if it is satisfied that it is necessary or expedient so to do in the public interest, with a view to enabling the continued running or re-starting of State Industrial Undertaking as a measure of prevention of providing relief against unemployment". The main issue of this Bill is unemployment ; that means to continue the running of an industry and that the people who are already employed by the Industries which is proposed to be taken over – the people who are serving there, may not become unemployed. That is the main objective of this Bill. But, Sir, I have my personal doubt whether

it is enough to ensure only the employment aspect of this Bill. Now, Sir, we know the situation about the industries in Assam, It has been repeatedly pointed out in this House that industries are mismanaged and for that, to some extent, even the Industries department is responsible. Sir, it is quite a problem to start an industry in Assam, because, as early as in 1972, when I resigned my service I had also wanted to start an industry; but, Sir, at that time the Industries Directorate was at Shillong. and I had to spend not less than Rs. 10,000/- to travel from home to Shillong, stay in the hotel and sitting in the office of the Director of Industries. It so happened that even to get a permit we had to make 10 trips to D. C., Superintendent of Industries and then Directorate of Industries, Therefore, Sir, to set up an industry in Assam is not a matter of joke. It involves a lot of trouble, patience and finance. Later on, in the last house, I was included in the enquiry committee for the Assam Glass Industry. It was discovered that there is a good link between the corrupt officers in the Directorate and the contractors and erectors of the glass industry. We found that a half educated person from Calcutta was selected designer and as erector of the glass industry. This man was an employee of the Glass & Ceramic Research Institute. The Committee found linkage of expert from the Ceramic & Glass Institute and business tycoons of Calcutta and the half-hearted officers of the Govt. of

Assam. This industry was then started and after a intermittant running, this industry was forced to close down with I think a loss between Rs. 2 crores to Rs. 10 crores. But now Sir, when I go home through the bypass of the National High way, I find that a very nice Glass Industry is installed named as Kamakhya Glass Industry and, in fact, this Kamakhya Glass Industry is involved in the destruction of the Assam Glass Industry. Sir, If you go through the records of the Assembly Enquiry Committee's report, you will find, the Kamakhya Glass Industry was very much involved. Now Assam Glass Industry is closed with huge loss and its people unemployed. Then Sir, today if you go and see the Kamakhya Glass Industry is running smoothly. Why a joint sector undertaking whose patron was nonetheless the Govt. of Assam failed. How an individual industrialist is successful in running the same industry which could not be run by the Govt. of Assam as joint partner? Therefore, Sir, it is not sufficient that for the sake of preventing unemployment only this industry should be taken over. If we do that, it means, we are taking the public fund of the State for wastage. Now Sir, we have heard similarly the condition of the Assam Hardboard Industry, Ashok Paper Mill and other industries. Sir, what are the reasons for closure of Ashok Paper Mill. I do not know how the Govt. can act. only with a view to prevent the unemployment? The sensible thinking would be

that before these industries are taken over, some sort of enquiry not only by the Industries department but also by the Assembly Committees should be done. Now if we restart the Ashok Paper Mill, we know that these machines were privately owned and also owned by the Govt of Bihar. The Project Report of Bihar Govt. discouraged installation of the Paper Mill and our Govt. the then Govt. and the officers at that time fell to the temptation offered by the Govt. of Bihar and those who owned those machines. Now Sir, when the Govt. is going to take over this Mill, then what will be the balance sheet that will be presented to the people and before this House. Are you just going to allow to take over all industries on the plea of preventing unemployment only? If that is the prime objective of Bill, I feel, it will be better to grant unemployment allowance to the people who are out of job from these industries. In that event, we will have to meet only the expenses and allowances of the unemployed people. When we take over, we not only pay salaries to the people who are unemployed, we will have to employ additional resources to maintain the industry which is losing to modernise the industry and also to show to the people that we are running this properly. Therefore, Sir, I feel that by this Bill the Govt. is going to become committed to run industries which have no future and which cannot be rejuvenated or which cannot be restarted. For instance,

Assam Hardboard Industry has been closed down and it is more than 10 years now. All the machinery have been rusted because no maintenance has been carried out. Therefore, Sir. it will be better for the Govt. to bring in another amendment in future so that these dead industry like Assam Hardboard when taken over should be restarted with new machineries; otherwise, the repairing cost will be more than the new machinery. Sir, these are some of the points. While this bill is passed, we should remember that the people of the State should not be involved in such wastage. Therefore, Sir, even if this bill is passed, I will request the Govt. that they should be very careful in selecting the industries which are meant for taking over. We must try to find out which industries can be revived. If the machinery complements of these industries are damaged to the extent of 50%, such industries should never be taken over. Instead, the unemployed people should be given allowance. If it is possible, Govt. should provide new machinery for these industries. The whole set up should be changed. Then only, there is some hope of recovering the investment that is to be carried out by the Govt. Therefore, Sir, with these few words, I criticise the main object of this bill;

Thank you.

শ্ৰীমথুৰা ডেকা—মাননীয় চেয়াৰমেন মহোদয়, আমাৰ উদ্যোগ সমূহৰ কথা কবলৈ গলে বহুত কথাই মনত পৰে। যেনেকৈ ভাৰত চৰকাৰে সময়ে সময়ে গধূৰ উদ্যোগৰ বিৰোধীতা কৰি অহা আমি দেখা পাওঁ। মহাত্মা গান্ধী

বিশেষকৈ গধূৰ উদ্যোগৰ আগ্ৰহী নাছিল, আছিল কুটিৰ শিল্পৰ পক্ষপাতি। কোনো কোনো কাৰণত তেলেঙ্গানা হত্যাৰ পিচত আমি দেখিবলৈ পাওঁ ভিলাই ৰুৰকেল্লাৰ নিচিনা কিছুমান নতুন নতুন উদ্যোগ ভাৰতত আৰম্ভ হোৱা দেখিবলৈ পাওঁ। ৰাজনৈতিক কাৰণত এনেকৈয়ে এটা দুটাকৈ ভাৰতবৰ্ষত বহুত উদ্যোগ আৰম্ভ হ'ল। আকৌ ভাৰতত নেহৰু চৰকাৰৰ পিচত ইন্দিৰা চৰকাৰৰ পিচত আহিল জনতা চৰকাৰ। তেওঁলোকে বুজি পালে কথাটোৰ গুৰি ক'ত? সেয়ে জনতা চৰকাৰে আকৌ গধূৰ উদ্যোগৰ পৰিবৰ্তে কুটীৰ উদ্যোগৰ জয়ধ্বনি দিবলৈ ধৰিলে। জনতা চৰকাৰৰ ৰাজত্বত যি কেইটা উদ্যোগ প্ৰতিষ্ঠা হ'ল সেই কেইটাও নোহোৱা হৈ গ'ল। এইটোৱেই হ'ল ভাৰতবৰ্ষৰ উদ্যোগৰ ইতিহাস।

এতিয়া আমি যি দেখিছোঁ আমাৰ অসমত উদ্যোগ বুলি ফিছাৰী ম'নে মাছ পোহা উদ্যোগলৈ অনা হ'ল। মুৰ্গী পোহাকো উদ্যোগৰ ভিতৰত ধৰা হ'ল। এইটো কি ধৰণৰ কথা হ'ল? আমি জনাত উদ্যোগ বেলেগ বেলেগ। জীৱৰ নাম আছে সেইদৰে উদ্যোগৰো নাম আছে গধূৰ আৰু কুটিৰ। মাছ পোহা আৰু মুৰ্গী পোহাক উদ্যোগৰ ভিতৰলৈ আনি উদ্যোগৰ জাতটোৱেই পৰিবৰ্ত্তন হ'ল নেকি? ইংলেণ্ডত ইন্ড্ৰাষ্টিয়েল ৰিভলিউচন আৰম্ভ হোৱাৰ পিচত দেখা গ'ল ইংলেণ্ডৰ উপৰিও গোটেই পৃথিৱী জুৰি বহুত উদ্যোগ গঢ়ি উঠিল কাৰণ মানুহৰ খেতি কৰিবলৈ পথাৰৰ মাটি নোহোৱা হ'ল, সকলো নোহোৱা হ'ল, মানুহৰ সংখ্যাও বাঢ়িল। কিন্তু জন সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিবলৈ ধৰিলে। জনসংখ্যা বঢ়াৰ লগে লগে মানুহে নিজৰ কাম এৰি এজনক খেতিত লগায় আনজনে উদ্যোগত সোমায় ললে শ্ৰমিক হিচাপে। এনে ভাৱেই গোটেই বিলাক মানুহ যাবলৈ আৰম্ভ কৰিলে। যি বিলাক মাটিহীন, কৰ্মহীন মানুহ সেই বিলাক বনুৱা হিচাপে উদ্যোগ সমূহত সোমাবলৈ ধৰিলে। চৰকাৰে এই বনুৱা সকলৰ নায্য দাবীৰ কাৰণে বিশেষ উদ্যোগৰ ব্যৱস্থা কৰিছে। এতিয়া কথা হ'ল এই উদ্যোগ বিলাকৰ পৰা সহজে ধন আহৰণ কৰিব পৰা যায় কেনেকৈ? য'ত উদ্যোগবিলাক গঢ়ি উঠিল তাত শ্ৰমিক সকল সদায় একেলগে কাম কৰে। তেওঁলোকৰ মাজত একতা আছিল কথাৰ মাজেৰে সমস্যাৰ মাজেৰে

সংঘ গঢ়ি উঠিল। তেওঁলোকে নিজেই নিজৰ প্ৰাপ্য উলিয়াই লব লাগিব। কিন্তু আমি দেখিছোঁ শ্ৰমিক সকলৰ শ্ৰমৰ বিনিময়ত মালিক সকলে ধন ঘটিবলৈ ধৰিলে। তেওঁলোকে ৮ বা ১০ ঘণ্টা কাম কৰি প্ৰাপ্য পূৰাকৈ নাপায়। তেওঁলোকৰ প্ৰাপ্যৰ পৰা তেওঁলোক সদায় বঞ্চিত। এইটো কিয় হবলৈ পাইছে? তেওঁলোকেও লাহে লাহে বুজি পাইছে তেওঁলোকৰ পৰিশ্ৰমৰ ধন বিলাক কলৈ গৈছে? এই চিন্তাধাৰাৰ পৰাই তেওঁলোকৰ যি সংগঠন সেই সংগঠন কপকপীয়া কৰি লব পাৰিছে। যেতিয়াই ভাৰতবৰ্ষত এই সংগঠন কপকপীয়া হোৱা দেখা গ'ল তেতিয়া মালিক সকলে ভয় খালে। আৰু দেখা গৈছে সেয়ে ঠায়ে ঠায়ে মালিক আৰু শ্ৰমিকৰ সংঘৰ্ষ হৈছে। যতেই শ্ৰমিকৰ উৎপত্তি কৰা হৈছে তাতেই সংঘৰ্ষ হৈছে। সেয়ে চৰকাৰে এই শ্ৰমিকৰ ওপৰত যি শোষণ সেই শোষণ বন্ধ কৰাৰ কাৰাৰ কাৰণে অলপ চেষ্টা কৰিব লগা হ'ল। যেতিয়াই শ্ৰমিক সকলে বনাচ বা দৰমহা আদি বৃদ্ধিৰ কাৰণে দাবী কৰে তেতিয়াই মালিক সকলে চিন্তা কৰে কাৰখানাটো জীয়াই ৰখাটো ভাল হবনে নহয়। যদি চৰকাৰৰ পৰা সাহায্য নাপায় বা সেই তেনে ধৰণৰ আশ্বাস বানীও নাপায় তেতিয়াই মালিক সকলে তলাবন্ধ কৰে। এই তলাবন্ধৰ কথা গোটেইবোৰ বাতৰি কাকতত পাব। আজি অ'ত এটা উদ্যোগ বন্ধ হ'ল, কাইলৈ দেখিব কৰবাত মালিকৰ লগত শ্ৰমিকৰ সংঘৰ্ষ।

আচলতে এই বাতৰি কাকতবোৰো ভাৰতৰ ডাঙৰ ডাঙৰ পুঁজিপতি সকলৰ দ্বাৰাই পৰিচালিত। এখন বাতৰি কাকত পৰিচালনা কৰিবলৈ হলে বহু টকাৰ প্ৰয়োজন। সেয়ে সাধাৰণ মানুহে নোৱাৰে। গতিকেই মালিক সকলেই চলায়। এতিয়ালৈকে আমাৰ দেশত চাহানীয়াৰৰ ৫৪ খন বাতৰি কাকত আছে। বিৰলাৰ কিমান আছে হিচাপটো মোৰ হাতত নাই। বাতৰি কাকত সমূহ যিহেতু পুঁজিপতি সকলৰ দ্বাৰা পৰিচালিত আমাৰ ৰাজনীতিও বাতৰি কাকতৰ যোগেদিয়েই পৰিচালিত হয়। প্ৰতিজন লিখা পঢ়া মানুহে বাতৰি পঢ়ে। এই বাতৰি সমূহে মানুহক এনে ভাৱে প্ৰভান্বিত কৰে যে কোনটো সত্য কোনটো অসত্য ধৰিবলৈ নোৱাৰি। বাতৰিত লিখাটোকে সত্য বুলি গ্ৰহণ কৰে। মেনকা গান্ধীৰ প্ৰচাৰ

চলাই ভাৰতৰ শ্ৰমিক আন্দোলনৰ প্ৰচাৰ বন্ধ কৰাই মূললক্ষ্য। আজি দেখিছো মেনকা গান্ধীৰ নাম কাকতত ওলাইছে। এই মেনকা গান্ধীক আমি ভয় কৰা নাই, তেওঁ নেতৃত্বও কৰিব নে'ৱাৰে কিন্তু তেওঁৰ নাম ছবিৰে সৈতে নানান কথাৰে সৈতে প্ৰচাৰ কৰিছে। কিন্তু সিদিনা চি. পি, এমৰ এটা বিৰাট সমাৱেশ ওলাল এই সমাৱেশৰ বাতৰি দিলে বৰ সৰুকৈ যাতে মন নকৰি নপঢ়িলেও হব। এই দুৰ্যোগৰ দিনত এনে এটা সমাবেশ লক্ষীমপুৰৰ পৰা ধুবুৰীলৈকে কত মানুহ গোটখালে উলিওৱা সহজ কথা নহয়। সচাকৈয়ে যে ইমান মানুহৰ সমাবেশ এটা হৈছে এইটো বাতৰি কাকতে স্বীকাৰ কৰিব খোজা নাই কিয় বুজি নাপাওঁ। মূল কথা বামপন্থী সকলৰ প্ৰচাৰ কৰি পুঁজিপতি গোষ্ঠীয়ে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিব নোৱাৰে। বামপন্থী ঐক্য, বামপন্থী আন্দোলন যি কোনো প্ৰকাৰে বাধা দিয়া এওঁলোকৰ কৰ্ত্তব্য হৈ পৰিছে। আজি আমাক অবৈধ কিয় কৰি আছে? অবৈধ ছাত্ৰ সকলে কৰা নাই। ইয়াৰ এটা জন্ম কাহিনী আছে। সেইটো হৈছে ক্লাচ ইণ্টাৰেষ্ট। উপাধ্যক্ষ মহোদয় যেতিয়া ভাৰতবৰ্ষত মাটিৰ ওপৰত চিলিং এক্ট ৰচনা কৰা হ'ল তেতিয়াই চিলিং আইনৰ অন্তৰালত এই আন্দোলনৰ জন্ম কাহিনী ৰচনা হ'ল। তাৰ পৰা ভাৰতবৰ্ষৰ জমিদাৰ সকলে এই আইন ব্যৰ্থ কৰাৰ বাবে নানা প্ৰকাৰে চেষ্টা দিবলৈ লাগিল। এই আন্দোলন কেনেকৈ হ'ল, কাৰখানাৰ মিল মালিক বিলাকে আগবাঢ়ি আহিল আৰু চৰকাৰৰ পৰাও তেওঁলোকে সহায় পালে। যেতিয়া চিলিং আইন ভাৰতবৰ্ষত হ'ল তেতিয়াৰ পৰা এই আন্দোলন অসমত হ'ল। প্ৰথম আঘাট পৰিল ব্ৰহ্মোত্তৰ সকলৰ ওপৰত আৰু দেবোত্তৰ মাটি ভোগ কৰা সকলৰ ওপৰত আৰু মহাজনৰ ওপৰত বৰ ডাঙৰ কোব পৰিল। কিয়নো সুদীৰ্ঘকাল এই মানুহবিলাকে ইংৰাজ চাহাৰ সকলক তোষামোদ কৰি মাটিৰ মালিকনা স্বত্ব লৈছিল, নামতে বিনা পৰিশ্ৰমতেই অৰ্জন খাই আছিল। তেওঁলোকৰ বহুতেই চিলিং আইনৰ বিৰুদ্ধে আদালতৰ ওচৰলৈ গৈ দুই এজন জমিদাৰে হাইকোৰ্ট, চুপ্ৰিম কোৰ্টৰ ওচৰলৈও গ'ল কিন্তু একো নহ'ল। চিলিং আইন পাচ হোৱাৰ পাচত আৰু এখন নতুন আইন ৰচনা হ'ল সেইখন হ'ল প্ৰজাস্বত্ত আইন।

প্ৰজাস্বত্ত আইনত মাননীয় ৰাজহ মন্ত্ৰীয়ে যি প্ৰতিশ্ৰুতি দিছে সেই মতে যদি পট্টন পায় আৰু মালিকীস্বত্ব পালে ঘটনা আৰু ভয়াবহ হব। মাটি খাই থকা সকলে মাটি দাবী কৰিলে নিজৰ মাটি পালে হিচাপে। মাটিৰ মালিক কৃষক হ'ল। তেতিয়া মালিক সকল আৰু জমিদাৰ সকল চিন্তাত পৰিল। এই মাটি পট্টন দিয়াৰ আন্দোলনটো আমি কমিউনিষ্ট সকলে আৰম্ভ কৰিছিলো, আমাৰ আন্দোলনৰ ফলতে আজি মাটিৰ চিলিং হ'ল, প্ৰজাস্বত্ব আইন হ'ল, প্ৰকাশ্য জমিদাৰ শেষ হ'ল। কিন্তু আমি বিফল হলো। ছাত্ৰ সকলৰ যি আন্দোলন গঢ়ি উঠিছিল প্ৰকৃততে সেই আন্দোলন আমাৰ আছিল। আমি আমাৰ সংগঠন প্ৰচাৰৰ দুৰ্বলতাত ধৰি ৰাখিব নোৱাৰিলো। আমাৰ পৰা আন্দোলন গুচি গ'ল। ৰাজ্যখনত নিবনুৱা সমস্যা আৰম্ভ হ'ল। আকৌ নিবনুৱা সমস্যাৰ পৰা এই আন্দোলনৰ সৃষ্টি হ'ল। তেতিয়া আন্দোলনটো ধনীক শ্ৰেণীৰ হাতলৈ গুচি হ'ল। আমি ধৰি ৰাখিব নোৱাৰিলো। ঠিক সেইদৰে আজি পঞ্জাবতো হিন্দু আৰু শিখৰ মাজত আন্দোলন হৈছে। নিবনুৱা সকলে যেতিয়া অসমত আন্দোলন আৰম্ভ কৰিলে সেই আন্দোলন ক্ৰমান্বয়ে পুঁজিপতিৰ হাতলৈ গুচি গ'ল আৰু সেইদৰে আন্দোলন বাঢ়ি গৈ থাকিল। ছাত্ৰ সকলক ইয়াত জৰিত কৰা হ'ল। তেওঁলোকে আন্দোলন ভাল পায় কাৰণ স্কুল চুটি হলে, পৰীক্ষা নহলে ভাল পায়। অৱশ্যে দুই এজন তেনেকুৱা নহয়। সেই কাৰণে আজি নিবনুৱা সকলক নিযুক্তি দিয়াৰ কিছুমান বুদ্ধি আৰু কৌশল উলিয়াব লগা হয়। নিবনুৱা সমস্যা দমন কৰিবলৈ ছাত্ৰ সকলক হাতৰ মুঠিত আনিবলৈ বুদ্ধি উলিয়ালে - কুৰিদফীয়া আচনি কৰিলে আৰু এই আচনিৰ জৰিয়তে ২৫ হাজাৰ টকাকৈ দিয়াৰ এটা আথৰা চলিল। ছাত্ৰ সকলৰ মাজত এই টকাখিনি পাবলৈ দৌৰা দৌৰি লাগিল। হয়তো কোনোবাই পাবও পাৰে কোনোবাই নাপাবও পাৰে। এতিয়া এই টকাতো ইণ্ডাষ্ট্ৰিৰ পৰা ফিচাৰি, গেলামাল পৰ্য্যন্ত আৰম্ভ হ'ল। ডেকা সকলে নিযুক্তি পোৱাত আমাৰ আপত্তি নাই। তেওঁলোকে তেওঁলোকৰ উপাৰ্জনৰ পথ যি কোনো প্ৰকাৰে উলিওৱাটো আমি ভাল পাইছো। আজি উদ্যোগ বিলাক হৈছে আৰু এই উদ্যোগ বিলাকত যেতিয়া শ্ৰমিক সকলৰ সংঘৰ্ষ

আছে তেতিয়া নানা ৰকমৰ কাৰ্য্য দেখুৱাই, কাৰখানাৰ মেচিনাৰীৰ দোষ দেখুৱাই কিছু কৰ্মচাৰী আতৰাব কাৰণ নহলে তেওঁলোকৰ লাভ নহয়। কম কৰ্মচাৰীৰ দ্বাৰা তেওঁলোকে অধিক উৎপাদন কৰিবলৈ বিচাৰে। এইটোও হ'ল এটা কাৰণ। আৰু কিছুমান হ'ল ভাৰতবৰ্ষত মিল মালিক সকলে পৰিশ্ৰম নকৰাকৈ ধন ঘটাৰ এটা কথাই চিন্তা কৰে যে যদি তেওঁলোকে চৰকাৰী বিষয়াবৰ্গক হাতৰ মুঠিত ৰাখিব পাৰে তেনেহলে তেতিয়া তেওঁলোকে সহজতে বিনা পৰিশ্ৰমতেই কিছু ধন ঘটাৰ ব্যৱস্থা কৰিব পাৰে। ধৰক অসমত এটা উদ্যোগ বহুওৱাৰ কাৰণে চেষ্টা কৰিছে। ধৰক চিমেণ্ট কাৰখানা এটা অসমত হব। যি জন মালিক তেওঁ চিমেণ্ট বিভাগৰ পৰা লাইচেন্স লৈ কাম আৰম্ভ কৰিলে। তাৰ পাচত চৰকাৰৰ ডাঙৰ ডাঙৰ বিভাগৰ বিষয়া সকলক হাত কৰি তেওঁলোকৰ পৰা চৰকাৰী মাটিবাৰী, কাৰখানাৰ বাবে সকলো ক্ষমতা চমজাই ললে। এইদৰে তেওঁলোকে উদ্যোগটো আৰম্ভ কৰিলে। পিচত ধুমুহা, ঘূৰ্ণী বতাহত সেই কাৰখানাটো ভাঙিল বুলি, শেষ হৈ গ'ল বুলি ইত্যাদি কাৰণ দেখুৱাই দৰ্খাস্ত দিলে চৰকাৰী বিষয়া সকলৰ সহযোগত পূৰ্বৰ ধাৰ খকুব কৰা হ'ল। পুনৰ চৰকাৰৰ পৰা ধাৰ ললে। আৰু যদি ৫ লাখ টকা পালে তাৰ ১ লাখ টকা বিষয়াবৰ্গৰ মাজত ঢালি দিলে। সেইদৰে অন্ধকাৰ ব্যৱসায় এটা তলে তলে চলি থাকে। বিষয়া বৰ্গই কাৰখানালৈ নোযোৱাকৈ বাহিৰে বাহিৰেই ৰিপোৰ্ট দিয়ে যে যদি আৰু টকা দি সহায় নকৰে তেতিয়া ইণ্ডাষ্ট্ৰিটো ধ্বংস হৈ যাব। গতিকে আৰু ৫ লাখ মান টকা দিবলৈ অনুমোদন জনায়। এনেধৰণে উচ্চ বিষয়া বৰ্গৰ লগত কাৰখানাৰ মালিকৰ কাৰবাৰ বিলাক চলি আছে। আমাৰ বনস্পতি কাৰখানাটোৰ কাষতেই এটা ইটাভাটা আছে। চৰকাৰৰ পৰা টকা লৈছিল। এই বিলাক বুদ্ধি বাহিৰা মানুহে বেচি জানে। দুই এজন অসমীয়া মানুহেও শিকিছে। এনেভাৱে পুঁজিপতি সকলৰ ব্যৱসায় চলি থাকে। তাৰোপৰি বছৰি বছৰি আমাৰ ইয়াত যিবিলাক ধুমুহা, বানপানী ইত্যাদি হৈ থাকে সেই বিলাকৰ সুবিধা চৰকাৰৰ পৰা লৈ কিছু টকা আদায় কৰি থাকে। এইটো স্বকীয়া মূলধন গঢ়াৰ আন এটা ব্যৱস্থা। তেওঁলোকৰ উদ্দেশ্যটো

উদ্যোগ গঢ়াটো নহয়। তেওঁলোকৰ উদ্দেশ্য হ'ল এই উদ্যোগৰ সুবিধা লৈ চৰকাৰৰ পৰা কেনেকৈ চাবচিডি আনিব পাৰি বা আদায় কৰিব পাৰি আৰু পূৰ্বৰ ধাৰ খকুব কৰিব পাৰি।

অধ্যক্ষ মহোদয়, এনে ভা'ব্ৰ কোটি কোটি টকা এক শ্ৰেণীৰ মানুহে চৰকাৰৰ পৰা লৈ আছে। উদ্যোগৰ প্ৰতি তেওঁলোকৰ দায়িত্ব নাই। আজি যি বিলাক উদোগ অচল হৈ আছে তাত কাৰিকৰী বিষয়া সকলৰ দ্বাৰা পৰীক্ষা কৰি দেখা গৈছে যে কাৰখানাৰ মেচিন পত্ৰ বিলাক ঠিক নহয়। পুৰণা। নতুন নাই। এই ৰিপোৰ্ট আহি ওলায়। তেওঁলোকে কাৰখানাৰ কাৰণে ভাল মেচিন লাগে বুলি জানে। কিন্তু কথা হ'ল যেতিয়া শ্ৰমিক সংঘৰ্ষ বা আন কিবা পৰ্য্যায় আহে তেতিয়া ভাৰতবৰ্ষ নহয় পৃথিবীৰ সকলোতে দেখা যায় তেওঁলোকৰ তাত ৰাপ নাই। উদ্যোগ-পতি সকলে চৰকাৰী ডা-ডাঙৰীয়াসকলৰ লগত লগ লাগি এইটো কৰে অচলা অৱস্থা কৰি পেলায়। অশোক কাগজ কলৰ পৰা দিল্লীৰ পৰা আহি কোনোবাই বহুত কাগজ লৈ যোৱা আমি কব পাৰো। বহু হাজাৰ টকাৰ কাগজ লৈ গ'ল কিন্তু পইচা নিদিলে। কোনে ধৰে। ভাৰতৰ ডাঙৰ ডাঙৰ মানুহ তাত জৰিত। এনেকুৱা ক্ষেত্ৰত উদ্যোগ কেতিয়াও আশা কৰিব নোৱাৰি। এই পৰিচালনাৰ যিটো চৰকাৰী দিশ সেইটো চাব লাগে। চৰকাৰে চিন্তা কৰিব লাগে। তাৰ কাৰণে দৰকাৰ হলে কৰ্মী সকলৰ পৰা বাচি লৈ ট্ৰেইনিং দি অনাৰ লাগে। সচিবালয়ৰ পৰা আই-এ-এচ বিষয়া, ডিৰেক্টৰ কৰি দিলেই সমস্যাৰ শেষ নহয়। নট-বল্টু কিবা নহয় কিবা বেয়া হৈ থাকে। ড্ৰাইভাৰে খবৰ দিয়ে সদায় কিবা বেয়া হয়। মইতো নিজে নাজানো। ধৈৰ্য্য ধৰি থাকিব নোৱাৰি এদিন আটাইকেইখনকে বিক্ৰী কৰি দিলো। দৰ দাম নকৰিলো যি দিলে তাকেই ললো। গতিকে নিজে মেকানিজিম নাজানিলে তেনে অৱস্থাই হয়। মাৰোৱাৰী বিলাকে কাৰিকৰী দিশটো নিজে জানে। শিকি লয় আৰু সেই মতে উদ্যোগ চলায়। আমাৰ চৰকাৰে জনা লোক তৈয়াৰ কৰিব লাগিব; উদ্যোগৰ লগে লগে কাৰিকৰী দিশ জনা লোক তৈয়াৰ কৰি লব লাগিব। বিষয়া বৰ্গক দেখিছো ঘূৰাই

ফুৰালে কাৰিকৰী দিশৰ পৰিবৰ্ত্তন নহয়। সেই কাৰণেই এই পাবলিক চেক্টৰ বিলাকত কেবোণ সোমাই পৰে। উদ্যোগৰ নামত মহাজন আহি সোমাই পৰে। কথা হ'ল এইটো এটা ক্ষেত্ৰ য'ত মহাজন সকলোৱে শোষণ কৰিবলৈ সুবিধা পায়। চৰকাৰে জাতীয়কৰণ কৰিলে তেতিয়া-হ'লে এই উদ্যোগৰ চেহেৰা বদলি যাব। আমি বিধান সভাত প্ৰশ্নোত্তৰ কালত শুনিবলৈ পাইছো দুই এঠাইত উদ্যোগ স্থাপন নহওঁতেই কৰ্মচাৰী নিয়োগ কৰা হয়। এই বিলাক পৰিচালনাৰ ভূল আৰু সেই কাৰণেই সকলো নাইকীয়া হৈ যায়। আমাৰ বন্ধু মাননীয় শ্ৰীহেমেন দাস আৰু পূৰ্ণ বড়ো ডাঙৰীয়াই সকলো তথ্যপাতিৰে সৈতে দাঙি ধৰিছে। মই কেৱল কি ইণ্ডাষ্ট্ৰি কি হৈছে সিহঁত বিলাক তথ্যপাতিলৈ নগৈ ওপৰে ওপৰে কিছুমান কথা কৈছো যি বিলাক প্ৰত্যেক উদ্যোগৰ ক্ষেত্ৰতে প্ৰযোজ্য বুলি কব পাৰি আৰু উদ্যোগ মৰি যোৱাৰ মূলতে এই বিলাক কথাই ঘাইকৈ চাবলগীয়া হৈছে। আমাৰ ইয়াতে কাগজ কাৰখানাৰ কাৰণে কৰ্মচাৰী লোৱাৰ কথা শুনিছো। কিন্তু দেখা গৈছে যে অসম চৰকাৰে পঢ়ুৱাই অনা লোক সকল বঞ্চিত হৈছে। অন্য ঠাইৰ পৰা অহা লোক সকল সেই ঠাইত সোমাই পৰিছে। এনেকুৱা হলে আকৌ আন্দোলনৰ সুবিধা দিয়া হব। বাহিৰৰ পৰা মানুহে চাৰ্টিফিকেট বাহিৰৰ পৰা সস্তীয়া চাৰ্টিফিকেট লৈ আছে আৰু আমাৰ ইয়াত বৰ বেছি গুৰুত্ব দিয়া হয়, আগতে বাহিৰৰ মানুহে অসমত বেছি প্ৰভুত্ব কৰা কাগজে পত্ৰে ওলাইছিল। সেয়ে নতুন কাগজ কলৰ ক্ষেত্ৰত যাতে এই বেমাৰ নালাগে আৰু বিপদগ্ৰস্ত হব নালাগে তাৰ বাবে এতিয়াই চিন্তা কৰিব লাগে বুলি মই জনাই ৰাখিছো। এতিয়া আমি কেনে ভাৱে উদ্যোগ কৰিম আৰু উদ্যোগৰ দ্বাৰা কি ভাৱে নিবনুৱা সমস্যা সমাধান কৰিম সেইটো কথা চিন্তা কৰিব লাগে। নিবনুৱা সমস্যা বাঢ়ি গৈছে। এই ধৰণে পচিশ হাজাৰ টকা ধাৰ দি আৰু পঞ্চাশ টকা বৃত্তি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। ক্ৰমান্বয়ে বাঢ়ি গৈছে। বছৰে বছৰে বাঢ়ি যায় আছে। চৰকাৰৰ ফালৰ পৰা নিযুক্তিৰ সংখ্যা সেই হাৰত বঢ়াই দিব পৰা নাই। শতকৰা এক অংশও কৰিব পৰা নাই এই

নিবনুৱা নিযুক্তি দিবলৈ হলে সুস্থিৰ পৰিকল্পনা হব লাগিব। চৰকাৰী খণ্ডত উদ্যোগ কিছুমান গঢ়ি উঠিব লাগিব আৰু চৰকাৰৰ তৰফৰ পৰা ধাৰ দি যি সকলে উদ্যোগ প্ৰতিস্থা কৰিছে সেই সকলৰ প্ৰতি নজৰ ৰাখিব লাগিব। তাৰ কাৰণে ট্ৰেইনিং দি আনিব লাগিব। কিয়নো কেৱল মুৰ্গী বা ফিচাৰি লোন দিয়া সকলৰ কাৰণেও বাৰ চৈধ্য দিনৰ ট্ৰেইনিং দি অনা হয়। তেনে ক্ষেত্ৰত ইমান ডাঙৰ উদ্যোগ স্থাপন কৰাৰ কাৰণে ঋণ দিয়াৰ পিচত ট্ৰেইনিং দিয়া নিতান্ত আৱশ্যক। মাৰোৱাৰী সকলৰ উদ্যোগ বন্ধ নহয় কিয়নো তেওঁলোকৰ কাৰিকৰী জ্ঞান আছে। তেওঁলোকে চৰকাৰৰ পৰা ট্ৰেইনিং লৈ আহিব নালাগে। ক'ত কি হৈছে মেচিনৰ সকলো বিলাক কাম জানে। সেই কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যেন অচল হৈ থকা উদ্যোগ বিলাকৰ ক্ষেত্ৰত পুনৰ জাগ্ৰত কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিব আৰু কেৱল চৰকাৰী সাহায্য দিয়াই কাম বুলি গণ্য কৰি উদ্যোগ সমূহক বেমাৰি কৰি নেপেলায়। কেৱল চৰকাৰী সাহায্য দি জীৱিত কৰিবলৈ যোৱাৰ লগতে কাৰিকৰী দিশটো উদ্ঘাটন কৰি কেতিয়াও যাতে উদ্যোগ মৰিব নোৱাৰে তাৰ দিহা কৰিব লাগে। চাৰচিডি চৰকাৰী বিষয়া সকলৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে। কেইজনমান মন্ত্ৰীয়েও ইয়াৰ ভাগ লয় বুলি শুনিছো। মুখ্য মন্ত্ৰীয়ে লোৱা বুলি গম পোৱা নাই। এই বিলাক কথাৰ প্ৰতি মই উদ্যোগ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

আমাৰ কুটীৰ শিল্প যিটো আছে তাৰ প্ৰতি চৰকাৰে মনোযোগ দিব লাগে। আমাৰ ঘৰুৱা শিল্প বোলোতে বাঁহ-বেটৰ কামকে আৰম্ভ কৰি বহুত শিল্প আছে। এই বিলাকত চৰকাৰে সা-সুবিধা দি মানুহ জীয়াই থকাৰ ব্যৱস্থা দিব লাগে। অকল বাঁহ-বেটৰ কামৰ দ্বাৰাই মানুহ জীয়াই থাকিব নোৱাৰে। যি বিলাক শিল্পৰ দ্বাৰা মানুহ জীয়াই থাকিব পাৰে সেই বিলাকৰ সা সুবিধা চৰকাৰে কৰি দিব লাগে। মই এই খিনিকে কৈ সামৰণি মাৰিলো।

* শ্ৰীকেশৱ চন্দ্ৰ গগৈ—মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ ওপৰত মাননীয়

Speech not corrected

সদস্য সকলে যি খিনি পৰামৰ্শ আগবঢ়ালে আৰু যি খিনি কথা কলে তাৰ বাবে মই তেখেত সকলক আন্তৰিক ধন্যবাদ জনাইছো। যি খন আইন হৈছে ইয়াৰ উদ্দেশ্য কি? এইটো চাবলৈ হলে আমি চাব লাগিব আইনৰ প্ৰিয়েমবুল আৰু ষ্টেটমেণ্ট অব অবজেকচনটো। তেতিয়াহে এই কথাটো স্পষ্ট হব। ইয়াত আছে–

Whereas it is expedient to take steps to enable the State Government to make special provisions for a limited period in respect cf industrial relations, financial obligations and other l'ke matters in relation to industrial undertakings the running of which is con sidered as a measure of prevention or providing relief against unemployment, ষ্টেট মেণ্ট অব অবজেক্টত দেখিব– in some cases the State Govt. have, advanced loans to these undertakings or guaranteed the loans given by banks to such undertakings. In order to enable the State Government to revive and restart these industrial undertakings and operate them efficiently and thereby provide employment to a large number of workers, it is essential that the State Govt. should have suitable powers to free the industrial undertakings for a short period from certain financial obligations incurred in the past and to exempt from the scope of certain labour laws. The Bill provides for such powers being vested in the State Govt. চৰকাৰী কোম্পানীৰ ব্যাখ্যাত আছে Industrial Undertaking means an industrial undertaking which is started or which or the management of which is under any law or agreement acquired or otherwise taken over by the State Govt. or by a Govt. Company

and is run or proposed to be run by or under the authority of the State Government or a Govt. Company, to which any loan, advance, or grant has been given or in respect of any loan whereof a guarantee has been given by the State Govt. or a Government Company.

এতিয়া এই যিখন আইন কৰিবলৈ লৈছো তাৰ উদ্দেশ্য মই কৈ ছোৱেই। এই আইনখনত যি ধাৰা সন্নিবিষ্ট কৰা হৈছে সেইটো হৈছে আগুৱা টেকিং যি বিলাক চৰকাৰে চলাইছে, যি বিলাক বন্ধ হৈ গৈছে, সেইটো পুনৰ চলাবলগীয়া হৈছে। তেনেকুৱা উদ্যোগৰ ক্ষেত্ৰতহে কৰা হৈছে। শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছো অৱশ্যে সেই কথাটো সদনত বহুত বাৰ আলোচনা হৈ গৈছে যে অশোক পেপাৰ মিলটো চৰকাৰে লব লাগে কাৰণ তাত চৰকাৰৰ টকা সোমাই আছে। সদনত কোৱা হৈছে যে বিহাৰৰ দ্বাৰভাঙ্গাৰ এজন মহাজনৰ এই পেপাৰ মিলটো। অৱশ্যে এই মেচিনাৰী বিলাক মহাজন জনেই আনিছিল। তাৰে এভাগ দ্বাৰভাঙ্গাত থাকিল আৰু এভাগ যোগীঘোপালৈ আহিল। মোৰ হাতত থকা তথ্য মতে এই পেপাৰ মিলটোৱে আৰম্ভনীৰ পৰাই লাভৰ মুখ দেখুৱাব পৰা নাই। এই মিলটো আমি জীয়াই ৰাখিব লাগিব। কাৰণ ইয়াত যি পেপাৰ উৎপন্ন হয় সেই পেপাৰ ভাৰতবৰ্ষৰ ভিতৰতেই ভাল। ইয়াত বহুত শ্ৰমিক, বনুৱাই কাম কৰি আছে। এই আইনখন আগতে অসমত নাছিল। ভাৰত চৰকাৰৰ এইখন আইন আছিল। ভাৰতৰ যিখন আইন সেই আইন মতেই আমি কেইটামান উদ্যোগ লৈছো। শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই এই কথা উল্লেখ কৰি গৈছে। সেইটো হৈছে চন্দ্ৰপুৰৰ কেমিকেল ইউনিট। ইয়াত দুটা ভাগ আছে। এটা হৈছে টেক্সটাইল আৰু আনটো হৈছে কেমিকেল। কেমিকেলৰ কাৰণে আমি বাহিৰৰ পৰা কেচা মাল আনিব লাগে। আমি প্ৰথমতে ৫।৪ বছৰৰ কাৰণে চলাবলৈ লৈছিলো। এতিয়া আমাক এবছৰ এবছৰকৈ দি আছে। আমি ইয়াৰ পৰা বিশেষ লাভ কৰিব পৰা নাই। আমি অশোক পেপাৰ মিলটো

জীয়াই ৰাখিব বিচাৰিছো অশোক পেপাৰ মিলৰ কাৰণে যি বিলাক লোকে টকা ধাৰে দিছিল সেই সকলে টকা ঘূৰাই পোৱাৰ কাৰণে কলিকতাৰ উচ্চ ন্যায়ালয়ত কেচ কৰে। আমি এই টকা দি কেচ মিটমাত কৰিবলগীয়া হয়। আগতে যি বিলাক বেংকে টকা ধাৰে দিছিল সেই বিলাক বেংকেও আমাক কলে যে তোমালোকে যদি এইটো আণ্ডাৰ টেকিং নকৰা তেতিয়াহলে আমি টকা নিদিও। তাৰ কাৰণেই এই আইন কৰিবলগীয়া হৈছে। যোৱা ফেব্ৰুৱাৰী মাহত যি আলোচনা দিল্লীত হৈছিল সেই আলোচনাতে আই ডি পি আইয়ে টকা দিবলৈ আগবাঢ়িছে। মাননীয় সদস্য সকলে কোৱাৰ দৰে মেচিনাৰী ভাল কৰিব লাগিব, সম্প্ৰসাৰণ কৰিব লাগিব এই বিলাক কথা সঁচা। ইয়াৰ কাৰণেই ৫৮ কোটি টকাৰ প্ৰয়োজন।

এই উদ্যোগটো পুনৰ জীৱিত কৰাৰ কাৰণে ৫৮ কোটি টকাৰ দৰকাৰ হব আৰু ইয়াৰে ২৭ কোটি টকা আই, ডি, বি, আইয়ে দিব। তাকে কৰিবলৈ গৈ আজি আমি এই আইনখন উত্থাপন কৰিব লগা হৈছে আৰু আমি এইটো কেৱল চৰকাৰী খণ্ডতহে কৰিবলৈ লৈছো। এই আইনখন আমি ইয়াৰ কাৰণেই লব লগা হ'ল যাতে আমি অন্ততঃ কিছুদিনৰ কাৰণে সেই মৃত্যুমুখী উদ্যোগটো জীয়াই ৰাখিব পাৰো। অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা কও—আমাৰ বহুতো সদস্যই আক্ষেপ কৰিছে ইয়াৰ ফলত আগৰ কৰ্মীসকলৰ জীৱিকা নাইকীয়া হৈ যাব নেকি? কিন্তু মই এইটো সদনক আশ্বাস দিব পাৰো যে সেই কৰ্মী সকলক পুনৰ কামত নিয়োগ কৰা হব, তেওঁলোকৰ কোনো অসুবিধা নহয়। আমি যেতিয়া নোটিফিকেশ্যন কৰিম তেতিয়া এটা কথা ভালকৈ লক্ষ্য কৰিম যাতে কোনোমতেই শ্ৰমিক সকল অসুবিধাত নপৰে আৰু আন এম্পলইমেন্টৰ সৃষ্টি নহয়।

আমাৰ মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই কেইটামান কথা কৈছে যেনে—শ্ৰমিক চাটাই হৈ যোৱা, চন্দ্ৰপুৰৰ উদ্যোগৰ কথা আৰু কিছুমান বন্ধ হৈ যোৱা উদ্যোগৰ কথা কৈছে। অধ্যক্ষ মহোদয়, তেখেতে যিবোৰ কথা কৈছে সেইবোৰ আজি আমাৰ যিখন ৰিলিফ বিল তাৰ গন্দিৰ ভিতৰত

নপাৰে। তথাপিও তেখেতে উল্লেখ কৰা বিষয় কেইটাৰ বিষয়ে চৰকাৰে মনোযোগ দিব।

মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই পুঁজিপতিৰ বিষয়ে কৈছে। অৱশ্যে তেখেতে কৈছে যে অসমত তেনেকুৱা পুঁজিপতিৰ প্ৰভাৱ নাই। তেখেতে তিনিচুকীয়াৰ এটা উদ্যোগৰ বিষয়ে কৈছে। এই উদ্যোগটো চলিবলৈ হলে আমাৰ কেচামাল আৰু বজাৰৰ আৱশ্যক হয়। কিন্তু এই উদ্যোগটো চিমেণ্টৰ অভাৱৰ কাৰণেহে জীয়াই নাথাকিল। ইয়াৰ বাহিৰেও শ্ৰীদাস ডাঙৰীয়াই যি কেইটা পৰামৰ্শ আগবঢ়াইছে, সেইকেইটা আমি বিবেচনা কৰি চাম আৰু ব্যৱস্থা হাতত লম। তেখেতে অসম ফাইনেন্সিয়েল কৰ্পোৰেশ্যনৰ কথা কৈছে। তেওঁলোকৰ নিজা গাইড লাইন আছে আৰু সেইমতে কাম কৰে। তেখেতে আৰু কিছুমান কৰ্পোৰেশ্যনৰ কথা কৈছে আৰু তাৰে লগতে সেইবোৰৰ সভাপতিৰ বিষয়েও উল্লেখ কৰিছে। এই কৰ্পোৰেশ্যনবোৰত একোখনকৈ বোৰ্ড অব ডিৰেক্টৰচ আছে। সেইমতে তেওঁলোকে তাৰ কাম চলায়। এই কৰ্পোৰেশ্যনবোৰত একোজনকৈ মেনেজিং ডিৰেক্টৰ আছে, তেওঁলোকে তাৰ কাম চোৱা চিতা কৰে। শ্ৰীদাস ডাঙৰীয়াই অসম টি কৰ্পোৰেশ্যনৰ বিষয়েও কৈছে যে তেওঁলোকে লেবাৰৰ প্ৰভিডেণ্ট ফান্দৰ টকা দিব নোৱাৰাৰ বিষয়ে। এই বিষয়টো লৈ ইতিমধ্যে আমাৰ শ্ৰম মন্ত্ৰীয়ে সেই কৰ্পোৰেশ্যনলৈ চিঠি পত্ৰেৰে যোগাযোগ কৰিছে। ইয়াৰ মাজতে তেওঁলোকক কিছু টকা দিয়া হৈছে আৰু বাকী যিখিনি টকা দিবলৈ আছে তাৰো ব্যৱস্থা হাতত লোৱা হৈছে।

আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াইও অসম গ্লাছ ইন্দাষ্ট্ৰি কেনেকৈ কামাখ্যা ইন্দাষ্ট্ৰিয়ে গ্ৰাস কৰিলে সেই বিষয়ে কৈছে। এই ঘটনাটো কেনেকৈ হবলৈ পালে সেইটো আমি বিচাৰ কৰি চায় তাৰ ব্যৱস্থা হাতত লম। এইখিনিতে মই তেখেতৰ এটা কথাৰ উত্তৰ দি থওঁ যে অসম হাৰ্ড বোৰ্ড ইন্দাষ্ট্ৰিটো চৰকাৰে পুনৰ খুলিবৰ কাৰণে ব্যৱস্থা হাতত লৈছে আৰু আমি যদি এই উদ্যোগটো পুনৰ খুলিব পাৰো তেনেহলে আমাৰ বহুতো মানুহৰ নিযুক্তিত সুবিধা হব। এই

উদ্যোগটোৱে বিদ্যুৎ বিভাগক ৭ লাখ টকা টকা দিবলৈ বাকী থকাৰ কাৰণে তেওঁলোকৰ ওপৰত গোচৰ তৰিছে। এই গোচৰ বিদ্যুৎ বিভাগৰ লগত মোকাবিলা কৰি উদ্যোগটো পুনৰ জীৱিত কৰা হব। শ্ৰীবসুমতাৰী ডাঙৰীয়াই অসম গ্লাচ ফেক্টৰীৰ বিষয়ে যি অভিযোগ আনিছে সেই বিষয়ে কবলৈ হলে কব লাগিব যে এই উদ্যোগটোৰ মালিক আছিল "অসম মিনাৰেল ডেভেলপমেণ্ট কৰ্পোৰেশ্যন"। এই কৰ্পোৰেশ্যনৰ জৰিয়তে সেই বিষয়ে ব্যৱস্থা লোৱাৰ কথা আমি চিন্তা কৰিম।

আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই কেইবাটাও উপদেশ-মূলক কথা কলে। তেখেতৰ কথাবোৰ মোৰ মনত থাকিব। আমি যিহেতু আজিৰ এই বিলখন আমাৰ যিবিলাক মৃত্যুমুখী উদ্যোগ, সেইবিলাকক পুনৰ জীৱিত কৰাৰ কাৰণে উত্থাপন কৰিছো আৰু যাতে এই উদ্যোগবোৰ পুনৰ মৃত্যুমুখত নপৰে তাক সহায় কৰিবৰ কাৰণে এই সদনত উত্থাপন কৰিব লগা হ'ল। গতিকে মই সকলো সদস্যকে অনুৰোধ জনাও যাতে এই আইনখনত সকলোৱে পূৰ্ণ সমৰ্থন আগবঢ়াই। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker – Now, I put the main motion. The motion is that the Assam State Industrial Relief Undertakings (Special Provisions) Bill, 1984 be taken into consideration.

(The motion is adopted).

Now, Item No: 7 (b). There is no amendment. So, I put the motion that the clauses (II) to (IX) and the schedule of the bill do form part of the Bill.

The Clauses (II) to (IX) and the schedule form part of the bill.

Now, I put Clause (I), preamble, enacting formula and short title of the bill.

Clause (I) preamble enacting formula and short title of the bill do form part of the bill.

Clause (I), preamble, enacting formula and short title form part of the bill.

Now, Item No. 7 (C).

Shri Keshab Chandra Gogoi ( Minister)—Sir, I beg to move that the Assam State Industrial Relief Undertakings ( Special provisions ) Bill, 1984, be passed.

Mr. Speaker – Now, I put the motion before the House that the Assam State Industrial Relief Undertakings ( Special provisions ) Bill 1984, be passed.

( The motion is passed. The bill is passed. )

Now, Item No. 8 (a).

Shri Rameswar Dhanowar ( Minister )—Sir, I beg to move that the Assam Tea Plantations Provident Fund ( And Pension Fund ) Scheme ( Amendment ) Bill, 1984, be taken into consideration.

Shri Binoy Kumar Basumatary—Sir, this is again a bill which says that certain amendments of the existing sections and insertion of certain new sections are necessary for providing life insurance coverage to the lives of the employees of the tea estates in Assam. Sir, this is a new trend which we must congratulate the Govt. Sir, the conditions of the labourers in the Tea Estates are at present so bad that not only this insurance scheme will improve their conditions,, they should

also be given some other benefits and encouragements so that they can pursue their normal methods of livelihood. Sir, why is it necessary to provide life insurance coverage to the lives of the employees of the Tea Estates? If one goes to the Tea gardens, then one will see that in the Tea Estates there are innumerable trees and just near these trees dangerous snakes are found and these snakes bite these people when they are working. Sir, I have seen with my own eyes how these dangerous snakes take their lives very frequently. Of course, Sir, some of the labourers consume the snakes. They have certain devices and methods also to catch these snakes. But even then these snakes take many of their lives. Secondly, Sir, there are lot of illicit distilleries and bars in the Tea Estates and the labourers are very much addicted to liquors. Sir, why are they addicted to liquors and why do they spend their entire earnings in it? There are reasons for that and everybody knows that these labourers are to work very hard right from the early morning till sundown. Actually, Sir, they start their work from 6. a.m. in the morning. We find that they get up from bed right at 4 a. m. and start their work as early as possible because the system of payment is such that the amount of work they will do, the amount of payment will be made accordingly. Therefore, Sir, they have to work hard and as a result of that they go to the illicit bars for relaxation. They

get tired after a days hard work and therefore they want to take liquors. Throughout the year they are to work – during summer they are to go in for planting and then plucking and during wirter they work in pruning tea-bushes. So, Sir, the liquors tea away their lives. Many of the labourers become the victims of various deseases—their lever and spleen get damaged and ultimately they cannot survive. This is the position. Therefore, Sir, they should be given more benefits. Sir, tea garden managements never think for their welfare, though they are earning profits. As you know, Sir, the tea industry in our country is the highest foreign exchange earner. Though Keneya and Celyon are also producing tea but the quality of our tea is better and its demand in the world market is very high. There is another important aspect, Sir, and I would like to inform the House that in the management not a single educated labour children is provided. Even, we find that in the clerical staffs also they are not provided. In the Clerical staffs also they go in for recruiting people from other communities of high class people or sometimes from outside the State. They are never selected in the management cadres. Sir, the next step for the Government will be that the employment facility in the tea gardens for the children of the tea garden labourers will also be ensured by the Government. This is good and first step that has been taken. I think the participants in the Government

side, friends from the tea group will ensure that their children are protected in every aspect of their lives and with these word, I commend this beginning but I say that this is not enough.

Shri Silvius Condpan – Mr. Speaker, Sir, I rise to express my gratitude to the Ministry headed by Mr. Saikia and to the Ministry of Labour in particular for coming up with this Amendment Bill in favour of the tea garden labourers. It has really given me a great relief to find that our Minister, Labour has come up with this Amendment Bill. As my friend, Mr. Basumatary has made his submission that this tea garden workers have great and many problems. While many many and manifold problems cannot be solved at a time, the very step taken by the Government indicates and says that they have got all sincere desire to do something for the welfare of the tea workers. I would like to repeat what my friend; Mr. Basumatary has said that it will go to ensure the welfare measures to the tea workers. But I would have been still very happy and more and more grateful to the Government and to the Minister of Labour if they could have come up with a Bill that would also protect the employment, security and other things of the children of the tea workers. Sir, they have built up this big industry of our country and the renowned industry in the world; but their children when they are educated they have no provision to get small white colar jobs in the tea gardens,

not to speak of executive jobs. My friend, the Minister, Labour – he knows better than me because I do not claim that I know better than him. It is only to express the feeling of the people, I request him that next time he will come up with a new Bill regarding the educated children for their employment in the gardens. Sir, you know that this Assam Plantation Labour Act is in force for the tea workers, and this Act – of course, the Labour Minister also knows, that this is a Central Act. This is a very old Act which was enacted at the time, the circumstances of which was is very much different from what it is today. Taking advantage of the opportunity of the generosity of the Government and the Labour Ministry, particularly in Assam I would like to suggest that they will take up with the appropriate authority for an overall amendment and make a proposal to the Central Government so far as the Plantation Labour Act is concerned. This Act is absolutely outdated. Although the Government has got the sincere desire and intention to protect the interest of the tea workers through the provisions of this Act they will not be able to do it because this Act was framed some 35 years back, and today, Sir, you will definitely agree with me that everything has changed in the tea gardens. So, I would request the Government through you to take up more strongly and plead very forcefully before the Central Government to bring in overall amendment in the

Plantation Labour Act. With these words, I express my gratitude to the Government and support this Bill.

* শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন উত্থাপন কৰাৰ কাৰণে মই শ্ৰম মন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছো। তথাপি কব লাগিব যে, চৰকাৰে বহুত দেৰিকৈ বিলখন সদনত উত্থাপন কৰিছে। তাৰ বাবে চৰকাৰ জগৰীয়া। এই বিলখন কেন্দ্ৰই ১৯৭৬ চনতে গ্ৰহণ কৰিছিল। মই কবলগা কাৰণে কোৱা নাই। কেন্দ্ৰই ১৯৭৬ চনতে গ্ৰহণ কৰা বিল ৰাজ্য চৰকাৰে আনিব পৰা নাই। ৰাজ্য চৰকাৰ তেতিয়াৰ পৰাই এতিয়ালৈকে গভীৰ নিদ্ৰাত শুই আছিল এতিয়া সাৰ পোৱাৰ কাৰণে অভিনন্দন জনাইছো। আমাৰ সাধাৰণ শ্ৰমিক সকলৰ দুৰাৱস্থাৰ কথা ইতিমধ্যে এই সদনত বহু কেইজন ব্যক্তিয়ে কৈছে। তেওঁলোকে যিবোৰ আইনৰ দ্বাৰা উপকৃত হয়, তেনেকুৱা আইন কৰাত পলম কৰিব নালাগে। কিন্তু পলম কৰা হ'ল আৰু এতিয়াহে বিলখন উত্থাপিত হৈছে। আৰু উত্থাপিত হোৱাৰ পিচতেই যাতে এই বিলখন কাৰ্য্যকৰী কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ হয়। এই দৃঢ় ব্যৱস্থা লোৱাৰ কাৰণে, এই কাৰণেই কোৱা হৈছে যে, বাগানৰ মালিক শ্ৰেণী এলাপেচা মানুহ নহয়। তেওঁলোকে ইতিমধ্যে খবৰ পাইছে যে, প্ৰভিডেণ্ট ফান্দৰ যিখিনি পইচা সেইখিনি পইচা দিবলৈ টান পায়। এতিয়া লিংক দিপজিট ইন্সৰেন্স ফান্দত যে সহজে দিব আমি আশা কৰিব নোৱাৰো। আৰু তেওঁলোকৰ দ্বাৰা যে শ্ৰমিকৰ কল্যাণ নহয় সেই কথাটো আজি ইতিহাসে প্ৰমাণ কৰি দিছে। গতিকে এই বিলখন খুব সহজ ভাষাৰে মন্ত্ৰী মহোদয়ে সংশোধন কৰিবলৈ দাঙি ধৰিছে। চেকচন ফৰ ( এ )—"Every employer shall, from time to time pay into the Insurance Fund in respect of every employee in relation to whom he is the employer, such amount not being more than one percent of the wages as defined under sub-section ( h ) of section

---

* Speech not corrected

2 of the Act for the time being payable as the State Government may, by notification in the official Gazette, specify."

অধ্যক্ষ মহোদয়, আইনত বহুতো কথা থাকে। কিন্তু যদি আমাক নিদিয়ে তেন্তে কি কৰিব? মই চালো বিলখনত কোনো খুট নাই। অন্য প্ৰসংগ আলোচনা কৰোতে মাননীয় সদস্য সকলে কয় যে, জৰিমনা হয় ৫০ টকা। কোনোবা এজন বাবুৰ দ্বাৰা ৫০ টকা পঠিয়াই দিয়ে। ইয়াত নিদিলে চৰকাৰে কি কৰিব? সেইকাৰণে এটা ব্যৱস্থা ৰখা দৰকাৰ। আৰু হাস্যাস্পদ এই অংকৰ জৰিমনা ৫০ টকা এখন বাগানৰ মালিকৰ কাৰণে একো টকা নহয়। গতিকে এই অংকটো ডাঙৰ কৰিব লাগে।

যিমান টকা দিব লগা হয় তাৰ দুগুণ যদি জৰিমনা কৰা হয় তেন্তে হয়তো আইনখন কিছু কাৰ্যকৰী কৰিবলৈ তেওঁলোক আগবাঢ়ি আহিব। চাউল, আটা সম্পৰ্কত মাননীয় মুখমন্ত্ৰী আৰু যোগান মন্ত্ৰীৰ পক্ষৰ পৰাও কোৱা শুনিছো যে চাহ বাগানৰ মালিক সকলে কবলৈ আৰম্ভ কৰিছে যে চৰকাৰে চাউল, আটা নিদিয়ে। কিন্তু আইনমতে চৰকাৰটো বাধ্য নহয় যে তেওঁলোকক সকলো বস্তু যোগান ধৰিব। চৰকাৰে যোগান ধৰিছে এটা উদ্যোগৰ খাটিৰত। কিন্তু আজি গোটেই দায়িত্বটো আমাৰ ওপৰত জাপি দিবলৈ আহিছে, শ্ৰমিক নেতা আমাৰ ওচৰলৈ আহিছে আটা লাগে, চাউল লাগে। চক্ৰান্ত কৰি এইখিনি কৰি আছে। গতিকে, এইখিনি মানুহৰ লগত মোকাবিলা কৰিব লগীয়া হয়। আইন ভঙ্গকাৰীৰ বিৰুদ্ধে যদি আইনত স্পষ্ট ধাৰা উল্লেখ থাকে তেতিয়া হয়তো কিছুদিন আন্দোলন হব পাৰে। আজি এই সময়ত মানুহৰ বিভিন্ন সমস্যা আছে, এই বিষয়ে সদনত বহুতবাৰ আলোচনা কৰা হৈছে, গতিকে মই ইয়াত পুনৰ উল্লেখ কৰাৰ ইচ্ছা নকৰোঁ। তথাপি কবলৈ বাধ্য হৈছোঁ যে আজি তেওঁলোক যি হাৰত অৱহেলিত হৈ আহিছে তেনেকৈ আৰু বেছি দিন নাথাকিব। সময় তেওঁলোকৰ সপক্ষে গৈ আছে। আমি এইবাৰ বিধান সভাত দেখিছোঁ চাৰ, এইবাৰ বিধান সভাত তেওঁলোকৰ সপক্ষে যথেষ্ট আলোচনা হোৱা আমি শুনা নাছিলো। গতিকে, সময় তেওঁলোকৰ

সপক্ষে, শ্ৰমিকৰ সপক্ষে। শ্ৰমিক শ্ৰেণীয়ে যুগ যুগ ধৰি এনে শোষণ, অত্যাচাৰ আৰু লাঞ্ছনা সহ্য কৰি নাথাকিব, এইটো মুঠেই সম্ভৱ নহয়।

আজি জনসাধাৰণে যেতিয়া চাউল সম্পৰ্কে, আটা সম্পৰ্কে শুনিছে এনে অৱস্থাত মালিক সকলে তেওঁলোকৰ বিৰুদ্ধে মুখামুখি হোৱাটো সম্ভৱ নহয়। শ্ৰমিক সকলৰ সচেতনতা বৃদ্ধি কৰা কাৰণে আইনৰ প্ৰত্যেক ধাৰা কাৰ্য্যকৰী কৰিব লাগে। গণতান্ত্ৰিক পদ্ধতিৰে তেওঁলোকে নিজৰ দাবী আদায় কৰিব পাৰে। মই আশাকৰোঁ যাতে শ্ৰমিকে আন্দোলন চলাব লগা নহয় তাৰ বাবে আমাৰ চৰকাৰে বিশেষকৈ শ্ৰম বিভাগে তেওঁলোকৰ মাজত দেখা দিয়া সমস্যাসমূহ ক্ষিপ্ৰ সমাধানৰ ফাললৈ আগবাঢ়ি যাব।

এইখিনি কৈয়েই বিলখনলৈ মোৰ সমৰ্থন জনাই বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে মই তেখেত সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ। শুভেচ্ছাৰ লগতে ধন্যবাদো জনালোঁ।

এই বিলখন কেতিয়াবাই আহিব লাগিছিল, বহু কাৰণবসতঃ ইমান দেৰীকৈ উত্থাপন কৰিব লগা হ'ল। সি যি কি নহওক কেইজনমান মাননীয় সদস্যৰ পৰামৰ্শৰ মাজেৰে কিছু কথা মই দাঙি ধৰিছোঁ।

নিয়োগৰ কথা তেখেত সকলে কৈছে। ময়ো এই সদনত গৌৰৱ কৰি কবলৈ পাই সুখী হৈছোঁ যে ইয়াৰ আগতে চাহ বাগানৰ ল'ৰা-ছোৱালীক চাকৰি দিয়াৰ ক্ষেত্ৰত কোনো চৰকাৰে চিন্তা কৰা নাছিল। এইবাৰ পোন প্ৰথম বাৰৰ বাবে জন সংখ্যাৰ ভিত্তিত গোটেই অসম জুৰি প্ৰায় ১০ হেজাৰমান ল'ৰা ছোৱালীৰ নিযোগ কৰাৰ কথা কোৱা হৈছে আৰু ইতিমধ্যেই বহুতক দিয়া হৈছে। তাৰোপৰি, আমাৰ চাহ বাগিছা বিলাকৰ শিক্ষিত ল'ৰা-ছোৱালীক চাকৰি দিয়াৰ ক্ষেত্ৰত যিখিনি অজুহাত দাঙি ধৰা হৈছে সেইখিনি দূৰ কৰাৰ কাৰণে আমি চেষ্টা কৰিছোঁ।

শ্ৰীকমলাপান ভাৰতীয়াই যিটো পি, এল, এক্টৰ amendment ৰ কথা

কৈ ছ সেইটো অনুমোদনৰ কাৰণে আমি ভাৰত চৰকাৰলৈ লিখিছোঁ আৰু আশা ৰাখিছোঁ সোনকালে আমি এইটো পাম। মই ইয়াৰ আগৰ বাৰে কৈছিলো যে এই মানুহ খিনিক চৰকাৰে যথেষ্ট সুবিধা দিছে আৰু কিছু বঞ্চিত হৈছে। নানা ধৰণৰ ব্যৱস্থা বিলাকেৰে তেওঁলোক হাৰা-শাস্তি হৈ আছে এইখিনি দূৰ কৰাৰ কাৰণে এই বিলখন আনিব লগা হৈছে। ইয়াৰ বাবে ওৱৰ্কমেন প্ৰটেকশ্যন বিল আনিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰোপৰি আমাৰ এটা ডাঙৰ সমস্যা হৈছে আমাৰ প্ৰতি ইন্ড্ৰাষ্ট্ৰিয়েল ডিচপুট এক্ট। এজন মানুহ দিচমিচ হোৱাৰ পিচত মানুহজন মৰি যায় অথচ কোনো বিচাৰ নহয়, এইবোৰ অসুবিধা দূৰ কৰিবলৈ আমি চেষ্টা কৰিছোঁ, আমি আশা কৰোঁ আমাৰ শ্ৰমিক সকলে ইয়াৰ ফল পাব।

আমাৰ দাস ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে। দেৰীকৈ হলেও এই বিল উত্থাপন কৰাৰ পিচত এইখিনি মেনেজমেণ্টৰ পৰা কেনেকৈ আদায় কৰিব পাৰি চাই ব্যৱস্থা কৰাৰ লগতে লেণ্ড ৰেভিনিউ হিচাবে আদায় কৰাৰ ব্যৱস্থা হাতত লৈছোঁ। ইয়াৰ আগতে আমাৰ এটা অসুবিধা হৈছিল, আমাৰ লেণ্ড ৰেভিনিউ হিচাবে আদায় কৰাৰ কোনো সুবিধা নাছিল। উৱেষ্ট বেঙ্গলত এই বিষয়ৰ আইন আছে। সেইখন চালি-জাৰি চাই সেইমতে আমাৰ ইয়াতো কৰিবৰ কাৰণে সক্ষম হৈছোঁ। আশা কৰিছোঁ পইচা খিনি আদায় কৰিব পৰা যাব। আৰু যোৱা ১ ফেব্ৰুৱাৰীৰ পৰা এফেক্ট দিব পৰা হব। ইতিমধ্যেই আমি নোটিফিকেশ্যন দিছোঁ। মাননীয় সদস্য সকলে এই বিলখনলৈ সাৰ্থন জনোৱাৰ বাবে মই তেওঁলোক সকললৈ মোৰ তৰফৰ পৰা ধন্যবাদ জনাইছোঁ।

**Mr.** Speaker—I now put before the House that the Assam **Tea** Plantations Provident Fund ( And Pension Fund ) **Scheme** ( Amendment ) Bill, 1984 be taken into consideration.

**The Motion is passed**

**There is no amendment to the Bill; So I put that**

Clauses 2-13 do form part of the Bill.

Clauses 2 to 13 formed part of the Bill.

Now I put Clauses 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble, enacting formula and the short title do form part of the Bill.

Clause 1, preamble, enacting formula and the short title formed part of the Bill.

Shri Rameswar Dhanowar, ( Minister )—Sir, I beg to move that the Assam Tea Plantations Provident Fund (And Pension Fund ) Scheme ( Amendment ) Bill, 1984 be passed.

Mr. Speaker—I put before the House that the Assam Tea Plantation Provident Fund ( And Pension Fund ) Scheme ( Amendment ) Bill, 1984 be passed.

The Motion is passed.

Now the next item there is a message from the Governor which reads as follows.

RAJ BHAVAN

Gauhati the 17th February, 1984.

Under the provision of Article 207 (3) of the Constitution of India, I, Prakash Mehrotra, Governor of Assam, recommend that the Indian Stamp ( Assam Amendment ) Bill, 1984 be taken up for consideration by

the Assam Legislative Assembly.

Sd. Prakash Mehrotra
Governor of Assam.

Shri G. C. Langthasa, ( Minister ) – Mr. Speaker Sir, I beg to move that the Indian Stamp ( Assam Amendment ) Bill, 1984 be taken into consideration.

Shri Binoy Kumar Basumatary – This is a bill which is supposed to bring in additional revenue of Rs. 100 lakhs in the State Exchequer and we find in the statement of objects and reasons that the Planning Commission observed during 1976-77 that the rates of Stamp duty in Assam is much lower than in several other States and suggested revision of the rates upward. Since the rates have not been revised for over 10 years, it is proposed to increase the Stamp duty on different instruments by 50%. Now, Sir, here in the Bill, there are various lists which specify the amount of increase. At page 21, clause 39-Memorandum of Association of a Company—

| | |
|---|---|
| (a) If accompanied by Articles of Association under Sec 26 of the Companies Act, 1956 | Rs. 99/- |
| If not so accompanied – | |
| (b) Where the nominal share capital does not exceed one lakhs of rupees. | Rs. 247/- |

(c) Where the nominal share capital exceeds one lakh of rupees. Rs. 412·50

Sir, what are these Companies registered under the Companies Act ? Today, a company which has a share capital of 20 lakhs or even Rs. 2 crores is a small Company. Now, Sir, if we allow a Company of such dimension to be registered only with Rs. 99, Rs. 247 or Rs. 400, it is an unjustice. These companies earn crores of rupees, lakhs of rupees and if not thousands of rupees. Sir, I do not know what is the purpose of having such a low amount of stamp duty for such big companies registered under the Companies Act 1956. I think a company of such dimension should not be allowed to be registered for less than 3000/4000 rupees. I do not want to lengthen the observation. I would request that the Govt. should come forward not only to increase the stamp duty on different instruments by 50%, but also to increase by 2/3 hundred percent. The stamp duty indicated here is absolutely nominal and it does not mean any profit for Govt. But Sir, there are other aspects, such as, where poor people are to register some Deeds, they should be given some consideration, they should be allowed to register free of cost. Sir, this Govt. is supposed to accept the socialistic pattern. This is one of the instances where they could prove that poor people have some facilities in the State. But we find that everybody is required to pay stamp duty. I, therefore,

wish to say that those people who earn 3/6 thousands of rupees a year, their registration fees should be accounted as welfare measure. Those people who earn thousands of rupees as profit every year, they should be taxed. With this observation, I conclude my speech.

* Shri G. C. Langthasa, ( Minister ) – Mr. Speaker, Sir, the points raised by Shri Basumatary will be taken into consideration in course of time. The bill presented today is long pending. I would now like to read out the ideas for bringing this Stamp Duty Bill.

The Indian Stamp ( Assam Amendment ) Bill, 1984 seeks to revise the rates of Stamp Duty as laid down in Schedule I to the principal Act viz. The Indian Stamp Act, 1899 which is a Central Act.

The Schedule was last revised in 1971 by the Indian Stamp ( Assam Amendment ) Act, 1970.

By virtue of entry 63 of the State list contained in the 7th Schedule to the Constitution of India, the State Govt. is empowered to amend the rates of Stamp Duty in respect of documents other than those specified in the provision of list I ( Entry 91 of the Union List ) with regard to rates of Stamp Duty.

The per capita incidence of Stamp Duty in Assam is much lower than several other states. The Planning Commission observed during 1976-77 that exploitation

* Speech not Corrected.

of this source of revenue has been inadequate and suggested upward revision of the rates.

At the current rates the revenue from Stamp Duty is as follows :

| | |
|---|---|
| 1978-79 | .... Rs. 2.40 crores. |
| 1979-80 | .... Rs. 2.32 crores. |
| 1980-81 | .... Rs. 2.25 crores. |
| 1981-82 | .... Rs. 3.08 crores. |
| 1982-83 | .... Rs. 3.03 crores. |

Since the rates have not been revised for over 10 ( ten ) years, it is proposed to increase the Stamp Duty by 50%. This measure is likely to yield an additional revenue of rupees one crore, per annum.

This is non postal Stamp Duty and has no relationship with Court Fee.

The Amendment is sought to be made in respect of the rates of Stamp Duty pertaining to Item No. 1-10, 12, 15-20, 22-26, 28,29, 31-36, 38-46, 50-51, 54-61 and 63-65 ( 52 items ) of the Schedule I of the Act II of 1899 ( Principal Act ).

The entire revenue minus the manufacturing cost of Stamp ( about 5% of the value of the Stamp ) will go to the State Exchequer.

Mr. Speaker – Now I put the Motion before the august House that the Indian Stamp ( Assam Amendment ) Bill, 1984 be taken into consideration.

The Motion is passed.

Now Item No. 9 (b). There is no amendment.

Clause 2 include the Schedule 1 does form part of the Bill.

The Clause 2 including the Schedule 1 form part of the Bill.

I now put Clause 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble, enacting formula and the short title do form part of the Bill.

The Clause 1, preamble, enacting formula and the short title form part of the Bill.

Now Item No. 9 (c): Shri G. C. Langthasa Minister to move.

Shri G. C. Langthasa ( Minister )—Mr. Speaker Sir, I beg to move that the Indian Stamp ( Assam Amendment ) Bill 1984, be passed.

Mr. Speaker—I put the Motion before the House that Indian Stamp (Assam Amendment ) Bill, 1984 be passed.

The Motion is passed, the Bill is passed.

Now Item No. 10 (a). Shri Janannath Sinha ( Minister, Transport ) to move.

Shri Jagannath Sinha ( Minister, Transport )—Mr. Speaker Sir, I beg to move that the Assam State Transport Corporation (Prevention of Unauthorised Travel) (Amendment) Bill 1984 be taken into consideration.

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ বিৰোধীতা কৰো। বিলখনৰ বিৰোধীতা কৰো এই কাৰণেই যে কেতিয়াবা আমিও টিকট

নকৰাকৈ অহাযোৱা কৰো। যদি এই বিলখন পাছ হয় তেতিয়াহলে আমাৰ বিপদ হব। অসম ট্রেন্সপোর্ট বাছত সাধাৰণতে টিকট নকটাকৈ কম মানুহ যায়। মই ডিব্রুগড়ৰ পৰা ধুবুৰীলৈ গৈছো প্রায় ক্ষেত্রত টিকট নকটা মানুহ দেখা পোৱা নাই। তেখেতে বিল আনিব লাগিছিল অন্য কাৰণত। কিন্তু বিল আনিছে টিকট নকটাৰ কাৰণে। যিবিলাকে চোৰ কৰি যায় তেওঁলোকে টিকট নকটাকৈ অহা যোৱা কৰে, এইয়া বিষয়া সকলেই সুবিধা দিছে। এইখন বিল পাছ কৰি কেইজনমান হাকিম নিযুক্তি কৰিব বিচাৰিছে। হাকিমে বিচাৰ কৰিব নগলে চৰকাৰে কি কৰিব? টিকট নকৰাৰ কাৰণে লোকচান কিমান টক হৈ আছে চৰকাৰে সেইটো হিচাব জনাবনে? যিবিলাকৰ কাৰণে আমাৰ আইন কৰিবৰ প্রয়োজন আছিল সেইটো কৰা নাই। কিছুমান মানুহে লাইচেন্স লৈ ৰাজ্যৰ ইমুৰৰ পৰা সিমুৰলৈ মিনি বাছ, টুৰিষ্ট বাছ চলাই আছে। টুৰিষ্ট বাছ সমূহে কড়িয়াই ৰঙিয়াৰ পৰা নলবাৰী, বাইহাটাৰ পৰা মঙ্গলদৈ লৈ, এইবোৰ টুৰিষ্ট বাছ নে লাইন বাছ নে আধুনিক বাছ? তেতিয়াবা দেখো মাজ বাটতে মবাইল কোর্ট লাইচেন্স আছে নে নাই মবাইলকোর্টে চাই। মবাইলকোর্টে মাজ বাটতে লাইনত চলা বাছ সমূহ জব্দ কৰি ঘণ্টাৰ পিচত ঘণ্টা জব্দ কৰি ৰাখে। বাছত বিভিন্ন ধৰণৰ যাত্রী আহে; কর্মচাৰী আহে, ছাত্র আহে, মোকৰ্দমা থকা মানুহ আহে, সেই সকলৰ যি ক্ষতি হয় তালৈ ভ্রুক্ষেপ নকৰে। বাছৰ কাগজ পত্র নাই, তাৰ বিচাৰ কৰক, নির্দিষ্ট ঠাইত ষ্টেচনত যাত্রী সকলক নমাই দি যি ব্যৱস্থা বাছৰ ওপৰত লবলৈ বিচাৰে লওক। এইটো বেয়া কথা হৈছে। আমিতো লাইচেন্স, পাছ লৈয়ে আহিছো। আমি পইচা দিছো আহি আছো। আমাৰ বিভিন্ন কামৰ কাৰণে আহো, বাছে লাইচেন্স লোৱা নাই যাত্রীৰ কি অপৰাধ? তাৰ কাৰণে বাছৰ মানুহক জগৰীয়া কৰে কিয়? এনেধৰণেৰে আমাক কিয় দিগদাৰ দিয়ে। আপোনালোকে এই ক্ষেত্রত পৰা নাই। মই পৰিছো। আমাৰ ট্রেন্সপোর্টত টিকট নকটাৰ কাৰণে লোকচান হৈছে বুলি এজন হাকিম নিয়োগ কৰাৰ কাৰণেহে এই ব্যৱস্থা কৰিছে। আৰু কিছুমান দালাল সৃষ্টি কৰাৰ কাৰণে ট্রেনচ্‌পোর্টত লোকচান হৈ আছে।

টকাৰ লোভত কম দামী পাৰ্ট লগাব, পাৰ্ট চোৰ কৰিব, সেইটোলৈ লক্ষ্য নাই? হাকিমজনকও টিকট নকটাৰ বিচাৰৰ কাৰণেই দা-দৰমহা দিব লগা হ'ল। হাকিম নিযুক্তি দিয়ক, এখন স্বকীয়া গাড়ী দিয়ক, লগত কেইজনমান পুলিচ সহ গাড়ী দিয়ক, হাকিমজনে আলহি খাই ফুৰক তেতিয়া চৰকাৰৰ ভড়াল শেষ হৈ যাওক। আপোনালোকে চিন্তা কৰক, বিবেচনা কৰক। বিভিন্ন শিতানত যে লোকচান হয় অকল মেনেজমেণ্টৰ কাৰণে। যি সকলে ওৱৰ্কস্বপত কাম কৰে তেওঁলোকে যি পাৰ্টচ দিয়ে সেইবিলাক বেয়া। সেই পাৰ্টচ বিলাক বেছি দামত লয়। সেইকাৰণে মই তাৰ বিৰোধিতা কৰি এইখিনি কথা কৈছো।

শ্ৰীপুৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, এই বিলৰ প্ৰসঙ্গত আমাৰ অলপ কবলগীয়া আছে। পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে ১৯৮৪ চনৰ অসম ৰাজ্যিক পৰিবহন নিগম অনাধিকাৰ ভ্ৰমণৰ বিৰোধীতা বিধেয়ক খন উত্থাপন কৰিছে। আমি জনাত বাছৰ যাত্ৰীয়ে ভাৰা নিদিয়াকৈ নাযায়। লাহে লাহে পাবলিক বাছ, মিনি বাছ, অমনি বাছ আদিৰ আকৰ্ষণ বাঢ়ি আছে। যাত্ৰী সকলে ভাৰা দিয়েই এই ৰাছ বিলাকত অহা যোৱা কৰে। কথা হ'ল বহু কাৰণত যাত্ৰী সকলে বহু সময়ত এই এ, এচ, টি, চিৰ বাছত যাবলৈ বিৰক্তি পায়। চিটৰ কাৰণেই হওক বা অন্য কাৰণতেই হওক আমাৰো কেতিয়াবা বিৰক্তি লাগে। এ, এচ, টি, চিৰ বাছৰ যাত্ৰী সকলে বাছ ষ্টেচনত টিকট লব লাগে আৰু লয়ো। এই টিকট চোৱাৰ কাৰণে আকৌ কণ্ডাক্টৰ আছে। কণ্ডাক্টৰ সকলক চৰকাৰৰ পৰা দৰমহা দিয়া হৈছে। টিকট চেক কৰাৰ কাৰণে তেওঁলোকে দৰমহা পায়। আকৌ মাজ বাটতে বাছ ৰাখি যাত্ৰী উঠালে তাত টিকট দিয়ে নে নিদিয়ে চাবৰ কাৰণেও ইন্সপেক্টৰো আছে। এনে অৱস্থাত এনে আন অথৰাইজ ব্যক্তি বাছত যাব পাৰে এই বিশ্বাস আমাৰ নহয়। এই বিল উত্থাপন কৰাৰ তাৎপৰ্য্য আমাৰ কাৰণে অস্পষ্ট যেন লাগিছে। যি সকল যাত্ৰী অন্যায় ভাৱে অহাযোৱা কৰে তেনে স্পেচিফিক কেচ যদি আছে সেই সকলক ধৰি শাস্তি বিহাৰ ব্যৱস্থা কৰক। কিন্তু কথা হ'ল সেই কাৰণেই এখন বিল অনাৰ প্ৰয়োজন নাছিল। অৱশ্যে ইয়াত এটা কথা কৈছে যে

জুডিচিয়েল মেজিষ্ট্রেটৰ পৰিবৰ্ত্তে একজিকিউটিভ মেজিষ্ট্রেট লব লাগিব। কিন্তু কথা হ'ল এ, এচ, টি, চিৰ বাছত যিবিলাক অহাযোৱা কৰে সেইসকলৰ সুবিধাৰ কাৰণেহে কিছুমান ব্যৱস্থা লোৱা উচিত। আমি দেখিছো বহুতো প্ৰয়োজনীয় ঠাইত বাছ ষ্টপেজ নাই। বাছ বিলাক খালিয়েই যায়, যাত্ৰীও কম থাকে। তেনে অৱস্থাত কিছুমান প্ৰয়োজনীয় ঠাইত বাছে মানুহ এৰি থৈ যায় কেনেকৈ বুজি নাপাও। সেই সকলে পইচা দিয়েই বাছত যাব বিচাৰে কিন্তু এ, এচ, টি, চিৰ বাছ ভাত নৰয়। সেয়েহে এই বিভাগৰ মন্ত্ৰী মহোদয়ক আমি জনাবলৈ বাধ্য হৈছো যে যাত্ৰী সকলক গন্তব্য স্থানত সময় মতে পোৱাটো আৰু সময়মতে বাছ চলাটো, যাত্ৰী সকলক কোনো কাৰণতেই উভতাই নপঠোৱাৰ ব্যৱস্থা কৰা উচিত। তেতিয়াহে পাব্‌লিক, মিনি, অমনি বাছ আদিত মানুহ যাবলৈ বাধ্য নকৰোৱাটো স্পষ্ট হব আৰু এইবিলাক প্ৰসংগতে আমি সেই কাৰণেই কব বিচাৰিছো এই বিলখন যেনেকৈয়ে আছে তেনেকৈয়ে ঠিক আছে। অন্য ভাৱে সংশোধনী অৱশ্যে আনিব পাৰি তাত বাধা নাই। কিন্তু কথা হ'ল আইনত থকা স্বত্বেও এই বিভাগটোত এনে কিছুমান কাণ্ড হয় যি বিলাক ৰোধ কৰা হোৱা নাই। সেয়েহে দুৰ্নীতি বিলাক এই বিলখনৰ যোগেদি ৰোধ কৰাৰ ব্যৱস্থা কৰক, তাত কাম কৰা কৰ্মচাৰী কণ্ডাক্টৰ সকলক অলপ চকু দিয়ক আৰু আইনৰ যি সুবিধা সেইখিনি সকলোৱে পোৱাৰ ব্যৱস্থা কৰক। এইখিনিকে কৈ এই বিলৰ প্ৰসংগত মই মোৰ বক্তব্য ডাঙি ধৰিলো।

Shri Md. Umaruddin—Mr. Speaker, Sir, it is not that my intention to oppose the Bill. The Bill is one of the measures by which ticketless travel is sought to be stopped and loss of revenue prevented. But so far I do not know whether ticketless travel is punishable under the law and the cases triable by judicial magistrates. But is it the only reason for which the Transport Corporation is running at a loss ? Who is responsible

for it ? Is it due to less traffic or higher establishment charge ? This is one of the questions that I have been repeating time and again because I have observed for the last ten or twelve years or since the installation of this Corporation that it is running at a loss and the total loss is estimated at Rs. 6 crores in 1980-81 against the total capital investment of Rs. 12 crores. I do not know the position of 1981-82, 1982-83 but I believe the loss must have crossed Rs. 10 crores limit. I hope the Minister will confirm it or deny it whether it is a fact. Instead of giving revenue, in public sector it seems we are only encouraging corruption through these institutions. We must take a serious view of it. Therefore, I as the Chairman of the Estimate Committee, many years ago suggested that there must be a study over the years against each service, each bus say from Gauhati to Dhubri, Gauhati to Dibrugarh and for certain minimum income the conductor and the driver must be held responsible. They must put in a minimum amount of money and if they cannot they must be held responsible. How the checker is getting rich, how the driver is getting rich nobody bothers about it. Where is the money going ? Now, this is a serious matter that out of public exchequer i.e. public money, private persons are getting rich. Therefore, I would suggest to the hon'ble Minister, Transport that he will have to set up a committee to study the whole thing in depth to find out what are the reasons, why the buses are not attractive, why sustained loss is

there. Another thing, Sir, the stations are in a horrible condition—there is no proper bathroom, no urinal and no waiting room for the ladies to sit in. Why the waiting rooms are in shabby conditions for years together? You will feel sick if you go to a bathroom or urinal, it is full of stench; no phenyle is spread and it is very badly maintained, You have to put your handkerchief on your mouth. I am not criticising but telling the Minister that his transport organisation is in a dangerous state, in serious state and requires urgent attention of Government. I would request the Chief Minister to look into it to find out the means to improve the situation.

Thank you Sir.

Mr. Speaker—The House stands adjourned till 9 A. M. tomorrow, Friday, the 30th March, 1984.

## ADJOURNMENT

The House there rose at 5 p. m. and stood adjourned till 9 a. m. on Friday, the 30th March, 1984.

Shri P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 29th March, 1984